# বি, এইচ, কলেজ আলোচনী

১৯৯৮ - ৯৯ চন



সম্পাদক

খাইৰুল ইছলাম

# বি, এইচ, কলেজ আলোচনী

## পঞ্চবিংশতিতম্ সংখ্যা

## ১৯৯৮ - ৯৯ চন

তত্বাৱধায়ক
অধ্যাপক শ্ৰীসৃজন চন্দ্ৰ নাথ

সম্পাদক
খাইৰুল ইছলাম

# বি, এইচ, কলেজ আলোচনী

## ২৫ তম্ সংখ্যা

## ১৯৯৮ - ৯৯ চন

### আলোচনী সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | অধ্যক্ষ ডঃ ৰমেন্দ্ৰ কুমাৰ দাস |
| তত্বাৱধায়ক | ঃ | অধ্যাপক শ্ৰীসৃজন চন্দ্ৰ নাথ |
| সম্পাদক | ঃ | মোঃ খাইৰুল ইছলাম |
| সদস্যসকল | ঃ | অধ্যাপক ডঃ কৃষ্ণ কিঙ্কৰ মহন্ত |
| | | অধ্যাপক ডঃ অমল চন্দ্ৰ ভৌমিক |
| | | অধ্যাপক পূৰ্ণ কান্ত খাটনিয়াৰ |
| | | অধ্যাপিকা শ্ৰীমতী ফুলকুমাৰী কলিতা |
| | | অধ্যাপক আবুল হুছেইন খান |
| | | অধ্যাপক বিষ্ণু চৰণ দাস |
| | | অধ্যাপক শ্ৰীনয়নেন্দ্ৰ দেৱ চৌধুৰী |
| | | শ্ৰীমিণ্টু দাস, সাধাৰণ সম্পাদক বি,এইচ, কলেজ ছাত্ৰ একতা সভা |


★ বেটুপাত ঃ বি,এইচ, কলেজ ভৱনৰ দৃশ্যপট

★ আলোক চিত্ৰ ঃ শ্ৰীচেণ্টু ৰায়, চিত্ৰছায়া ষ্টুডিও
বৰপেটা ৰোড়।

★ ছপাশাল ঃ পূৰ্ব্বশ্ৰী অফচেট প্ৰিণ্টাৰ্ছ
বৰপেটা। ✆ ৫২৬১৬


## শ্ৰদ্ধাঞ্জলি

*Perfect little body, without fault or stain*
*on thee,*
*With promise of strength and mouhood*
*full and fair!*
*Though cold and stark and bare,*
*The bloom and the charm of life doth*
*awhile remain on thee*
*Robert Bridges "On a Dead Child"*


জহুৰা খাতুন


ইলিজা বেগম


লিলি কলিতা


সঙ্গীতা ডেকা


সাজিনা আহমেদ


জুতিকা শৰ্মা


তুলুমনি ভৰালী

২৮/২৯ নৱেম্বৰ ১৯৯৮ তাৰিখৰ ৰাতি বি. এইচ. কলেজ ছাত্ৰী নিবাসৰ পৰা বনভোজলৈ যাত্ৰা কৰা ছাত্ৰীসকলৰ ভিতৰত বাছ দুৰ্ঘটনাত অকালতে মৃত্যু বৰণ কৰা ছাত্ৰী সাতোগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি যাচি, বি. এইচ. কলেজ আলোচনীৰ এই সংখ্যাটো তেওঁলোকৰ পবিত্ৰ স্মৃতিৰ উদ্দেশ্যে শ্ৰদ্ধাৰে উৎসৰ্গ কৰা হ'ল।

— সম্পাদক

## কৃতজ্ঞতা স্বীকাৰ  ঃ

- ★ বি, এইচ, কলেজ আলোচনী সম্পাদনা সমিতি।
- ★ বি, এইচ, কলেজ ছাত্ৰ একতা সভা (১৯৯৮ - ৯৯ চন)।
- ★ এই সংখ্যা আলোচনীৰ সমূহ লেখক-লেখিকা।
- ★ বি, এইচ, কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীবৃন্দ।
- ★ চিত্ৰ-ছায়া ষ্টুডিও, বৰপেটা ৰোড়।
- ★ মেচাৰ্চ পূৰ্ব্বশ্ৰী অফ্‌চেট প্ৰিন্টাৰ্চৰ সত্বাধিকাৰী আৰু কৰ্ম্মীবৃন্দ, বৰপেটা।

## সম্পাদকৰ টোকা  ঃ

আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজন অনুসৰি সম্পাদনা সমিতিয়ে পৰিবৰ্ত্তন আৰু সংশোধন কৰিছে। এইখিনিতে এটা বিশেষ কথা উল্লেখ কৰিব লগা হ'ল— কোনো লেখক-লেখিকাৰ যদি নকল লিখনি আলোচনীত প্ৰকাশ পাইছে — সেইটো অতি নিন্দনীয় হৈছে আৰু তাৰ বাবে অজ্ঞাতাবশতঃ কাৰণত সম্পাদক আৰু সম্পাদনা সমিতি দায়ী নহয়।




কৰ্মৰত অৱস্থাত বি. এইচ. কলেজৰ নৱ-নিযুক্ত অধ্যক্ষ
**ডঃ ৰমেন্দ্ৰ কুমাৰ দাসদেৱ**

অধ্যক্ষ পদত যোগদানৰ তাৰিখ ৬ অক্টোবৰ, ১৯৯৯ চন।

আমি নৱ-নিযুক্ত অধ্যক্ষ মহোদয়ৰ সকলো প্ৰকাৰ সাফল্যতাৰ লগতে কলেজখনলৈ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

— সম্পাদক।

## বিদায়ী অধ্যক্ষ

## শ্ৰীযুত সত্যনাথ দাসদেৱ



১৯৬৬ চনত বি. এইচ. কলেজ প্ৰতিষ্ঠা হোৱা দিনৰে পৰা সুদীৰ্ঘ ৩৩ বছৰ ধৰি শ্ৰীযুত সত্যনাথ দাসদেৱে অধ্যক্ষৰ পদত থাকি নানান ঘাত-প্ৰতিঘাতৰ মাজেদি কলেজখনক সৰ্বাংগীন উন্নতিৰ পথত আগুৱাই লৈ গৈ যোৱা ২৮/২/৯৯ ইং তাৰিখে অৱসৰ গ্ৰহণ কৰে। আমি তেখেতৰ অৱসৰ জীৱনত সুখ, শান্তিৰ লগতে দীৰ্ঘায়ু কামনা কৰিলোঁ।

— সম্পাদক।

# সম্পাদকীয়



আজিৰ বিশ্বই এক জটিল পৰিস্থিতিৰ মাজেদি অতিবাহিত কৰিবলগা হৈছে। সাম্য, মৈত্ৰী আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে আজিন বিশ্বত যেনেকৈ এক অবিৰাম প্ৰচেষ্টা চলিছে, তাৰ বিপৰীতে বিশ্বৰ বিভিন্ন প্ৰান্তত সন্ত্ৰাসবাদ, হিংসা, শোষণ, উৎপীড়ন আদিও তাণ্ডৱো অবিৰতভাৱে চলি আছে। উগ্ৰ সন্ত্ৰাসবাদীৰ হাতত প্ৰতিদিনে হাজাৰ হাজাৰ নিৰীহ জনতাৰ মৃত্যুৰ বাতৰি, বৰ্ণ বৈষম্য আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা অশান্ত পৰিস্থিতিয়ে আজিৰ জনজীৱনক অতীষ্ঠ কৰি তুলিছে। এই অতীষ্ঠ জনজীৱনক শান্তিৰ বাণী দিয়াৰ শ্ৰেষ্ঠ উপায় হৈছে এক নিৰপেক্ষ সাহিত্যৰ সৃষ্টি। আজিৰ অসমতো এনে এক সাহিত্যৰ প্ৰয়োজন হৈছে —যি সাহিত্যই উগ্ৰ সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতা, দুৰ্নীতিৰ স্বৰূপ প্ৰকাশ কৰি বিভিন্ন ধৰ্ম, ভাষা, উপ-জাতিৰ লোকেৰে গঠিত অসমীয়া জাতিৰ মাজত নতুন আশা, নতুন প্ৰেৰণা সঞ্চাৰ কৰিব পাৰে।

শিক্ষা আৰু সংস্কৃতিয়ে জাতিৰ পৰিচয়। যি জাতি যিমান শিক্ষিত হয়, তাৰ সংস্কৃতিও সিমান উন্নত হয়। শিক্ষাই মানুহক সংস্কৃতিবান কৰি তোলে। গতিকে শিক্ষাৰ সম্প্ৰসাৰণৰ লগে লগে কোনো এটা জাতি বা কোনো এখন ঠাইৰ সংস্কৃতিও বিকাশ লাভ কৰে। বহল অৰ্থত সাহিত্যও সংস্কৃতিৰ অন্তৰ্গত। এতেকে সংস্কৃতিৰ উন্নতি মানে সাহিত্যৰ উন্নতি।

আজিৰ পৰা তিনি দশকৰো আগতে হাউলী — বৰপেটা বোড় অঞ্চলৰ ৰাইজে বহু আশা কৰি বৰপেটা বোড়-হাউলী (বি,এইচ) কলেজ প্ৰতিষ্ঠা কৰিছিল। কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছত এই অঞ্চলত শিক্ষাৰ প্ৰসাৰ হ'ল। বছৰে বছৰে শ শ স্নাতক সৃষ্টি হোৱাৰ লগতে বৰ্তমান স্নাতকোত্তৰো (বাণিজ্য বিভাগ) শ্ৰেণী আৰম্ভ হৈছে। কিন্তু সেই হিচাপে সংস্কৃতিৰ সামগ্ৰিক বিকাশ লাভ কৰা নাই যেন লাগে। সৃষ্টিশীল ব্যক্তিৰ সৃষ্টিয়েই কলেজ এখনৰ মানদণ্ড নিৰ্ণয় কৰে। বিভিন্ন পৰীক্ষাত উৎকৃষ্ট ফল দেখুৱাই কলেজখনে যশস্যা অৰ্জন কৰিলেও, আন্তঃ কলেজ বা বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক প্ৰতিযোগিতাসমূহত যোগদান কৰি তেনে কৃতিত্ব দেখুৱাব পৰা নাই। আজি কেইবছৰমান আগতে যি মানদণ্ড আছিল, বৰ্তমানে সিও অৱনমিত হৈ আহিছে। উদাহৰণস্বৰূপে, বছৰে বছৰে অজস্ৰ টকা খৰছ কৰি পতা কলেজ সপ্তাহৰ অৱস্থালৈ লক্ষ্য কৰকচোন। খেলা-ধূলা, গান-বাজনা কোনোটোৱে মানবিশিষ্ট বুলি দাবী কৰিব নোৱাৰে। হয়তো কোনোবাই কব পাৰে যে অসমৰ সাম্প্ৰতিক অশান্ত পৰিস্থিতিয়ে ইয়াৰ বাবে দায়ী। অসমৰ সাম্প্ৰতিক পৰিস্থিতি অশান্ত হলেও যোৱা তিনিটা দশকত অসমৰ সাহিত্য, বিজ্ঞান আৰু কলাৰ যথেষ্ট উন্নতি হ'ল। গতিকে বি,এইচ, কলেজ ব্যতিক্ৰম হ'ল কেনেকৈ?

অসমৰ শিক্ষা জগতত এখন বিশিষ্ট আসন লাভ কৰা বি, এইচ, কলেজে আজিলৈকে এখন উন্নত মানৰ আলোচনী প্ৰকাশ কৰিব নোৱাৰাটো সঁচাকৈয়ে পৰিতাপৰ কথা। আলোচনী প্ৰকাশো সময়মতে নহয়। প্ৰবন্ধ পাতি বিচাৰি হাবাথুৰি খাব লগা হয়। যিখিনি আহে সেইখিনিবো বহুত প্ৰকাশযোগ্য নহয়। গতিকে বছৰে বছৰে বিলম্বিতভাৱে অনুষ্ঠুপীয়াকৈ প্ৰকাশ পাই আহিছে। আমি যেন পুথিগত বিদ্যা আয়ত্ত কৰি কেৱল বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটো লাভ কৰিয়েই সন্তুষ্টি লাভ কৰিছোঁ। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আমি উল্লেখযোগ্য অৱদান আগবঢ়াব পৰা নাই। যিহেতু "Pen is mightier than sword"— গতিকে বি,এইচ,কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেও কলমৰ শক্তি আহৰণ কৰি হিংসা আৰু সন্ত্ৰাস জৰ্জৰিত অসমৰ সমাজত পৰিবৰ্তন অনাৰ চেষ্টাত ব্ৰতী হওঁক।

সদৌ শেষত, আমাৰ অনভিজ্ঞতাৰ বাবে আলোচনীখনৰ প্ৰকাশত বহুতো ভুল-ত্ৰুটি ৰৈ যাব পাৰে — তাৰ বাবে আমি সকলোৰে ওচৰত বিনীতভাৱে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ আৰু ভৱিষ্যতে আলোচনীখনৰ মান অধিক উন্নত হোৱাৰ কামনাৰে পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি,এইচ, কলেজ
খইৰুল ইছলাম
সম্পাদক
বি,এইচ, কলেজ আলোচনী

# সূচীপত্ৰ

## প্ৰবন্ধ


★ অধ্যক্ষৰ বিদায় ভাষণ ✍ সত্য নাথ দাস ১
★ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটকত অসমৰ সমাজ জীৱন ✍ শ্ৰীউষা দাস ৩
★ পৰিবেশ প্ৰদূষণ আৰু তাৰ প্ৰতিকাৰ ✍ মুস্তাৱৰ হুছেইন ৬
★ বিশ্ববিখ্যাত কলোছছ ঃ ৰহস্যৰ অন্তৰালত ✍ শ্ৰীঅপূৰ্ব দাস ১০
★ যুগ সন্ধিক্ষণত অসমৰ যুৱ সমাজ আৰু যুৱ মানসিকতা ✍ শ্ৰীনিকুঞ্জ দাস ১২
★ সনাতন ধৰ্মত সমন্বয় ✍ ড° অমল ভৌমিক ১৪
★ যুদ্ধবন্দী, মানৱাধিকাৰ আৰু জেনিভা কনভেনছন্ ✍ মেহ্বেৰ আলি আহমেদ ১৬


## কবিতাৰ শৰাই


✶ এমুঠি পোহৰ বিচাৰি ✍ শ্ৰীবন্দনা দাস ১
✶ দুখৰ দিনৰ দিনলিপি ✍ শ্ৰীবাবুল চক্ৰবৰ্ত্তী ১
✶ মই শিল্পী নিষ্ঠুৰ বাস্তৱৰ; নগ্ন সমাজ ✍ শ্ৰীডালিম নাথ ২
✶ জীৱন ✍ শ্ৰীনিকুঞ্জ দাস ২
✶ চিগাৰেট ✍ শ্ৰীবীচু দাস ৩
✶ কবিতা লিখিম বুলি ✍ শ্ৰীবিভূজিৎ নাথ (বিজু) ৩
✶ হে অসমীয়া মহাবীৰ শহীদ ✍ শ্ৰীচন্দন দাস ৪
✶ বেদনাৰ অশ্ৰু ✍ ইছমাইল হুছেইন (বিজু) ৪
✶ খলকনি ✍ বাবুল চৌধুৰী ৫
✶ পিকনিক ✍ মফিদুল ইছলাম ৫
✶ নতুন যুগৰ অনুভূতি ✍ মিণ্টু দাস ৬
✶ সাম্প্ৰতিক ✍ জীতু কুমাৰ দাস ৭
✶ হাঁহাকাৰ ✍ মোঃ হাফিজুৰ ৰহমান ৭
✶ প্ৰেমপটৰ পৰা বাস্তৱৰ উপলব্ধি ✍ মৃদুল দাস ৮
✶ অগ্নিগৰ্ভা ✍ মাধুৰ্য দাস ৮


## গল্পৰ শৰাই


✪ এজাক ধুমুহাৰ অবৈধ প্ৰৱেশ ✍ শ্ৰীমৃদুল দাস ১
✪ সমস্যা ✍ মণিৰুজ্জামান ৪
✪ হত্যা ✍ শ্ৰীমাধুৰ্য দাস ৬
✪ অজানিতে ভুল হয় ✍ মিচ কবিতা দাস ৭


## ৰম্য ৰচনা


☆ যেনে কুকুৰ তেনে টাঙোন ✍ শ্ৰীচন্দন দাস ৯
☆ প্ৰেম কাহিনী ✍ ছাদেকুৰ ৰহমান ১০


## ENGLISH SECTION


**Essay :**
☆ Bezbaruah and Sambalpur : Gardening an Art ✍ Dr. B.C. Dash 1
☆ Tagore and Humanism ✍ Syed Rashid Ahmed 4
☆ Perspectives for the forth-coming Union Budget of India (2000-2001) ✍ Dr. Gunindra Das 5

**Short Story :**
☆ Vijay Yatra ✍ Jolly Roy 9
☆ A dumb afternoon ✍ Mrinal Bhaumik 11

**Poem :**
✶ Feelings ✍ Satyajeet Das 13
✶ Miraculous sight ✍ Sanjeev Roy 13
✶ Illusion ✍ Madhurja Das 14
✶ Imagination ✍ Babul Sarkar 14
✶ A Farewell ✍ Bhrigu Saud 14
✶ The Real Heros ✍ Pranab Saha 15
✶ Friendship ✍ Moniruz Zaman 15
✶ A Vanished Volcano ✍ Anindita Mandal 15
✶ Why do you bear? ✍ Khairul Bashwar 16

**Jokes :** ✍ Bibhujit Nath 16


# প্ৰবন্ধ


❋ অধ্যক্ষৰ বিদায় ভাষণ ✍ সত্য নাথ দাস ১
❋ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটকত অসমৰ সমাজ জীৱন ✍ শ্ৰীউষা দাস ৩
❋ পৰিবেশ প্ৰদূষণ আৰু তাৰ প্ৰতিকাৰ ✍ মুস্তাৱৰ হুছেইন ৬
❋ বিশ্ববিখ্যাত কলোছছ ঃ ৰহস্যৰ অন্তৰালত ✍ শ্ৰীঅপূৰ্ব দাস ১০
❋ যুগ সন্ধিক্ষণত অসমৰ যুৱ সমাজ আৰু যুৱ মানসিকতা ✍ শ্ৰীনিকুঞ্জ দাস ১২
❋ সনাতন ধৰ্মত সমন্বয় ✍ ড° অমল ভৌমিক ১৪
❋ যুদ্ধবন্দী, মানৱাধিকাৰ আৰু জেনিভা কনভেনছন্ ✍ মেহ্বেৰ আলি আহমেদ ১৬


যিবোৰ শব্দই লেখকজনৰ বক্তব্য আটাইতকৈ স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰে, কেৱল তেনেবোৰ শব্দহে ব্যৱহাৰ কৰিব লাগে। অৱশ্যে লগতে এই কথাও চাব লাগে যাতে শব্দবোৰ সকলোৰে বুজি পোৱা বিধৰ হয়। যিটো ভাব এটা মাত্ৰ শব্দত প্ৰকাশ কৰিব পাৰি সেইভাবটো প্ৰকাশ কৰিবলৈ দুটা শব্দ কেতিয়াও ব্যৱহাৰ কৰিব নালাগে। গোটেই বাক্যটোত শব্দবোৰ এনেকৈ সজাব লাগে — যাতে সেইবোৰ শুনিবলৈ শুৱলা হয়। একে আষাৰতে ক'বলৈ গ'লে — বাক্যবোৰ হ'ব লাগে মিহি, স্পষ্ট আৰু চুটি।

— বেঞ্জামিন ফ্ৰেঙ্কলিন।

# অধ্যক্ষৰ বিদায় ভাষণ
## (৫/৩/৯৯)

❒ সত্যনাথ দাস
বিদায়ী অধ্যক্ষ,
বি.এইচ.কলেজ, হাউলী

সভাপতি মহাশয় আৰু প্ৰিয় বন্ধু-বান্ধৱীসকল।

এনেদৰে সাধাৰণ সভা পাতি আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জনোৱাৰ আয়োজন কৰা হেতুকে, আপোনাসকলক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। ভগৱানে আপোনাসকলৰ মংগল কৰক, ভৱিষ্যত জীৱন সুখ-শান্তিৰে মধুময় হওঁক, তাকেই কামনা কৰিলোঁ।

বিদায় সভা বোলাতে মোৰ মনত এটা ভাব হৈছে; কোনে কাক বিদায় দিয়ে? আমি দেখোন সকলোৱে বিদায় প্ৰাৰ্থী; কোনোৱে দুদিন আগ, কোনোৱে দুদিন পাছ। এয়েইতো। গছৰ পাত পকিলে সৰি পৰে, কৈশোৰৰ পৰা যৌৱন, যৌৱনৰ পৰা লাহে-লাহে বৃদ্ধাৱস্থা প্ৰাপ্তি, অৱশেষত মৃত্যু এদিন হ'বই। অৰ্থাৎ জন্মৰ লগতে মৃত্যুৰ বীজো অংকুৰিত হৈ থাকে। এইয়া প্ৰকৃতিৰ বিধান। এই বিধানৰ প্ৰত্যাহ্বান জনোৱাৰ ধৃষ্টতা মোৰ অথবা আপোনালোক কাৰো নাই। সেয়ে যদি খুব তেজেৰে বিদায় বুলি ভাবাক্ৰান্ত হোৱা, আৱেগ-বিহ্বল হোৱাৰ প্ৰয়োজন নাই বুলি ভাবো। Let us take it easily, let us take it sportingly. কিন্তু এটা কথা সঁচা; মই এদিন আছিলোঁ, গ'লো; আপোনালোকো আছিছে, এদিন যাব। গতানুগতিকতাত বাহিৰে ইয়াত একো নতুনত্ব নাই। নতুনত্ব এইটো, শাশ্বত এইটো যে আমি গ'লেও বি.এইচ.কলেজ অনাদি-অনন্ত কাললৈ সগৌৰৱে থাকিব, থাকিব লাগিব। এই যশ, এই গৌৰৱ সৰ্বদা অক্ষুণ্ণ ৰখাৰ প্ৰচেষ্টাৰ যাতে ত্ৰুটি নহয় সেইটো সংশ্লিষ্ট সকলোৱে পবিত্ৰ কৰ্তব্য। অন্যথা নিজৰ গঢ়ি নিজৰ হুৰাখী কৰিলে, গঢ়ি পাছত কৰা কাৰ্যত লিপ্ত হ'লে, বৌ বৌ নৰকত ডুবিব লাগিব; ই ধ্ৰুৱ সত্য। ইহ জনমৰ পাতকী কৰ্মই পৰজনমকো বিনষ্ট কৰিব। ইয়াৰ লেখীয়া দুৰ্ভগীয়া কোনোবা থাকিব পাৰেনে?

কাৰ্যকালৰ নিৰ্দিষ্ট সময় সীমা পাৰ হোৱাত আপোনাসকলে মোক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনোৱাৰ ব্যৱস্থা কৰিছে যদিও, বি.এইচ.কলেজৰ পৰা বিদায় লোৱা মোৰ কল্পনাতীত। এই অনুষ্ঠানটোৱেই মোৰ অস্তিত্ব, ই মোৰ মানস পুত্ৰ স্বৰূপ। মোৰ জীৱনৰ, মোৰ আজীৱন সাধনাৰ ফল বি.এইচ.কলেজ। মৃত্যু ব্যতিৰেকে ইয়াৰ লগত মোৰ সম্পৰ্ক পৃথিৱীৰ কোনো শক্তিয়ে বিচ্ছিন্ন কৰিব নোৱাৰে। এনেকি মৃত্যুৰ পিচতো মোৰ বিদেহী আত্মাই বি.এইচ.কলেজৰ সাৰ্বিক কল্যাণ আৰু উন্নতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি থাকিব। এইয়া আবেগত কোৱা কথা নহয়, তিনি সত্য কাটি কোৱা এইয়া মোৰ আন্তৰিক সত্যকথা।

১৯৬৪ চনত কলেজ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে প্ৰথম সভা আহ্বান কৰাৰ পৰা মোৰ অৱসৰৰ শেষ মুহূৰ্ত পৰ্যন্ত, কোনোদিনে নানা ঘাত-প্ৰতিঘাত, বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ সম্মুখীন হ'ব লগা হোৱা সত্বেও, হতাশাগ্ৰস্ত নহৈ ভগৱানৰ ওপৰত সম্পূৰ্ণ আস্থা আৰু বিশ্বাস ৰাখি অনুষ্ঠানটিৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ বাবে মোৰ সাধ্যমতে চিন্তা-বুদ্ধিৰে আপ্ৰাণ চেষ্টা কৰি আহিছোঁ। মই এই পিচপৰা অঞ্চলৰ বাসিন্দা হেতুকে মোৰ সামাজিক দায়বদ্ধতা উপলব্ধি কৰি নানা ধৰণৰ লোভনীয় সুবিধা পাইও হেলাৰঙে প্ৰত্যাখ্যান কৰি কেৱল এই অনুষ্ঠানটিৰ হকেই অহোৰাত্ৰি, শয়নে-সপোনেও চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। এটা Missionary Spirit লৈ বহিষ্কৃত সেৱাৰ উদ্দেশ্যে এটা deficit কলেজৰ পৰা confirmed চাকৰি পদত্যাগ কৰি এই অনুষ্ঠান স্থাপনত ব্ৰতী হওঁ। ৰাইজৰ উৎসাহ, তদানীন্তন পৰিচালনা সমিতিৰ আপ্ৰাণ প্ৰচেষ্টাৰ ফলত কলেজ স্থাপনৰ সপোন দিঠকত পৰিণত হয়। এইদৰে আঞ্চলিক ৰাইজ, পৰিচালনা সমিতিৰ সদস্য-সদস্যাসকল, চৰকাৰ, UGC আৰু আপোনাসকলৰ আন্তৰিক প্ৰচেষ্টা, ত্যাগ আৰু কষ্টৰ ফলত এই মহান শিক্ষানুষ্ঠানটোৱে দেশত-বিদেশে উন্নতিৰ পথত আগবাঢ়ি আহি আজি এইয়া পূৰ্ণাংগ পৰ্যায় পাইছে। বি.এইচ.কলেজ আজি আমাৰ সকলোৰে গৌৰৱৰ স্তম্ভ। মোৰ অনুৰোধ, এই গৌৰৱ, এই সন্মান আপোনালোকে সৰ্বদা ৰক্ষা কৰিব। কোনো ধৰণৰ অশুভ অপশক্তি, কোনো ধৰণৰ অনৈক্যই যাতে ইয়াৰ গৌৰৱ ম্লান কৰিব নোৱাৰে তাৰ বাবে সদায় তীক্ষ্ণ দৃষ্টি ৰাখিব।

এইখিনিতে এটা কথা উনুকিয়াই থোৱা উচিত বিবেচনা কৰি আপোনালোকক জনালোঁ। মই অৱসৰ ল'ব পাৰো, সেইবুলি অনুষ্ঠানটিৰ

কোনো খবৰেই নাৰাখিম, ইয়াৰ সদনাম-বদনাম, ইয়াৰ উন্নতি-অৱনতি মোৰ চিন্তনীয় নহয়, এইটো হ'ব নোৱাৰে। প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে সদায় ইয়াৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিম, ই নিশ্চিত। কোনো স্বাৰ্থপৰ, নীচ আৰু কু-অভিসন্ধিযুক্ত ব্যক্তিৰ অনুষ্ঠানৰ স্বাৰ্থৰ বিপৰীতে কৰা প্ৰতিটো প্ৰচেষ্টাকে নস্যাৎ কৰাত অকণো ত্ৰুটি নকৰোঁ। বাহিৰতো এই সম্বন্ধে সদা সচেষ্ট ৰাখিবলৈ প্ৰয়াস জাৰি ৰাখিম। কোনো ব্যক্তিয়ে অনুষ্ঠানৰ উন্নত হ'ব নোৱাৰে। অনুষ্ঠানৰ স্বাৰ্থ সৰ্বদা সবাৰো ওপৰত থাকিব লাগিব।

এই কলেজৰ অধ্যক্ষ হিচাবে যোগদান কৰাৰ সময়ত এজন বিশিষ্ট, গুণী-জ্ঞানী ব্যক্তিয়ে কেবাটাও বৰ সময়োপযোগী আৰু তাৎপৰ্যপূৰ্ণ পৰামৰ্শ দিছিল, যেনে —

১/ প্ৰশাসনীয় দায়িত্ব পালন কৰোঁতে কোনোবাই ভাল পাব, কোনোবাই বেয়া পাব - এই 'ভালপোৱা', 'বেয়া পোৱা' কথাষাৰ যাতে কোনোদিন মনত নাহে। প্ৰশাসন নিয়মাধীন, সদায় নিয়ম-নীতি মানি নিজৰ কৰ্তব্য কৰ্ম নিষ্ঠাৰে কৰি যাবা।

২/ ৰাস্তাৰে হাতী গৈ থকা দেখিলে, চোৰেলীয়া কুকুৰবোৰে বৰকৈ ভুকে। হাতীয়ে কিন্তু সেই চোৰেলীয়া কুকুৰ ভুকভুকনি শুনি থকাৰ বাবেও মূৰ ঘূৰাই নাচাই গহীন-গম্ভীৰভাৱে গৈয়েই থাকে।

অনুৰূপ বাক্যৰো কাম কৰিলে, কহঁতো চোৰেলীয়া কুকুৰে ভুকিব, কেতিয়াও ভ্ৰূক্ষেপ নকৰি নিজৰ কৰ্তব্য ঠিকমতে কৰি যাবা।

ইয়াৰ উপৰিও বুদ্ধদেৱৰ এটা সৰু কাহিনী আৰু Basil King বোলা লেখক এজনৰ এষাৰি কথাই মোৰ কৰ্মজীৱন বৰ প্ৰভাৱান্বিত কৰিছিল।

বুদ্ধ দেৱৰ কাহিনীটো হ'ল, এবাৰ যেনো এজন বৌদ্ধ ভিক্ষুৱে আচাৰৰ এজন মানুহৰ ঘৰত উপস্থিত হৈ ভিক্ষাং দেহি, ভিক্ষাং দেহি বুলি মাতি আছিল। তেওঁৰ মাত শুনি অত্যন্ত খং আৰু বিৰক্তিৰে গৃহস্থই তেওঁক বৰ কটু ভাষাৰে তিৰস্কাৰ কৰি ক'বলৈ ধৰিলে, "এই হৃষ্ট-পুষ্ট চেহেৰা মানুহজনে যে ভিক্ষা খুজিব আহিছা, লাজ নালাগে নে? কাম কৰি খাব নোৱাৰা?" এইদৰে নানান তিৰস্কাৰ কৰি শেষত এটা পাত্ৰত কিছু খাদ্য সামগ্ৰী আনি ক'লে, "ধৰ, লৰ।" প্ৰথমৰে পৰা বৌদ্ধ ভিক্ষুজনে ইমানবোৰ কটু কথা শুনা সত্ত্বেও, এটা শব্দও উচ্চাৰণ নকৰি গুণ সুৰহে নীৰৱে থিয় হৈ আছিল। তাৰ পিছত তেওঁ শুদ্ধ-গম্ভীৰভাৱে ক'বলৈ ধৰিলে, "আপোনাৰ ভিক্ষা যদি মই গ্ৰহণ নকৰোঁ?" কথাষাৰ শুনা মাত্ৰেই চিন্তিতমনা হৈ ক্ষন্তেক গৃহস্থই ক'লে, "ইমান খাদ্যপুৰি, ভিক্ষা নল'লে নাই, মই ওভতাই লৈ যাম।" তেতিয়া বৌদ্ধ ভিক্ষুজনে পুনঃ ক'লে, "ইমান সময় যে আপুনি মোক নানান কটু কথাৰে তিৰস্কাৰ কৰিলে, সেই তিৰস্কাৰবিলাক যদি মই গ্ৰহণ নকৰোঁ?" ভিক্ষুৰ কথাষাৰ শুনি গৃহস্থৰ চেতনা উদয় হ'ল, জ্ঞান চকু মেল খালে। এওঁ এজন-পেচা ব্যক্তি নহয়। তৎমুহূৰ্তে ভিক্ষুৰ চৰণত পৰি তেওঁৰ প্ৰকৃত পৰিচয় জানিব বিচৰাত গম পালে যে, সেয়া আন কোনো নহয়, স্বয়ং ভগৱান বুদ্ধ নিজে! বুদ্ধৰ শ্ৰীচৰণত ধৰি সমস্ত অপৰাধৰ বাবে ক্ষমা ভিক্ষা কৰি, সেইদিনাই সেই গৃহস্থজনে বুদ্ধৰ শিষ্যত্ব গ্ৰহণ কৰি তেওঁৰ সকলো সা-সম্পত্তি বৌদ্ধ ধৰ্ম প্ৰচাৰ আৰু প্ৰচাৰাৰ্থে দান কৰি দিলে।

শিক্ষণীয় সাৰাংশটো হ'ল, কোনোবাই নাজানি বা অজ্ঞতাবশতঃ তিৰস্কাৰ, কটু কথা বা কটু সমালোচনা কৰিলেও, নিৰবে শুনি বৌদ্ধ ভিক্ষুৰ দৰে তাক গ্ৰহণ কৰিব নালাগে। দেখিব, তিৰস্কাৰে বুমাৰেং হৈ তিৰস্কাৰ দাতাকে আঘাত হানিব। ই একেবাৰে সঁচা কথা।

Basil King এ লেখা কথাষাৰ হ'ল, "Pay no heed to what the critics say. No statue has ever been erected in the memory of a critic." হয়তো, পৃথিৱীৰ ইতিহাসত কোনো সমালোচক বা নিন্দুকৰ স্মৃতি ৰক্ষাৰ্থে কোনো দেশত স্মৃতিসৌধ নিৰ্মাণ হোৱা নাছিল নাই। কি দুৰ্ভগীয়া ইহঁত।

পৰামৰ্শ কেইটা আৰু ওপৰৰ কথাখিনি মনঃপূত হোৱা বাবে মোৰ কৰ্মজীৱনত সদায় পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত শাইকে বিচাৰ কৰি। কৰ্তব্য কৰ্ম কৰোঁতে কেতিয়াও নীতিৰ ক্ষেত্ৰত কোনোদিনে কোনো compromise কৰা নাছিলোঁ।

ভগৱানৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু আস্থা ৰাখি সাধ্যানুসৰি নিজৰ কৰ্তব্য নিষ্ঠা আৰু সততাৰে কৰি গৈছিলোঁ। তাতেই মোৰ আনন্দ। সেয়ে মোৰ অন্তৰত আজি কোনো খেদ নাই। মই আত্মতৃপ্ত, আত্মসন্তুষ্ট।

বিদায় ক্ষণত আপোনালোকসকলে এটাই মোৰ সনিৰ্বন্ধ অনুৰোধ — স্বাধীন বিদ্যাবুদ্ধিৰ অজ্ঞাতকুলশীল এজন নিৰ্মল শিক্ষাব্ৰতী হিচাবে মোৰ কাৰ্যকালত জ্ঞাত বা অজ্ঞাতভাৱে আপোনালোকক হয়তো বহু সময়ত মনোকষ্ট দিছিলোঁ, কাৰোবাক হয়তো কৰ্তব্যৰ খাতিৰত কড়া ব্যৱহাৰো কৰিছিলোঁ; তাৰ বাবে আপোনালোকে যাতে মোক ক্ষমা কৰে। দোষ-ত্ৰুটিৰ সমষ্টিয়েই আমাৰ জীৱন। কৰ্ম কৰিলে দোষ-ত্ৰুটি হ'বই, ই স্বাভাৱিক। অথচ কোনো কৰ্ম নকৰি অযথাতে জীৱনৰ অমূল্য সময়বোৰ নষ্ট কৰিলে কোনো দোষ-ত্ৰুটি হোৱাৰ সম্ভাৱনা নাথাকে। মোৰো কৰ্মজীৱনত বহুতো ভুল-ত্ৰুটি হৈছে, মই ভালকৈ জানো। মোৰ বিশ্বাস, আপোনালোকে উদাৰ আৰু মহানুভৱ দৃষ্টিভংগীৰে সকলো বিচাৰ কৰি সৰ্ব অপৰাধ ক্ষমা কৰিব।

সুখ-দুখ, হৰ্ষ-বিষাদ, বিপদ-আপদ সকলো সময়তে আপোনালোকে মোক যি অকৃত্ৰিম সহায়-সহযোগ আগবঢ়াইছিল, চূড়ান্ত বিপদৰ সময়তো সমব্যথী হৈ যি প্ৰকৃত বন্ধুৰ পৰিচয় দি সহায় কৰিছিল, তাৰ বাবে নতমস্তক হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

আপোনালোক সকলোকে পুনৰবাৰ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু সশ্ৰদ্ধ প্ৰণিপাত জনাই বিদায় ল'লোঁ।

বি.এইচ.কলেজ, তোমালৈ মোৰ শত প্ৰণিপাত।

বি.এইচ.কলেজৰ শিক্ষকগোট, তোমালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম।

বি.এইচ.কলেজৰ কৰ্মচাৰীগোট, তোমালৈ মোৰ হিয়াভৰা কৃতজ্ঞতা।

ওঁ শান্তি শান্তি শান্তি ❒

*বিদায় - ১৯৯৯ চনৰ ৫ মাৰ্চত বি.এইচ.কলেজৰ শিক্ষক আৰু কৰ্মচাৰীগোটৰ দ্বাৰা আয়োজিত বিদায় সভাত দিয়া ভাষণ।*





# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাটকত অসমৰ সমাজ জীৱন ঃ

❒ শ্ৰীউষা দাস
প্ৰবক্তা, অসমীয়া বিভাগ।

সমাজ আৰু সাহিত্য — ইটোৱে সিটোৰ লগত অঙ্গাঙ্গীভাৱে বিজড়িত হৈ আছে। সমাজ জীৱনৰ সংঘাতময় প্ৰতিচ্ছবি ফুটাই তোলাই হৈছে সাহিত্যৰ অন্যতম উদ্দেশ্য। কোনো কবি-সাহিত্যিকে সমাজ বিচ্যুত হৈ তেওঁলোকৰ কলম গতিশীল কৰি ৰাখিব নোৱাৰে; যিহেতু তেওঁলোক সমাজৰে একোটা অংগ। প্ৰত্যেক ভাষাৰ সাহিত্যৰ অন্তৰালত একো একোখন সমাজ অন্তৰ্নিহিত হৈ আছে। সেয়ে বিভিন্ন ভাষাৰ সাহিত্যৰ যোগেদি আমি ভিন্ন ভিন্ন সমাজ প্ৰত্যক্ষ কৰিব পাৰোঁ। মানুহৰ বিষয়ে মানুহৰ ধাৰণা প্ৰকাশ কৰাত সাহিত্যই এইদৰে বিশেষ ভূমিকা পালন কৰে।

অসমৰ জাতীয় জীৱনলৈ মহাপুৰুষ শংকৰদেৱৰ অৱদান অতুলনীয়। অসমীয়া জাতিৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনক পৰিমাৰ্জিত কৰি নতুন গঢ় দিওঁতা মহাপুৰুষজনাই অসমীয়া ভাষা-সাহিত্যকো নব নব ৰূপেৰে মহিমান্বিত কৰি তোলে। মহাপুৰুষজনাই দেখুৱাই দিয়া পথেৰে বাট বুলি তেওঁৰ অনুগামী বৈষ্ণৱ ভক্তসকলে নব-নব সম্ভাৰেৰে ভাষা-জননীক অৰ্ঘ্য আগবঢ়ায়।

বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য আছিল ধৰ্মীয় আৰু অনুবাদমূলক। এওঁলোকৰ ৰচনাৰ উৎস আছিল ৰামায়ণ, মহাভাৰত, ভাগৱত পুৰাণ, হৰিবংশ পুৰাণ আদি। এই শাস্ত্ৰসমূহত থকা ঘটনাৰ বাহিৰে কবি-সাহিত্যিকসকলে কোনো কল্পিত আখ্যান বা অন্য শাস্ত্ৰীয় বিষয়ক কাব্য বা নাটকৰ বা গীতৰ বিষয়বস্তু কৰি ল'ব নোৱাৰিছিল। কিয়নো শাস্ত্ৰত নথকা কথাবিলাক জনসাধাৰণে বিশ্বাস কৰি ল'বলৈ টান পাইছিল। সেইহেতুকে বধ কাব্যসমূহ ৰচনা কৰোঁতে ৰাম সৰস্বতীয়ে কাহিনীসমূহৰ উৎস হিচাপে কোনো কাল্পনিক গ্ৰন্থৰ কথা উল্লেখ কৰি জনসাধাৰণৰ মনৰ সন্দেহ নিৰসন কৰিবলৈ চেষ্টা কৰিছিল।

এইদৰে বিষয়বস্তু আহৰণৰ ক্ষেত্ৰত সততে ধৰ্মগ্ৰন্থসমূহলৈ দৃষ্টি নিক্ষেপ কৰিব লগা হোৱা বাবে বৈষ্ণৱ কবিসকলে মুকলি পথাৰ বৰ বিশেষ আঁতৰি আহিব পৰা নাছিল। পৌৰাণিক কাহিনীৰ চাৰিসীমাৰ মাজতে সততে আবদ্ধ হৈ থাকিবলগীয়া হোৱা বাবে জনজীৱনৰ চিত্ৰ ফুটাই তোলাটোও একেবাৰে সহজ নাছিল। কিন্তু অসামান্য আকৰ্ষণকত মাজে মাজে কিছুমানীয়ে পৌৰাণিক বিকীৰণ কৰাৰ মাজে বৈষ্ণৱ কবিসকলেও যথেষ্ট অকপমান সুকণ্ঠ পাইছে, তাতেই জনজীৱনৰ অপূৰ্ব ছবিৰে পৌৰাণিক অংশতৰ চমকাই তুলিছে। সীমাবদ্ধতা সত্ত্বেও সমসাময়িক সমাজৰ বেহ-ৰূপ চিত্ৰিত কৰাত বৈষ্ণৱ কবিসকলে বিশেষ আগ্ৰহ দেখুৱাইছিল।

অতুল প্ৰতিভাসম্পন্ন সাহিত্যিক মহাপুৰুষ শংকৰদেৱে কাব্য, অনুবাদমূলক গ্ৰন্থ, নাম-প্ৰসংগৰ পুথি, গীত-ভটিমা আদি ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ বৃক্ষটোক পত্ৰে-পুষ্পে সুশোভিত কৰাৰ উপৰিও অসমীয়া নাট্য-সাহিত্যৰো শুভাৰম্ভ কৰে। 'পত্নী প্ৰসাদ', 'কালিয়দমন', 'কেলিগোপাল', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ', 'ৰামবিজয়', আদি নাট ৰচনা কৰি তেওঁৱেই অসমীয়া নাট্য-সাহিত্যৰ ভেটি নিৰ্মাণ কৰে।

মহাপুৰুষজনাৰ নাটকত অসমীয়া সমাজ জীৱনৰ এক উজ্জ্বল ছবি পৰিস্ফুট হোৱা দেখা যায়। পৌৰাণিক কাহিনীৰ এক নিৰ্দিষ্ট সীমাৰেখাৰ মাজত আবদ্ধ হৈ থাকিও, য'তেই তেওঁ সুবিধা পাইছে তাতেই তেওঁ অসমীয়া সমাজলৈ দৃষ্টি নিক্ষেপ কৰিছে। পৌৰাণিক জগতখন চিত্ৰিত কৰোঁতে তেওঁৰ মনৰ মাজেদি অসমীয়া সমাজখনহে অহা-যোৱা কৰি আছিল।

'পত্নী-প্ৰসাদ'ৰেই সম্ভৱতঃ মহাপুৰুষৰ প্ৰথম নাট। এই নাটখনৰ মাজেৰে সমসাময়িক সমাজখনৰ বেহ-ৰূপ প্ৰকাশ নোহোৱাকৈ থকা নাই। মহাপুৰুষ শংকৰদেৱৰ সময়ৰ অসমীয়া সমাজখন অজ্ঞানতা আৰু অন্ধকাৰৰ মাজত বুৰ গৈ আছিল। মহাপুৰুষে এই অসুস্থ দিনৰ উদ্ধাৰ কৰাৰ মানসেৰে আৰু তেওঁলোকক আগত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শ দাঙি ধৰাৰ মানসেৰে নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। কিন্তু এই কাৰ্যত তেওঁ এচাম ব্ৰাহ্মণৰ পৰা বাধা পাইছিল। কৰ্ম মাৰ্গৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়া ব্ৰাহ্মণসকলে মহাপুৰুষৰ ভক্তি মাৰ্গক সমৰ্থন কৰা নাছিল। ফলস্বৰূপে তেওঁলোকৰ মাজত বাদ-প্ৰতিবাদ হৈছিল। এই ছবিখনকেই

মহাপুৰুষে কৌশলেৰে 'পত্নী-প্ৰসাদ' নাটত উপস্থাপিত কৰিছে। এই ক্ষেত্ৰত ড° মহেশ্বৰ নেওগৰ মন্তব্য প্ৰণিধানযোগ্য — 'ভোকত আতুৰ গৰখীয়া কৃষ্ণক যজ্ঞৰ দ্ৰব্য দিবলৈ অস্বীকাৰ কৰা মিশ্ৰ, ভাৰতী, কন্দলি আদি বিপ্ৰৰ পত্নীসকলে গৈ প্ৰসাদ দিয়া কথাটো ধুৰ্বাহাটৰ ভক্তিবিৰোধী ব্ৰাহ্মণ পণ্ডিত শ্ৰীধৰ ভট্টাচাৰ্য্য, কবিৰাজ মিশ্ৰ, ৰামনাচাৰ্য্য, বল্লাৰুৰ কন্দলি আদিৰ প্ৰতি কটাক্ষ-পাত যেন লাগে। সম্ভৱতঃ এই ব্ৰাহ্মণসকলৰ লগত বাদ-প্ৰতিবাদৰ উষ্ণতাৰ মাজতে গুৰুজনে এই প্ৰথম প্ৰচাৰপৰ অঙ্কখনি ৰচনা কৰে।'

'পত্নী-প্ৰসাদ' নাটখনত মহাপুৰুষে সমসাময়িক সমাজখনত প্ৰচলিত কিছুমান খাদ্যদ্ৰব্যৰ নামো উল্লেখ কৰিছে। সেইবোৰ হৈছে পিঠাপনা, পৰমান্ন, পনস, চেনি ইত্যাদি।

'কালিয় দমন' নাটখনত কালি নাগে শ্ৰীকৃষ্ণক দংশন কৰি নেজেৰে মেৰাই ধৰোঁতে গোকুলত নানা অমংগলৰ চিন দেখা গৈছিল। ঘনে ঘনে ভূমিকম্প আহিছিল। ঘৰে ঘৰে কেঁচাই চিএৰিছিল। বতাহ-বৰষুণ নোহোৱাকৈ গছবিলাক উভালি পৰিছিল। নাৰীৰ দক্ষিণ চকু, পুৰুষৰ বাওঁ চকু নাচিছিল। এইবিলাকে তৎকালীন অসমীয়া সমাজত থকা বিশ্বাসত আলোকপাত কৰে। মৃদংগ, তাল, কৰতাল, ঠুকি আদিয়ে সেই সময়ৰ সমাজত প্ৰচলিত বাদ্যযন্ত্ৰৰ বিষয়ে জানিবলৈ দিয়ে। কালি নাগৰ দংশনত শ্ৰীকৃষ্ণ মৃতপ্ৰায় হৈ পৰাত যশোদাই যি কৰুণ বিননি জুৰিছে, তাৰ মাজেদি অসমীয়া ঘৰুৱা জীৱনৰ চিত্ৰই প্ৰস্ফুটিত হৈছে। উদাহৰণ স্বৰূপে — 'যশোদা বোল ঃ কোনে মোক মাতিবেক আই বুলি ঃ কাক ধূলা জাৰি বুকে লৈবো তুলি পুত্ৰ পুত্ৰ বুলি ঃ জীৱন নযায় কিয়নো ঃ মই অভাগী এ ঃ গৃহ গোধন সাজো কি কাৰণ ঃ সবে অকাৰণ এ।'

যশোদাৰ মুখত দিয়া এই সংলাপখিনি যেন একমাত্ৰ পুত্ৰক হেৰুৱাই দশোদিশ শূন্য দেখা এগৰাকী অসমীয়া মাতৃৰ অন্তৰৰ পৰা নিগৰি ওলাই অহা কৰুণ বিননিহে।

'কেলিগোপাল' নাটকখনতো অসমীয়া সমাজৰ চিত্ৰ কিছুপৰিমাণে হ'লেও প্ৰকাশ নোপোৱাকৈ থকা নাই। তাৰ ভিতৰত গাত অগৰু চন্দন ঘঁহা, কৰ্পূৰ তামোল খোৱা আদি উল্লেখ কৰিব পাৰি। সাতসৰী, কংকন, মণি, কুণ্ডল আদি সেই সময়ৰ অসমীয়া মানুহে পিন্ধা কিছুমান অলংকাৰৰ নাম। লোক জীৱনত তিৰোতা সেৰুৱা স্বামীৰ আদৰ নাই। তাতে যদি ঘৈণীয়েকগৰাকী উচ্চ বিষয়াৰ জীয়েক হয়, তেনেহ'লে সেই ঘৈণীয়েকে গিৰীয়েকক খেৰকুটা জ্ঞান কৰে। লোক সমাজৰ এই চিত্ৰ সজীৱ হৈ উঠিছে সূত্ৰধাৰৰ এই উক্তিত —

'সূত্ৰ ঃ কৃষ্ণক বাক্য গোপীক কৰ্ণপথে যায়ে নাহি, অধীন কৃষ্ণ বুলি গণয়ে নাহি। যৈচে সেৰুৱা স্বামীক পেৰাপাত্ৰক যীৱ কটাক্ষে গণয়ে নাহি।'

'পাৰিজাত হৰণ' নাটখনক মহাপুৰুষৰ শ্ৰেষ্ঠ নাট বুলি অভিহিত কৰা হয়। নাট্যকাৰে সীমাবদ্ধতাৰ বেষ্টৰ পৰা ওলাই আহি কিছু স্বাধীনভাৱে এই নাটখনত ঘৰুৱা জীৱনৰ ছবি অঙ্কিত কৰিছে। পাৰিজাত ফুল এপাহৰ বাবে শ্ৰীকৃষ্ণৰ ঘৰুৱা জীৱনত যি সমস্যা আহি পৰিল সেই সমস্যা লোকজীৱনৰ সমস্যাৰ সৈতে একাকাৰ হৈ পৰিছে। শ্ৰীকৃষ্ণৰ একাধিক পত্নী গ্ৰহণৰ পৰা সেই সময়ৰ অসমীয়া সমাজত একোজন পুৰুষৰ একাধিক পত্নী থকাৰ উমান পাব পাৰি। ইয়াৰ ফলস্বৰূপে সাধাৰণ কথাৰ বাবে ঘৰুৱা জীৱত কন্দলৰ সূত্ৰপাত হৈছিল। নাটখনত শ্ৰীকৃষ্ণৰ ভূমিকাৰ পৰা সমাজত যে তিৰোতা সেৰুৱা স্বামীৰ সংখ্যা বাঢ়ি গৈছিল - তাক অনুমান কৰিব পাৰি। শচী-সত্যভামাৰ বচনত অসমীয়া গাঁৱলীয়া তিৰোতাৰ অশ্লীল গালি-শপনিৰ চানেকি বৰ্ণিত হৈছে। উদাহৰণ হিচাপে—

'সত্যভামা বোল - ইয়ে দানৱক বেটী ইন্দ্ৰানী, হামাৰি আগু তোহাৰি অতয়ে বৰাই। হামু পৰম দৰ্প কয় কই তোহাৰি পাৰিজাত আনল।'

'শচী বোল ঃ অয়ে সত্যভামা, তোহাৰি স্বামী মাধৱক কথা হামু সব জানি। ওহি গোপীবিটাল গোপাল। উনিকৰ আগু গোকুলক স্ত্ৰী নাহি ৰহল।'

'সত্যভামা বোল ঃ অয়ে নিলাজিনী, মৰিতে নজানৰ। তোহাৰি স্বামী ইন্দ্ৰক কথা কহিতে ঘৃণাসে উপজে। দেখো অপ্ৰাবতীক যত বেশ্যা তোহাক স্বামীক সে নাহি আণ্টল।'

গৰ্বিতা, মুখৰা আৰু সতিনী ৰুক্মিণীৰ প্ৰতি প্ৰচণ্ড ঈৰ্ষাই সত্যভামাক শ্ৰীকৃষ্ণৰ মহিষী কৰি নাৰাখি এজনী সাধাৰণ গাঁৱলীয়া তিৰোতাৰ পৰিণত কৰিছে।

মহাপুৰুষৰ নাট ছখনৰ ভিতৰত 'ৰুক্মিণী-হৰণ' নামৰ নাটখনেই কলেৱৰত ডাঙৰ। পৌৰাণিক পৰিবেশ বিনষ্ট নকৰাকৈ এইখন নাটকৰ মাজে মাজেও মহাপুৰুষে অসমীয়া সমাজৰ একো একোটি সজীৱ চিত্ৰ সন্নিবিষ্ট কৰিছে। অসমীয়া সমাজৰ নিয়ম-নীতি, আইন-কানুন, আচাৰ-ব্যৱহাৰ সকলোখিনিকে এই নাটত উদঙাই দিছে। ডেকা-গাভৰুৰ মাজৰ যি প্ৰেম, সেই প্ৰেম দাঙি ধৰিছে শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ মাজেৰে। শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ মাজত যোগসূত্ৰ স্থাপন কৰা ভাট দুজনেই হ'ল অসমীয়া সমাজৰ পত্ৰবাহক। শ্ৰীকৃষ্ণক ৰুক্মিণীয়ে আৰু শ্ৰীকৃষ্ণই ৰুক্মিণীক পাবলৈ যেনেদৰে কামনা কৰিছিল, সেয়াও সাধাৰণ অসমীয়া ডেকা-গাভৰুৰে বাস্তৱ চিত্ৰ। ৰুক্মিণীয়ে শ্ৰীকৃষ্ণলৈ লিখা প্ৰেমপত্ৰখন জানিবা অসমীয়া গাভৰু এগৰাকীয়ে প্ৰেমাস্পদক দিয়া প্ৰেমপত্ৰ। সাধাৰণ অসমীয়া ডেকা-গাভৰুৰে মিলনৰ পথত যেনেকৈ বাধাৰ সন্মুখীন হয়, বংশ মৰ্য্যাদা আৰু কুলাভিমানৰ বাবে আপোনজনেই যেনেকৈ মিলনৰ অন্তৰায় হয়, তেনেদৰে শ্ৰীকৃষ্ণ-ৰুক্মিণীয়েও মিলনৰ বাটত নানা বাধা পাইছে আৰু এই বাধাৰ ক্ষেত্ৰত প্ৰধান সেনাপতিৰ ভূমিকা পালন কৰিছে নিজৰেই ককায়েক ৰুক্মবীৰ। শ্ৰীকৃষ্ণই ৰুক্মিণীক পলুৱাই নিয়া ঘটনাটোত প্ৰাচীন কালৰ পৰা অসমত প্ৰচলিত হৈ অহা ৰাক্ষস বিবাহৰ প্ৰভাৱ পৰিছে। অসমীয়া সমাজত কন্যা বিবাহোপযোগী হ'লে মাক-দেউতাকৰ চিন্তাত টোপনি নোহোৱা হয়। তেনেদৰে নাটখনতো ৰুক্মিণী বিবাহৰ বাবে উৎকণ্ঠা হৈ উঠাত ৰজা ভীষ্মক জাতি-কুটুম্বসকলক মাতি আনি ৰুক্মিণীৰ বিয়াৰ কথা আলোচনা কৰিছে। বুঢ়া ৰজা ভীষ্মক আৰু ৰবপুত্ৰ ৰুক্মবীৰৰ চৰিত্ৰত অসমীয়া ঘৰুৱা জীৱনৰ প্ৰভাৱ ৰাৰুকৈয়ে পৰিছে। অসমীয়া





সমাজত বাপেক যিমানেই ক্ষমতাশালী নহওঁক, বুঢ়া হ'লে ৰবপুত্ৰৰ অধীন হোৱাৰ বাহিৰে গত্যন্তৰ নাই। সেইদৰে 'ৰুক্মিণী হৰণ' নাটকতো ৰজা ভীষ্মকে নিজৰ মনৰ ইচ্ছা মনতে মাৰ নিয়াই ৰবপুতেকৰ কথাতে হয়ভৰ দিছে —

'অয়ে পুতা! বিবাহ নিমিত্ত শিশুপালক সত্বৰ আনহ।'

বেদনিধি তেনেই অসমীয়া চৰিত্ৰ। বেদনিধি যেন অসমীয়া সমাজৰ 'বাপু দেউজনা'। লীলাৱতী আৰু মদনমঞ্জৰীৰ লগত ৰুক্মিণীৰ সখীত্বৰ জৰিয়তে অসমীয়া সমাজৰ সখীত্বৰ আদৰ্শৰ আভাস পোৱা যায়। দ্বাৰকাত শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহ-এখনি নিখুঁত অসমীয়া বিবাহৰ চিত্ৰ।

'ৰাম বিজয়' মহাপুৰুষৰ শেষ নাট। এই নাটখনতো অসমীয়া সমাজৰ চিত্ৰ পৰিস্ফুট হৈছে। লোক জীৱনত বাওঁ অংগ কঁপাটো শুভ বুলি বিশ্বাস কৰা হয়। তেনেদৰে সীতায়ো বাওঁ অংগ কঁপাত কিবা সুখবৰ আহিব বুলি প্ৰত্যাশা কৰিছে। 'ৰুক্মিণী হৰণ' নাটকৰ নিচিনা এইখন নাটকতো ৰাম আৰু সীতাৰ বিবাহত অসমীয়া সমাজৰ বিবাহোৎসৱৰ প্ৰভাৱ পৰিছে। সীতাক বিয়া কৰাই ৰামে অযোধ্যালৈ আহোঁতে মাতৃ কৌশল্যাই স্ত্ৰীসকলৰ সৈতে গীত গাই, বাজনা বজাই দৰা-কইনাক আদৰি নিয়া আৰু আসনত বহুৱাই দৰা-কইনাৰ মূৰত দুবৰি ছটিয়াই আশীৰ্বাদ দিয়া - নাটত থকা এইবোৰ কথা লোক জীৱনৰ পৰাই বুটলি লোৱা হৈছে —

'সূত্ৰ ঃ হে সামাজিক। ভাৰ্গৱ ৰামক জিনিয়ে শ্ৰীৰামচন্দ্ৰ প্ৰিয়া সহিতে অযোধ্যাপুৰ প্ৰৱেশল। ৰামক মাতা কৌশল্যা শ্ৰীৰামক বিজয় বাৰ্ত্তা শুনিয়ে স্ত্ৰীসব সহিত পৰম মংগল গীত আনন্দে বাজনা বজাই বৰ কন্যাক হাত একঠাম কৰিকহ মহোৎসৱে গৃহ প্ৰৱেশ কৰাওল। আসনে বৈঠাই ৰামক মাথে দুৰ্ব্বাক্ষত সিঞ্চাৰি আশীৰ্ব্বাদ কয়কহ, পৰম উৎসুকে কৌশল্যা আনন্দে নৃত্য কৰয়।'

এইদৰে মহাপুৰুষৰ নাট ছখনৰ মাজেদি মধ্যযুগীয় অসমীয়া সমাজ জীৱনৰ পৰিচয় পোৱা যায়। অকল মহাপুৰুষ শংকৰদেৱৰ ৰচনাতে নহয়, বৈষ্ণৱ যুগৰ প্ৰায়বোৰ সাহিত্যিকৰ ৰচনাতে জাতীয় জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। এই সন্দৰ্ভত ড° নবীন চন্দ্ৰ শৰ্মাৰ অভিমত প্ৰণিধানযোগ্য —"পুৰণি অসমীয়া কবি-সাহিত্যিকসকলৰ মুখ্য উদ্দেশ্য আছিল লোক শিক্ষা। লোক শিক্ষাৰ ওপৰত গুৰুত্ব দিবলগীয়া হোৱা বাবেই কবিসকলে লোক ব্যৱহাৰৰ ওপৰতো দৃষ্টি ৰাখিবলগীয়া হৈছিল। 'লোক শিক্ষা' আৰু 'লোক ব্যৱহাৰ' দুয়োটি দিশৰ পৰিপূৰ্ণতাৰ বাবে অপৰিহাৰ্য্য লোক সমাজৰ চিত্ৰণ; কাৰণ যিখন সমাজক উদ্দেশ্য কৰি পদ-পুথি আদি ৰচনা কৰা হয় - সেইখন সমাজৰ লগত পৰিচিত পটভূমি বা পৃষ্ঠভূমিৰ নিৰ্মাণ নহ'লে ৰসাস্বাদনত বাধাৰ সৃষ্টি হোৱা স্বাভাৱিক। সেইহে 'পূৰ্ব কবি অপ্ৰমাদী' মাধৱ কন্দলিয়ে বাল্মীকিৰ ৰামায়ণ অনুবাদ কৰিবলৈ গৈও মূলত চিত্ৰিত হোৱা সমাজখনৰ বৰ্ণনা দিদি তদানীন্তন অসমীয়া সমাজৰ চিত্ৰহে ফুটাই তুলিছে।" ☐

"কাম কৰা একমনে পুৱাব তেতিয়া
দুঃখৰ ৰাতি
নহ'লে পিছত অভিধান মেলি
নাপাবা আৰু
অসমীয়া জাতি।"

—লক্ষ্মীনাথ বেজবৰুৱা।



# পৰিৱেশ প্ৰদূষণ আৰু তাৰ প্ৰতিকাৰ

❒ মুছাৱৰ হুছেইন
উঃ মাঃ প্ৰথম বাৰ্ষিক (বিজ্ঞান)

আজিৰ পৰা কিছুবছৰ আগতে কহু বিজ্ঞানী আঁদ্ৰে ছাখৰভে কৈছিল যে বৰ্তমান মানুহৰ সন্মুখত দেখা দিয়া বিপদ তিনিটা হ'ল — (১) আণৱিক যুদ্ধৰ সম্ভাৱনা, (২) জনসংখ্যা বিস্ফোৰণ আৰু (৩) পৰিৱেশ প্ৰদূষণ। শীতল যুদ্ধৰ অৱসান আৰু এন পি টি, ছি টি বি টি আদি চুক্তিৰ ফলত বৰ্তমান আণৱিক যুদ্ধৰ সম্ভাৱনা আগতকৈ যথেষ্ট হ্ৰাস পাইছে। জনসংখ্যা বিস্ফোৰণ ৰোধ কৰাৰ ক্ষেত্ৰত উন্নত ৰাষ্ট্ৰসমূহ ইতিমধ্যে সম্পূৰ্ণ সফল হৈছে তথা উন্নয়নশীল আৰু অনুন্নত ৰাষ্ট্ৰসমূহত এই দিশত দুৰ্বাৰ গতিত প্ৰচেষ্টা চলোৱা হৈছে। অৰ্থাৎ ছাখৰভে কোৱা তিনিটা বিপদৰ দুটা বিপদৰ ভয়াবহতা কিছু কমিছে। কিন্তু এতিয়াও ভীষণ দুশ্চিন্তাৰ কাৰণ হৈ আছে তৃতীয় বিপদটো অৰ্থাৎ পৰিৱেশ প্ৰদূষণৰ সমস্যাটো। এই বিপদক বিশ্বৰ মানুহক উপলব্ধ কৰাবলৈ প্ৰতিবছৰে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়।

সম্মোহনী ব্যক্তিত্বৰ অধিকাৰী কাৰ্ল য়ুঙে তেওঁৰ এখন প্ৰবন্ধত এই কথাটো কৈ গৈছে যে প্ৰত্যেকটো ভাল বস্তুৱেই এটা বেয়া দিশ থাকে আৰু লগে লগে এটা বেয়া ফল সৃষ্টি নকৰালৈকে পৃথিৱীত কোনো ভাল ঘটিব নোৱাৰে। পৰিৱেশ প্ৰদূষণৰ কাৰণসমূহো কাৰ্ল য়ুঙৰ এই উক্তিৰ পোহৰত ব্যাখ্যা কৰিব পাৰি। প্ৰদূষণৰ মুখ্য কাৰণ দুটা হ'ল জনসংখ্যা বিস্ফোৰণ আৰু শিক্ষা বিপ্লৱ। চিকিৎসা বিজ্ঞানৰ অভূতপূৰ্ব অগ্ৰগতিৰ ফলত মানুহে নানাবিধ ৰোগ-ব্যাধি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ল, তাৰ ফলত মৃত্যু হাৰ হ্ৰাস হ'ল অৰ্থাৎ জন্মৰ হাৰ বৃদ্ধি পালে। সেইদৰে কৃষি বিজ্ঞানৰ উন্নতিয়ে খাদ্য উৎপাদনৰ বিপুল বৃদ্ধি সম্ভৱ কৰি তোলাৰ ফলত দুৰ্ভিক্ষত আগৰ নিচিনাকৈ মানুহ নমৰা হ'ল। এই দুটা কাৰণত পৃথিৱীৰ জনসংখ্যা বিপুলভাৱে বৃদ্ধি পালে। মানুহৰ এই বিপুল সংখ্যা বৃদ্ধি ৰোগ, পুষ্টিহীনতা আৰু দুৰ্ভিক্ষৰ বিৰুদ্ধে এটা জয়। কিন্তু বৰ্ধিত জনসংখ্যাৰ কাৰণে ঠাই উলিয়াবলৈ মানুহে পৃথিৱীৰ বুকুৰ পৰা অৰণ্য নিশ্চিহ্ন কৰিব লগা হৈছে আৰু অন্য প্ৰাণীক নিৰ্বিচাৰে ধ্বংস কৰিব লগা হৈছে। ফলত প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হৈ এতিয়া পৃথিৱীত মানুহৰেই অস্তিত্ব বিপন্ন হৈ পৰিছে। এই ঘটনাৰ দ্বাৰা কাৰ্ল য়ুঙৰ সেই বিখ্যাত উক্তিৰেই সত্যতা প্ৰমাণিত হৈছে, এটা আনুষংগিক অমংগল (Corresponding evil) সৃষ্টি নকৰাকৈ পৃথিৱীত কোনো

*প্ৰদূষণৰ মুখ্য কাৰণ দুটা হ'ল জনসংখ্যা বিস্ফোৰণ আৰু শিক্ষা বিপ্লৱ। চিকিৎসা বিজ্ঞানৰ অভূতপূৰ্ব অগ্ৰগতিৰ ফলত মানুহে নানাবিধ ৰোগ-ব্যাধি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ল, তাৰ ফলত মৃত্যু হাৰ হ্ৰাস হ'ল অৰ্থাৎ জন্মৰ হাৰ বৃদ্ধি পালে। সেইদৰে কৃষি বিজ্ঞানৰ উন্নতিয়ে খাদ্য উৎপাদনৰ বিপুল বৃদ্ধি সম্ভৱ কৰি তোলাৰ ফলত দুৰ্ভিক্ষত আগৰ নিচিনাকৈ মানুহ নমৰা হ'ল। এই দুটা কাৰণত পৃথিৱীৰ জনসংখ্যা বিপুলভাৱে বৃদ্ধি পালে। মানুহৰ এই বিপুল সংখ্যা বৃদ্ধি ৰোগ, পুষ্টিহীনতা আৰু দুৰ্ভিক্ষৰ বিৰুদ্ধে এটা জয়। কিন্তু বৰ্ধিত জনসংখ্যাৰ কাৰণে ঠাই উলিয়াবলৈ মানুহে পৃথিৱীৰ বুকুৰ পৰা অৰণ্য নিশ্চিহ্ন কৰিব লগা হৈছে আৰু অন্য প্ৰাণীক নিৰ্বিচাৰে ধ্বংস কৰিব লগা হৈছে। ফলত প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হৈ এতিয়া পৃথিৱীত মানুহৰেই অস্তিত্ব বিপন্ন হৈ পৰিছে।*





শুভ ঘটনা ঘটিব নোৱাৰে। সৌ সিদিনালৈকে প্ৰদূষণৰ মূল উপাংশ আছিল তিনিটা, বৰ্তমান হৈছে চাৰিটা। যথা — বায়ু, পানী, মাটি আৰু শব্দ প্ৰদূষণ।

**বায়ু প্ৰদূষণ ঃ**

সহজ অৰ্থত বায়ুত থাকিব নলগা উপাদান থকাটোৱেই হ'ল বায়ু প্ৰদূষণ। এই প্ৰদূষণ কেইবা প্ৰকাৰে ঘটিব পাৰে। সেইবোৰ হ'ল—

(১) কল-কাৰখানা, যান-বাহন, ৰন্ধন কাৰ্য আদিৰ পৰা ওলোৱা ধোঁৱাত নানাবিধ ক্ষতিকাৰক উপজাত দ্ৰব্য থাকে। উদাহৰণস্বৰূপে, যান-বাহন আৰু কয়লা ব্যৱহৃত উদ্যোগৰ পৰা ওলোৱা কাৰ্বন-মন'ক্সাইড বেছিকৈ শৰীৰত প্ৰৱেশ কৰিলে মানুহজনৰ কেইমিনিটমানৰ ভিতৰতে মৃত্যু হয়। সেইদৰে পেট্ৰ'কেমিকেলছৰ পৰা ওলোৱা হাইড্ৰ'কাৰ্বনে মানুহৰ হাওঁফাওঁৰ কেন্সাৰ ৰোগ সৃষ্টি কৰে।

(২) কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰ আদি খেতি পথাৰত ব্যৱহাৰ কৰিলে তাত থকা ৰাসায়নিক দ্ৰব্যবোৰৰ কিছু অংশই বায়ুৰ লগত মিহলি হৈ বায়ু দূষিত কৰে।

(৩) তেজস্ক্ৰিয় পদাৰ্থই বায়ুমণ্ডল মাৰাত্মকভাৱে দূষিত কৰে। নাগাছাকি আৰু হিৰোছিমাত পাৰমাণৱিক বোমা বিস্ফোৰণ ঘটোৱাৰ ফলত সৃষ্টি হোৱা তেজস্ক্ৰিয় দ্ৰব্যই সেই অঞ্চলৰ মানুহবোৰক অৰ্ধ শতাব্দীৰ পাছতো নানা ৰোগত আক্ৰান্ত কৰিছে।

(৪) আধুনিক জেট বিমানবোৰে ইন্ধনৰ দহন কৰি হাইড্ৰ'জেন নিৰ্গত কৰে আৰু ই বায়ুৰ লগত বিক্ৰিয়া কৰি মেঘৰ সৃষ্টি কৰে। এনে মেঘে বায়ু প্ৰদূষিত কৰে।

(৫) কিছুমান জীৱ-জন্তু মৰিলে তাৰ পৰা ওলোৱা গোন্ধে সেই অঞ্চলৰ বায়ু দূষিত কৰে।

(৬) ইয়াৰ উপৰিও অন্যান্য যিবোৰ কাৰণত বায়ু প্ৰদূষণ হয় সেইবোৰ হ'ল — ৰেফ্ৰিজেৰেটৰৰ ব্যৱহাৰ, আগ্নেয়গিৰিৰ উদ্গীৰণ, বায়ুমণ্ডলত উল্কাৰ প্ৰৱেশ আদি।

**বায়ু প্ৰদূষণৰ ফলাফল ঃ**

(১) দূষিত বায়ু উশাহত গ্ৰহণ কৰিলে মানুহৰ নানাবিধ ৰোগ হয়।

(২) ইন্ধনৰ দহন আৰু বন ধ্বংসকৰণে পৰিৱেশৰ ভাৰসাম্য নষ্ট কৰিব পাৰে। গণনা কৰি উলিওৱা হৈছে যে যোৱা এশ বছৰত বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ ৯৫ শতাংশ বৃদ্ধি পাইছে। ফলত পৃথিৱীৰ উষ্ণতা বৃদ্ধি পাইছে।

(৩) উপজাত দ্ৰব্যসমূহে উদ্ভিদৰ পাতত থকা ক্ল'ৰ'ফিলৰ ক্ষতিসাধন কৰি উদ্ভিদৰ মৃত্যু ঘটায়। ফলত উদ্ভিদৰ সংখ্যা হ্ৰাস পাব আৰু তাৰ ফল সহজেই অনুমেয়।

(৪) জলীয় বাষ্পৰ উপস্থিতিত ছালফাৰ, কাৰ্বন আৰু নাইট্ৰ'জেনৰ অক্সাইডসমূহে দুৰ্বল এছিড গঠন কৰে। বৰষুণৰ লগত এই এছিডবোৰ পৃথিৱীলৈ আহে। ইয়াকে এছিড বৰষুণ বোলে। এই বৰষুণ ধাতু, শিল আদিৰ কাৰণে ক্ষতিকাৰক। বায়ু প্ৰদূষণৰ ফলত এছিড বৰষুণ হয়। আগ্ৰাৰ তাজমহলৰ সৌন্দৰ্য্য এই এছিড বৰষুণৰ কাৰণে কিছু ম্লান হৈ গৈছে।

(৫) জীৱজগতক সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰ পৰা সুৰক্ষা দি অহা অ'জন স্তৰৰ প্ৰলেপটো বায়ু প্ৰদূষণৰ কাৰণে পাতল হয়। অ'জন স্তৰৰ প্ৰলেপটো পাতল হ'লে অতি বেঙুনীয়া ৰশ্মি সহজে পৃথিৱীলৈ আহিব আৰু মানুহৰ কৰ্কট আদি কালান্তক ৰোগ হ'ব।

**প্ৰতিৰোধৰ উপায় ঃ**

(১) বায়ুপ্ৰদূষণ কমাবলৈ হ'লে ইন্ধনৰ দহন নিয়ন্ত্ৰিত কৰিব লাগিব।

(২) কল-কাৰখানা, ৰন্ধনশালা আদিৰ চিমনী ওখকৈ সাজিব লাগে যাতে ধোঁৱাবোৰ উপৰলৈ গুচি যায় আৰু মানুহ তথা অন্য জীৱ-জন্তুৰ অপকাৰ কৰিব নোৱাৰে।

(৩) কমকৈ ধোঁৱা ওলোৱা ইঞ্জিন ব্যৱহাৰ কৰিব লাগে। আজিকালি সীহযুক্ত পেট্ৰ'ল ওলাইছে সেইবোৰ ব্যৱহাৰ কৰিলে প্ৰদূষণ কম হয়।

(৪) কিছুমান শক্তি ব্যৱহাৰ কৰিলে কোনো প্ৰদূষণৰ সৃষ্টি নহয়। যেনে- বৈদ্যুতিক শক্তি, সৌৰশক্তি, জোৱাৰ শক্তি, বতাহৰ পৰা আহৰণ কৰা শক্তি, আবৰ্জনাৰ পৰা প্ৰস্তুত কৰা শক্তি আদি। গতিকে প্ৰদূষক শক্তিবোৰৰ সলনি সেইবোৰ শক্তিৰ ব্যৱহাৰক উৎসাহিত কৰা উচিত।

(৫) বায়ু প্ৰদূষণ প্ৰতিৰোধৰ প্ৰকৃষ্ট উপায় হ'ল বনানিকৰণ। গছ-গছনিয়ে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱাত বাধা দিব আৰু কিছুমান বিষাক্ত গেছ শুহি লৈ বায়ুমণ্ডল নিৰ্মল কৰি ৰাখিব। নুমলীগড় শোধানাগাৰ চালু হ'লে তাৰ পৰা সৃষ্টি হ'ব পৰা প্ৰদূষণৰ কথা লক্ষ্য ৰাখি শোধানাগাৰটোৰ চাৰিওফালে বৃক্ষৰোপণ কৰা হৈছে।

(৬) প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰণে আইন প্ৰণয়ন কৰিব লাগে। যাতে অনাহকত সৃষ্টি হোৱা প্ৰদূষণ নোহোৱা হয়।

**পানী প্ৰদূষণ ঃ**

পানীত কিছুমান অশুদ্ধি থাকিলে সেই পানীক প্ৰদূষিত পানী বোলে। পানী প্ৰদূষণৰ কাৰণসমূহ হ'ল —

(১) গেলা-পচা বস্তু, আবৰ্জনা আদি পানীত পেলোৱাৰ ফলত পানীৰ প্ৰদূষণ হয়। পৱিত্ৰ গংগা নদীত আবৰ্জনা আদি পেলোৱাৰ ফলত সেই নদীৰ পানী নৰ্দমাৰ পানীতকৈও অপৰিষ্কাৰ হৈ পৰিছে।

(২) ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদি খেতি পথাৰত প্ৰয়োগ কৰিলে তাৰ কিছু অংশ বৰষুণে উটুৱাই নি নৈ বা পুখুৰীত জমা কৰে। ফলত পানীৰ অক্সিজেন গ্ৰহণ ক্ষমতা হ্ৰাস পায়।

(৩) কল-কাৰখানাৰ পৰা ওলোৱা বৰ্জনীয় দ্ৰব্যসমূহ সাধাৰণতে নদী বা সাগৰত পেলোৱা হয়, যিবোৰে পানীৰ ভয়ানক প্ৰদূষণ ঘটায়। ভাৰত মহাসাগৰৰ নীলা ৰঙৰ পানী এনে প্ৰদূষণৰ ফলত ক'লা হৈ পৰিছে। সেইদৰে, আটাইতকৈ বেছি উদ্যোগসম্পন্ন মহাদেশ ইউৰোপৰ ওচৰৰ এৰ্কটিক ওছেন আটাইতকৈ প্ৰদূষিত সাগৰ হৈ পৰিছে।

(৪) সাগৰত চলাচল কৰা তৈল পৰিবাহী টেংকাৰ ফাটি গ'লে তেল পানীৰ লগত মিহলি হৈ পানীৰ প্ৰদূষণ ঘটায়।

**ফলাফল ঃ**

(১) প্ৰদূষিত পানী খালে মানুহ আৰু অন্যান্য জীৱ-জন্তুৰ সৃষ্টি হোৱা ৰোগৰ কথাকৈ অন্ত কৰিব নোৱাৰি।

(২) সাগৰৰ পানী প্ৰদূষিত হ'লে সাগৰীয় পৰিস্থিতি তন্ত্ৰ (ecosys-

tem) পৰিৱৰ্তন হ'ব পাৰে। কাৰণ পানী দূষিত হ'লে সাগৰীয় জীৱ-জন্তুৰ মৃত্যু ঘটে।

*নিয়ন্ত্ৰণৰ উপায় ঃ*

(১) পানী প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ পানী প্ৰদূষণ নিয়ন্ত্ৰণ আইন প্ৰণয়ন কৰা উচিত। ভাৰতত ইতিমধ্যে তেনে এখন আইন প্ৰণয়ন কৰি জল প্ৰদূষণক অপৰাধ বুলি গণ্য কৰা হৈছে।

(২) পেয় পানী সদায় বিশুদ্ধ কৰি খোৱা উচিত। তাকে কৰিলে আমি বহুতো বেমাৰৰ পৰা হাত সাৰিব পাৰো।

(৩) আবৰ্জনাসমূহ পানীত পেলাই নিদি তাৰ পৰা বিদ্যুৎ শক্তি আহৰণৰ ব্যৱস্থা কৰিব লাগে। পশ্চিমবংগত ইতিমধ্যে তেনে প্ৰকল্প স্থাপন কৰা হৈছে।

(৪) কিছুমান বেক্টেৰীয়াই পানী প্ৰদূষক দ্ৰব্য কিছুমান খাই পেলাই পানীৰ প্ৰদূষণ হ্ৰাস কৰে। গতিকে তেনে বেক্টেৰীয়া ব্যৱহাৰ কৰা উচিত।

(৫) তেলৰ লিকেজ বন্ধ কৰিবলৈ টেংকাৰবোৰ উপযুক্ত কাৰিকৰী কৌশলেৰে নিৰ্মাণ কৰা উচিত।

*মাটি প্ৰদূষণ ঃ*

মাটিত পৰিবেশৰ কাৰণে ক্ষতিকাৰক কিছুমান দ্ৰব্য থাকিলে তাকে মাটি প্ৰদূষণ বোলে। মাটি প্ৰদূষণৰ কাৰকবোৰ হ'ল —

(১) খেতি পথাৰত ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিলে তাৎক্ষণিকভাৱে উৎপাদন বৃদ্ধি পায় কিন্তু সামগ্ৰিকভাৱে মাটিৰ উৰ্বৰতা হ্ৰাস পায়। এনেদৰে মাটিৰ প্ৰদূষণ হয়।

(২) উদ্যোগৰ পৰা ওলোৱা উপজাত দ্ৰব্য মাটিত থ'লে সেইবোৰ মাটিৰ লগত বিক্ৰিয়া কৰি মাটি প্ৰদূষণ হয়।

(৩) মাটিৰ ওপৰৰ ঘাঁহ-বন কাটি পেলালে বৰষুণে ওপৰৰ মাটি উটুৱাই নিয়ে আৰু তলৰ মাটি ওপৰলৈ উঠি আহে। এই মাটি অনুৰ্বৰ।

*ফলাফল ঃ*

(১) মাটি প্ৰদূষণৰ ফলত মাটিৰ উৰ্বৰতা হ্ৰাস পায়। ফলত শস্যৰ উৎপাদন কমি যায়।

(২) মাটি প্ৰদূষণৰ ফলত মাটিৰ ক্ষয় হয়।

(৩) মাটিত বাস কৰা কিছুমান জীৱ-জন্তুৰ প্ৰদূষণৰ ফলত মৃত্যু ঘটে, ফলত পৰিবেশৰ ভাৰসাম্য বিনষ্ট হয়।

*নিয়ন্ত্ৰণৰ উপায় ঃ*

(১) কৃত্ৰিম সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ ব্যৱহাৰ কৰিব লাগে।

(২) বেছিকৈ গছ-গছনি কৰিলে মাটিৰ ক্ষয় ৰোধ হয়।

(৩) আবৰ্জনা আদি মাটিত জমাই থ'ব নালাগে।

*শব্দ প্ৰদূষণ ঃ*

মানুহৰ কাণে সহ্য কৰিব নোৱাৰাকৈ শব্দৰ সৃষ্টি হৈ থাকিলে তাকে শব্দ প্ৰদূষণ বোলে। শব্দ প্ৰদূষণৰ কাৰণবোৰ হ'ল —

(১) বজ্ৰপাত, বৰষুণ, বতাহ আদিৰ ফলত শব্দ প্ৰদূষণৰ সৃষ্টি হয়, কিন্তু ই ক্ষণস্থায়ী।

(২) কল-কাৰখানা, যান-বাহন আদিৰ ব্যৱহাৰৰ ফলত সেইবোৰ শব্দৰ সৃষ্টি হয়।

(৩) ৰেডিঅ', টেলিভিচন, লাউড স্পীকাৰ আদি বেছি ভলিউমত বজালে শব্দ প্ৰদূষণৰ সৃষ্টি হয়।

*ফলাফল ঃ*

(১) শব্দ প্ৰদূষণৰ ফলত মানুহ খঙাল, ধৈৰ্য্যহীন আৰু খিঙ্খিঙীয়া হৈ পৰে।

(২) শব্দ প্ৰদূষণে মানুহৰ শ্ৰৱণ শক্তি হ্ৰাস কৰিব পাৰে।

(৩) বেছিকৈ শব্দ প্ৰদূষণে মানুহৰ কিছুমান ৰোগৰ সৃষ্টি কৰে।

*প্ৰতিৰোধৰ উপায় ঃ*

(১) যন্ত্ৰ-পাতি, যান-বাহন আদি উন্নতভাৱে নিৰ্মাণ কৰিব লাগে যাতে শব্দ প্ৰদূষণ কম হয় আৰু সেইবোৰৰ হৰ্ণ অযথাত বজাব নালাগে।

(২) কল-কাৰখানাবোৰ মানুহৰ বাসস্থানৰ পৰা দূৰত স্থাপন কৰিব লাগে।

(৩) অযথাতে শব্দ প্ৰদূষণ সৃষ্টি কৰা লোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰি আইন প্ৰণয়ন কৰিব লাগে।

(৪) শব্দ প্ৰদূষণ সম্পৰ্কে জনসাধাৰণৰ মাজত সচেতনতাৰ সৃষ্টি কৰিব লাগে। শব্দ প্ৰদূষণ কৰোতাজনেই যে শব্দ প্ৰদূষণৰ পৰা আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয় সেই কথা তেওঁলোকক পতিয়ন নিয়াব পৰাকৈ ক'ব লাগে।

এই চাৰিটাই হৈছে প্ৰদূষণৰ মূল উপাংশ। ইয়াৰ উপৰি আৰু কিছুমান সৰু-সুৰা প্ৰদূষণ আছে। যেনে — তেজষ্ক্ৰিয় প্ৰদূষণ। অতি বেঙুনীয়া ৰশ্মি, মহাজাগতিক ৰশ্মি, এক্স-ৰে, আদিৰ ফলত সৃষ্টি হোৱা প্ৰদূষণেই হৈছে তেজষ্ক্ৰিয় প্ৰদূষণ। এই প্ৰদূষণৰ আন আন কাৰণবোৰ হ'ল — ইউৰেনিয়াম, ৰেডিয়াম, থ'ৰিয়াম আদি ধাতুৰ পৰা নিৰ্গত হোৱা তেজষ্ক্ৰিয় ৰশ্মি, পৰমাণু বোমাৰ বিস্ফোৰণ আৰু পৰীক্ষা, পাৰমাণৱিক ৰিয়েক্টৰত সৃষ্টি হোৱা লিকেজ আদি।

এই প্ৰদূষণৰ ফলত সৃষ্টি হ'ব পৰা ৰোগবোৰ হ'ল —
(১) শ্বেত ৰক্ত কণিকাৰ ধ্বংস, (২) হাড়ৰ মজ্জাৰ ক্ষতিসাধন,
(৩) প্লীহাৰ ক্ষতি, (৪) হাওঁফাওঁৰ কেন্সাৰ, (৫) ছালৰ কেন্সাৰ,
(৬) দৃষ্টি দোষ, (৭) দেহত টিউমাৰ (tumours) সৃষ্টি আদি। বিখ্যাত ৰসায়নবিজ্ঞানী মেৰিকুৰিৰ তেজষ্ক্ৰিয় ৰশ্মি শৰীৰত প্ৰৱেশ কৰাৰ ফলত মৃত্যু ঘটিছিল।

*এই প্ৰদূষণ নিয়ন্ত্ৰণৰ উপায়বোৰ হ'ল —*

(১) তেজষ্ক্ৰিয় উপজাত দ্ৰব্যবোৰ এনে ঠাইত থ'ব লাগে য'ত সেইবোৰৰ প্ৰাকৃতিক ধ্বংস হয়।

(২) পাৰমাণৱিক ৰিয়েক্টৰত সৃষ্টি হ'ব পৰা লিকেজ বন্ধ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৩) যদিহে অত্যন্ত প্ৰয়োজনীয় নহয়, তেন্তে মানুহে সঘনাই চিকিৎসাৰ বাবে এক্স-ৰে ব্যৱহাৰ কৰিব নালাগে।

(৪) পাৰমাণৱিক পৰীক্ষা আৰু বিস্ফোৰণ বন্ধ কৰিব লাগে।

*পাৰা বা মাৰ্কাৰী প্ৰদূষণ ঃ*

বিভিন্ন উদ্যোগত ব্যৱহাৰ হোৱা পাৰা বা মাৰ্কাৰীয়েও প্ৰদূষণ ঘটাব পাৰে। ইয়েই হ'ল পাৰা প্ৰদূষণ।

এই প্ৰদূষণৰ ফলত মানুহৰ গাত যিবোৰ লক্ষণ দেখা দিয়ে





সেইবোৰ হ'ল — (১) ভাগৰ লগা, (২) মূৰৰ বিষ, (৩) হাত-ভৰি অৱশ অৱশ লগা, (৪) বস্তু গিলাত অসুবিধা, (৫) দৃষ্টি শক্তিৰ ব্যাঘাত, (৬) শ্ৰৱণ শক্তি হ্ৰাস, (৭) মুখত ধাতৱ স্বাদ ইত্যাদি।

*নিৰাময়ৰ উপায় ঃ*

(১) ক্লৰিণ আৰু ক'ষ্টিক ছ'ডা উৎপাদনকাৰী উদ্যোগত মাৰ্কাৰীৰ ব্যৱহাৰ নিষিদ্ধ হ'ব লাগে।

(২) কীটনাশক হিচাপে জৈৱ মাৰ্কাৰী যৌগৰ প্ৰচলন নিষিদ্ধ হ'ব লাগে।

(৩) অন্যান্য মাৰ্কাৰীযুক্ত কীটনাশকৰ ব্যৱহাৰ সীমিত হ'ব লাগে।

ওপৰোক্ত পৰামৰ্শ তিনিটা আগবঢ়াইছে আমেৰিকা আৰু ছুইডেনৰ "এনভিৰনমেণ্ট প্ৰটেকছন এজেন্সী" (Environment protection agency) নামৰ সংস্থাটোৱে।

ওপৰত ছটা প্ৰদূষণৰ বিষয়ে থূলমূলকৈ আলোচনা কৰা হ'ল। প্ৰদূষণৰ সমস্যাটো আলোচনা কৰিবলৈ ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ' ডে জেনিৰিঅ' চহৰত বিশ্বৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰপ্ৰধান আৰু বিজ্ঞানীসকল মিলিত হয়। সেইদৰে ১৯৯৭ চনত জাপানৰ কিয়'টো' চহৰত বিভিন্ন দেশৰ প্ৰতিনিধিসকল মিলিত হৈ অ'যন স্তৰৰ ক্ষতি সাধন কৰিব পৰা গেছৰ নিৰ্গমন হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সমগ্ৰ বিশ্বতে বহুতো পৰিবেশ সংৰক্ষণ সংস্থা গঢ়ি উঠিছে। এই ঘটনাবোৰে শুভ ইংগিত বহন কৰে। মানুহে এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ আন বহুতো সমস্যাৰ জন্ম দিয়ে আৰু সেই সমস্যাবোৰ সমাধান কৰিবলৈ চেষ্টা কৰিব লগাৰ ফলত মানুহৰ প্ৰতিভাও অবিৰামভাৱে বিকশিত হৈ থাকে। এইটোৱেই হৈছে মানুহ হোৱাৰ বিপুল গৌৰৱ। প্ৰদূষণৰ সমস্যাটো দূৰ কৰাৰ ক্ষেত্ৰতো ই নিশ্চয় ব্যতিক্ৰম নহয়। আমি সদায় আশাবাদী। ☐

*বিঃ দ্ৰঃ - ১৯৯৮-৯৯ চনৰ কলেজ সপ্তাহ উপলক্ষে আয়োজিত ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা প্ৰবন্ধ।* — সম্পাদক।

"যি জাতিয়ে নিজৰ অতীত, ইতিহাস আৰু সাহিত্যৰ গৌৰৱ অনুভৱ নকৰে, সি তাৰ জাতীয় চৰিত্ৰৰ আধাৰশিলাক হেৰুৱাই পেলায়।"

— *মেক্সমুলাৰ।*

"বুদ্ধিতকৈ শাস্ত্ৰ-পুথিক উচ্চজ্ঞান কৰা, ঈশ্বৰক বিশ্ব-কৰ্তা বুলি অভিহিত কৰা, স্নানকে ধৰ্ম বুলি কোৱা, কোনো এক বিশেষ জাতি বা বৰ্ণত জন্ম গ্ৰহণ কৰাটো গৌৰৱ বুলি ভবা, পাপ নাশৰ কাৰণে শৰীৰক কষ্ট দিয়া— মানসিক জঠৰতা আৰু সুবিচাৰ বুদ্ধিহীনতাৰ প্ৰকৃত লক্ষণ।"

— *ৰাহুল সাংকৃত্যায়ণ।*

# বিশ্ববিখ্যাত কলোছছ ঃ ৰহস্যৰ অন্তৰালত

❒ শ্ৰীঅপূৰ্ব দাস
স্নাতক চূড়ান্ত বৰ্ষ, ইংৰাজী বিভাগ

*"ফুলিলি যিদিনা সক উদ্যানত*
*উশিল সৌৰভ জগত জুৰি;*
*গগন চুম্বী কলোছছে তোৰ*
*পান কৰিলে ৰূপ-মাধুৰী।" — ৰঘুনাথ চৌধুৰী।*

দশম মানতে বিহগী কবি ৰঘুনাথ চৌধুৰীদেৱৰ "গোলাপ" কবিতাটো শিক্ষকে শ্ৰেণীত বুজাই থাকোতে, হঠাতে সুধিছিলোঁ, উপৰোক্ত উদ্ধৃতিত পোৱা "কলোছছ" শব্দৰ অৰ্থ। ক্লাছত সেই সময়ত দাস চাৰে অতি সংক্ষেপে কৈ থৈছিল যে "কলোছছ" হৈছে ৰ'ড্ছ আৰু চাইপ্ৰাচ দ্বীপৰ পিতলৰ মূৰ্ত্তি। কবিতাটোত যিহেতু গোলাপ ফুলৰহে মহিমা বৰ্ণনা কৰা হৈছে সেয়ে বিষয়টোৰ বেছি গভীৰতালৈ সোমোৱা নহ'ল। ব্যাখ্যাত মাত্ৰ এইখিনিয়ে কোৱা হ'ল যে সেয়া পৃথিৱীৰ সাতোটা আচৰিত বস্তুৰ এটা। ই এনে এটা বৃহৎ মূৰ্ত্তি যাৰ এখন ভৰি ৰ'ড্ছ দ্বীপত আৰু আনখন ভৰি চাইপ্ৰাচ দ্বীপত! সেইখিনি সময়ত সেই তথ্যই যথেষ্ট আছিল। কিন্তু পৰ্য্যায়ক্ৰমে গম পালো এই মূৰ্ত্তিটোক লৈ বিভিন্ন ধৰণৰ বিতৰ্কও আছে। সেয়ে এই প্ৰবন্ধটোত এনে কিছুমান তথ্যকে আগবঢ়োৱা হ'ল।

**কলোছছৰ ইতিহাস ঃ**

এয়া খ্ৰীষ্টপূৰ্ব তিনিশ চাৰি চনৰ কথা। ভূমধ্য সাগৰৰ পাৰৰ ৰ'ডছ দ্বীপৰ ৰজা - গ্ৰীক বীৰ মহামতি আলেকজেণ্ডাৰৰ বিশ্বাসী সেনাপতিৰ পুত্ৰ। নাম ডেমেট্ৰিয়চ পলিওৰকেটিচ। ৰ'ডছ দ্বীপত তেতিয়া ৰজা ডেমেট্ৰিয়চ পলিওৰকেটিচৰ অভ্যুত্থান ঘটিছে। তেখেতৰ এই নৱ-অভ্যুত্থান ওফোৰাই ৰ'ডছ দ্বীপৰ বাসিন্দাসকলে মুক্তিৰ দিন উদ্‌যাপন কৰিবলৈকে ৰ'ডছ দ্বীপলৈ সোমোৱা বন্দৰটোৰ সন্মুখভাগতে এক প্ৰকাণ্ড মূৰ্ত্তি তৈয়াৰ কৰিলে। বন্দৰটোৰ সন্মুখভাগতে থকা এই মূৰ্ত্তিটো, ভৰি দুখনেৰে থিয় দি আছিল যদিও বাওঁ হাতৰ পৰা ব্ৰঞ্জৰ কাপোৰ এডোখৰ তললৈ ওলমি পৰি ভূমিৰ লগত সংলগ্ন হৈ পৰিছিল যাতে মূৰ্ত্তিটো থিয় হৈ থকাত এক সুস্থিৰ ভাৰকেন্দ্ৰৰ সৃষ্টি হয়।

***শিল্পী, তুমি মহান ঃ —***

— পৃথিৱীৰ সমূহ আশ্চৰ্য্যৰ এটা এই মূৰ্ত্তিটো তৈয়াৰ কৰিছিল হেৰিছ নামৰ এজন ভাস্কৰ্য্য শিল্পীয়ে। ইতিহাসে হেৰিছক লৈ বৰকৈ ক'ব নোৱাৰে যদিও ৰ'ডছ দ্বীপৰ লিণ্ডৰ (লিণ্ডচ) নামৰ ঠাইত শিল্পীজনৰ ঘৰ বুলি উল্লেখ আছে। তেখেত আছিল গ্ৰীক ভাস্কৰ্য্য শিল্পী লিচিপ্ৰচৰ শিষ্য। হেৰিচৰ পৰিকল্পনামতে বত্ৰিছ মিটাৰ ওখ কলোছছৰ মূৰ্ত্তি সূৰ্যদেৱতা হেলিওচৰ সাম্ভাব্য দেহাৱয়ৱৰ লগত কল্পনা কৰি সাজি উলিয়াইছিল। প্ৰথমতে ভৰিৰ পতাৰ পৰা নিৰ্মাণৰ কাম আৰম্ভ কৰি জকাটোৰ ওপৰত ব্ৰঞ্জৰ টুকুৰাবোৰ ডোখৰ ডোখৰকৈ লগাই দিয়া হৈছিল। এই মহান শিল্পীজনৰ মৃত্যু সম্পৰ্কে ইতিহাসে উল্লেখ কৰিছে যে কলোছছৰ নিৰ্মাণৰ পিছত বাৰচৰ হিচাপটো ভুলকৈ উলিয়াই হেৰিছে বিপাডত পৰে আৰু আত্মহত্যা কৰে।

***কলোছছৰ দেহাৱয়ৱ ঃ***

ৰ'ডছ দ্বীপৰ বন্দৰৰ সন্মুখভাগত থিয় দি থকা এই প্ৰকাণ্ড মূৰ্ত্তিটোৰ বাৰ্ত্তাবহ আছিল এখন ধনু। সৌহাতৰ কাৰ্য্য সম্পৰ্কে বহুতো বিতৰ্কিত তথ্য পোৱা যায়। কিছুমানৰ মতে সৌহাতত আছিল প্ৰকাণ্ড চাকি এগছি। আন কিছুমানৰ মতে সূৰ্যৰ তাপৰ পৰা চকুটো ৰক্ষা কৰিবলৈ সৌহাতখনেৰে চকুৰ ওপৰত থৈ দি আছিল। মূৰ্ত্তিটোৰ চকুযোৰে দিগন্তত মাৰ যোৱা সাগৰৰ উজ্জ্বল ঢৌবোৰক লক্ষ্য কৰি আছিল। বৰ্তমান ৰ'ডছ দ্বীপৰ মুদ্ৰাত ইয়াক খোদিত কৰা দেহখণ্ডত মূৰ্ত্তিটোৰ মূৰৰ কেউপিনে সূৰ্যৰ ৰশ্মিৰ অপসাৰী চিহ্নবোৰে তাহানিৰ প্ৰকৃত মূৰ্ত্তিৰ লগত মিল থকা বুলি বোদ্ধাসকলে বিশ্বাস কৰে। সেইবাবে সূৰ্যদেৱতা হেলিওচৰ সাম্ভাব্য দেহাৱয়ৱৰ লগত তুলনা কৰিয়ে যে ইয়াক সাজি উলিওৱা হৈছিল সেয়া অনুমান কৰিব পাৰি।

***নিৰ্মাণ কাৰ্য্য ঃ***

কলোছছৰ নিৰ্মাণ কাৰ্য্য সম্পৰ্কেও কোনো সঠিক তথ্য পোৱা নাযায়। কলোছছৰ নিৰ্মাণ খ্ৰীষ্টপূৰ্ব দুশ বিৰানৈৰোত (খ্ৰীঃপূঃ ২৯২) আৰম্ভ হোৱা বুলি পোৱা যায়। ইয়াক সম্পূৰ্ণ কৰোতে বাৰ বছৰ সময় লাগিছিল। খ্ৰীষ্টপূৰ্ব দুশ চব্বিছৰ (খ্ৰীঃপূঃ ২২৪) প্ৰলয়ংকৰী ভূমিকম্পই মূৰ্ত্তিটো ধ্বংস কৰি পেলায়। কিন্তু প্ৰখ্যাত ঐতিহাসিক এড্‌লাৰ প্লাইনিৰমতে মূৰ্ত্তিটো মাত্ৰ ছয়ষষ্ঠি (৬৬) বছৰহে সম্পূৰ্ণ অক্ষত অৱস্থাত আছিল। সেই হিচাপমতে চালে মূৰ্ত্তিটোৰ নিৰ্মাণকাৰ্য্য আৰম্ভ হৈছিল খ্ৰীষ্টপূৰ্ব তিনিশ দুইত (খ্ৰীঃপূঃ ৩০২)। প্লাইনিৰ এই হিচাপটোৱে বেছি ঐতিহাসিক যেন লাগে, কিয়নো কলোছছৰ জন্ম আৰু ৰ'ডছ দ্বীপত ৰজা ডেমেট্ৰিয়চৰ পতনৰ চন দুটাৰ মাজত ইয়ে কিছু সাদৃশ্য আনে। প্লাইনিৰমতে মূৰ্ত্তিটোৰ দৈৰ্ঘ্য আছিল সত্তৰ (৭০) কিউবিক। হাত আৰু ভৰিবোৰত বহুতো গহ্বৰ আছিল আৰু ইয়াৰ ভিতৰত আছিল প্ৰকাণ্ড শিলৰ টুকুৰা যিবোৰে মূৰ্ত্তিটো থিয়কৈ ৰাখিব পাৰিছিল। কিছুমানৰ মতে, কলোছছৰ মূৰ্ত্তিটো কম টেম্পাৰৰ লোৰে বনোৱা আছিল বুলি বিশ্বাস কৰে।

***কিছুমান কল্পনাপ্ৰসূত লোকবিশ্বাস ঃ —***

নৱজাগৰণৰ পিছৰ পৰাই কলোছছৰ বিষয়ে মানুহে মনতে ভুল ধাৰণা এটা ল'লে যে মূৰ্ত্তিটোৰ দুখন ভৰি বেলেগ বেলেগ দ্বীপত আছিল আৰু তাৰ তলেৰে নাও, জাহাজ আদি সহজে পাৰ হৈছিল। এয়া সম্পূৰ্ণ কল্পনাপ্ৰসূত। খ্ৰীষ্টপূৰ্ব দুশৰ কাৰিকৰী জ্ঞানেৰে এনে দৈত্যাকৃতিৰ মূৰ্ত্তি তৈয়াৰ কৰা তেনেই অসম্ভৱ। তথাপি লোকবিশ্বাসে সেই তথ্যকে মানি ল'ব খোজে। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে পোৱা যায় যে, যিহেতু মূৰ্ত্তিটো বিতৰ্কিত, বিশ্ববিখ্যাত — গতিকে ইয়াত এনে ধৰণৰে কিছুমান আচৰিত গুণ থকাটো বিচাৰে হয়তো। আৰু আজিও যদি হঠাতে কাৰোবাক সোধা হয় কলোছছৰ বিষয়ে, তেখেতেও হয়তো লোকবিশ্বাসৰ ভিত্তিতে সেই একে উত্তৰকে দিব। এয়া আমাৰে ভুল, কাৰণ আমি কোনোৰে নিৰ্ভৰযোগ্য সূত্ৰৰ বিচাৰ নকৰাকৈ যিকোনো তথ্যকে লোকবিশ্বাস বা জনশ্ৰুতিৰ আৰত বিশ্বাস কৰিবলৈ লওঁ।

***ক'বলগা এষাৰ ঃ***

তাজমহলৰ কথা কোনে নাজানে; কিন্তু জানে জানো ইয়াৰ নিৰ্মাণৰ ইতিহাস? সেই মহান প্ৰেম বা সেই দুখৰ বাতৰি (তাজমহল নিৰ্মাণৰ ভাস্কৰ্য্য শিল্পীৰ পৰিণতি) কোনে বিচাৰ কৰি চাইছে! এয়া জানো কোনোবাই অনুভৱ কৰিছে। ক'ব পাৰিবনে তাজমহলৰ নিৰ্মাণ কেতিয়া আৰম্ভ হৈছিল? নোৱাৰে। মূল তথ্যৰ প্ৰতি থকা উদাসীনতাই ইয়াৰ প্ৰধান কাৰণ। একবিংশ শতিকাৰ দুৱাৰদলিত, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে সমৃদ্ধ আমাৰ সমাজৰ প্ৰতিটো পদক্ষেপ যুক্তিযুক্ততাৰ মাজেৰে বিতৰ্কৈ লোৱাটো জানো আমাৰ কৰ্তব্য নহয়? সেই আশাৰে — ❒

বিঃদ্ৰঃ - প্ৰবন্ধটো যুগুত কৰোঁতে সহায় লোৱা আলোচনী, কাকত আদি
I. The Telegraph, 1995, Nov. 13. Issue.
II. Colosus – by R. Mahadevan.
III. জানানে, বিস্ময় আদি।

*"জীৱন মানুহৰ সকলোতকৈ প্ৰিয় সম্পদ। এই জীৱন মানুহে মাথোঁ এবাৰহে পায়। সেয়ে এনেকৈ জীয়াই থাকিব লাগিব যাতে বছৰৰ পিছত বছৰ লক্ষ্যহীন জীৱন-যাপন কৰাৰ যন্ত্ৰণা ভৰা অনুশোচনাত ভাবিবলগীয়া নহয়। যাতে বিগত জীৱনৰ গ্লানিভৰা হীনতাৰ লজ্জাৰ দাবাগ্নি সহিবলগীয়া নহয়; এনেভাৱে থাকিব লাগিব যাতে মৃত্যুৰ মুহূৰ্ত্তত তেওঁ ক'ব পাৰে—মোৰ সমগ্ৰ জীৱন, সমগ্ৰ শক্তি, মই ব্যয় কৰিছোঁ, এই পৃথিৱীৰ সকলোতকৈ ডাঙৰ আদৰ্শৰ বাবে, মানুহৰ মুক্তিৰ কৰা সংগ্ৰামত।"*

— ইস্পাত নিকোলাই অস্ত্ৰভস্কি

# যুগ সন্ধিক্ষণত অসমৰ যুৱ সমাজ আৰু যুৱ মানসিকতা

❒ শ্ৰীনিকুঞ্জ দাস
অৰ্থনীতি বিভাগ, প্ৰথম বৰ্ষ (স্নাতক)

আজিৰ মানৱ সভ্যতাই ক্ৰমবিকাশৰ এক দীঘলীয়া পথ অতিক্ৰম কৰি একবিংশ শতিকাৰ পদুলিমুখত পদাৰ্পণ কৰিছেহি। এই যুগ প্ৰগতিৰ যুগ, বিজ্ঞানৰ যুগ, প্ৰতিযোগিতাৰ যুগ। আজিৰ এই পৰিবৰ্তনশীল যুগে মানৱ সমাজক দ্ৰুততম বেগেৰে আগুৱাই লৈ গৈছে। কিন্তু কোন পিনে?

সকলো অনুসন্ধিৎসু মনে বিচৰা এই প্ৰশ্নটোৰ উত্তৰ নিৰ্ভৰ কৰিছে প্ৰধানকৈ বৰ্তমান সময়ৰ যুৱক-যুৱতীৰ ধ্যান-ধাৰণা, চিন্তাচৰ্চা, কৰ্মপন্থা, উদ্দেশ্য আৰু লক্ষ্যৰ ওপৰত। আজিৰ এই সমস্যাবহুল সমাজত যুৱ বিশৃংখলতা আৰু অস্থিৰতাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। আজিৰ অস্থিৰতা আৰু শৃংখলতাহীনতাৰে পৰিচালিত যুৱ মানসিকতাক সুপথে পৰিচালিত কৰাত, আদৰ্শৰে গঢ় দিয়াত এক প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। সেয়ে আগন্তুক একবিংশ শতিকা যুৱ সমাজৰ বাবে সংঘাত, সংশয় আৰু নৈৰাশ্যৰে ভৰা। কিন্তু, এই অস্থিৰতাৰ বাবে দায়ী কোন? নিৰাময়ৰ উপায় কি।

*আজি কিছুবছৰ আগৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে প্ৰায়বিলাক শিক্ষানুষ্ঠানেই ৰাজনৈতিক আঁখৰা ঘৰত পৰিণত হৈছে। শিক্ষাৰ্থীসকলো এই বিলাকৰ মাজত বহুতে নিজৰ অজানিতে সোমাই পৰিছে আৰু শিক্ষাৰ্থীসকল নানা ভাগত বিভক্ত হৈ পৰিছে। ফলত এই শিক্ষানুষ্ঠান বিলাকৰ শৈক্ষিক পৰিৱেশ নষ্ট হৈছে।*

আজিৰ অসমীয়া যুৱ সমাজত দেখা দিয়া বিসংগতিসমূহৰ বাবে প্ৰধানকৈ জগৰীয়া বুলি ভবা হয় ৰক্ষণশীল সমাজব্যৱস্থা, আসোঁৱাহপূৰ্ণ শিক্ষাব্যৱস্থা, অৰ্থনৈতিক বৈষম্য আদিক। বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাই যুৱ সমাজত অস্থিৰতা আৰু অনৈক্য সৃষ্টিৰ উৎসাহ দিছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই উপযুক্ত শিক্ষাৰে জীয়াই থকাৰ প্ৰেৰণা দিয়াৰ পৰিবৰ্তে, বাস্তৱ জীৱনৰ কাৰ্য-দক্ষতাহীন শিক্ষিতৰ সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা বিদ্যা আৰু বাস্তৱৰ মাজত ৰৈ গৈছে এক বিশাল ব্যৱধান। কাৰ্যত প্ৰয়োগ কৰিব নোৱাৰা এনে শিক্ষা ব্যৱস্থাই যুৱ সমাজৰ আগত সৃষ্টি কৰিছে এক অন্ধ-কাৰাচ্ছন্ন ভৱিষ্যত।

শিক্ষানুষ্ঠানৰ বাতাৱৰণৰ ওপৰত আলোকপাত কৰিলে দেখা যায় যে আজি কিছুবছৰ আগৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে প্ৰায়বিলাক শিক্ষানুষ্ঠানেই ৰাজনৈতিক আঁখৰা ঘৰত পৰিণত হৈছে। শিক্ষাৰ্থীসকলো এই বিলাকৰ মাজত বহুতে নিজৰ অজানিতে সোমাই পৰিছে আৰু শিক্ষাৰ্থীসকল নানা ভাগত বিভক্ত হৈ পৰিছে। ফলত এই শিক্ষানুষ্ঠান বিলাকৰ শৈক্ষিক পৰিৱেশ নষ্ট হৈছে। উচ্চ, সু-শিক্ষিত, সৎ, ন্যায় পৰায়ণ, আদৰ্শবান শিক্ষক তথা শিক্ষানুষ্ঠানৰ মুৰব্বী আঙুলিৰ মূৰত লিখিব পৰা হৈছে। বাকী বিলাক ব্যক্তিগত স্বাৰ্থ পূৰণকাৰী, ৰাজনৈতিক আনুগত্যকামী শিক্ষানুষ্ঠানৰ মুৰব্বী সেইবিলাকৰ ক্ৰিয়াকৰ্মৰ ফলত পবিত্ৰ শিক্ষানুষ্ঠানসমূহৰ বাতাৱৰণেই কলুষিত হৈ পৰিছে।

আজিৰ যুৱ সমাজৰ মাজত প্ৰকট উলংগ সত্যটো হ'ল মৌলিক শিক্ষাৰ অভাৱৰ লগতে সমাজ সচেতনতা, ৰুচিবোধ, জীৱন আদৰ্শৰ অভাৱ আৰু অপৰাধ প্ৰৱণতা। ইয়াৰ ইন্ধন যোগাইছে সস্তীয়া চলচিত্ৰ আৰু দূৰদৰ্শনযোগে প্ৰচাৰিত বিভিন্ন যৌন আবেদনযুক্ত অনুষ্ঠানসমূহে। এই চলচিত্ৰৰ প্ৰভাৱে যুৱ সমাজৰ বৌদ্ধিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ব্যাপকভাৱে প্ৰভাৱ পেলাইছে। ব্যৱসায়ীক লাভালাভ আগত ৰাখি নিৰ্মাণ কৰা এই চলচিত্ৰই এচাম যুৱকক বিপথগামী, উশৃংখল আৰু নৈতিক পতন হোৱাত অৰিহণা যোগাইছে। ইয়াৰ ফলস্বৰূপে যুৱ সমাজত প্ৰভাৱ বিস্তাৰ কৰা হত্যা, লুণ্ঠন, যৌন অপৰাধ আদি বিষাক্ত ব্যাধিসমূহ গতানুগতিক হাৰত বৃদ্ধি পাব ধৰিছে।





বৰ্তমান সময়ৰ ভয়ংকৰ সমস্যাটো হ'ল বিলাসী জীৱনৰ মোহত আচ্ছন্ন হৈ যুৱ সমাজে সহজ উপায়েৰে ধন ঘটাত (সাধাৰণতে অসৎ) মনোনিবেশ কৰাটো। ইয়াৰ লগে লগে ৰাজনৈতিক মুনাফা আদায়ৰ বাবে জনবিৰোধী চৰকাৰসমূহে প্ৰায় সকলো ঠাইতে মদৰ দোকানৰ আবণ্টন দিয়াটো। বৰ্তমান সময়ত চৰকাৰসমূহে বিভিন্ন আইন বলবৎ কৰি সমাজৰ পৰা ক্ৰমান্বয়ে মদ তথা অন্যান্য ৰাগীয়াল দ্ৰব্যসমূহ লোপ কৰাৰ বাবে চেষ্টা কৰিব লাগিছিল। কিন্তু, কি হৈছে? সকলোৱে এবাৰ ভাবকচোন আৰু লগতে সকলোকে ইয়াৰ বিৰুদ্ধে মাত মাতিবলৈ আহ্বান জনালোঁ।

আজিৰ যুৱ সমাজত অধ্যয়নপুষ্ট মন, সবল যুক্তিবাদ লোপ পাইছে। কৰ্মবিমুখিতা যুৱ সমাজৰ প্ৰধান শত্ৰু। পৰীক্ষাগৃহত, ব্যৱসায়-বাণিজ্য আদিত অসৎ উপায়েৰে জয়লাভৰ প্ৰচেষ্টাত ব্ৰতী হৈছে। আজি প্ৰত্যেকজন যুৱক-যুৱতীৰ মনত হাহাকাৰ কৰা ধুমুহাটো হ'ল নিয়োগৰ অনিশ্চয়তা। অতি দুখৰ কথা যে, যুৱ সমাজৰ মাজত নিয়োগৰ নামত ঠেক আঞ্চলিকতাবাদে গা কৰি উঠিছে। এই ব্যাধিয়ে শিক্ষানুষ্ঠান বিলাকতো গা কৰি উঠিছে। যাৰ ফলত বহুতো অনুপযুক্ত লোক শিক্ষকৰ আসনত বহিছে আৰু শিক্ষাৰ মানদণ্ড ঋণাত্মক ফালেদি ধাৱমান হ'ব ধৰিছে।

যুৱ সমাজৰ সন্মুখত বৰ্তমান দেখা দিয়া সমস্যাসমূহ আঞ্চলিকতাবাদৰ নামত সংকীৰ্ণতা, স্বাৰ্থৰ সংঘাত, ৰাজনৈতিক মতবাদৰ সংঘাত, কেন্দ্ৰীয় অবহেলাৰ ফলস্বৰূপে গঢ়লৈ উঠা সন্ত্ৰাসবাদ। বৰ্তমান অসমত গঢ়ি উঠা মুক্তিকামী সহস্ৰ আন্দোলনৰ মূল ভেটি হ'ল ৰাজনৈতিক আৰু অৰ্থনৈতিক বৈষম্য। অসম প্ৰাকৃতিক সম্পদত চহকী হৈয়ো দেশৰ ভিতৰত দুখীয়া। ইয়াৰ লগে লগে অসমৰ থলুৱা মানুহৰ সন্মুখত দেখা দিয়া বিদেশী সমস্যা আৰু ইয়াৰ পৰিণতিত উদ্ভৱ হোৱা গোষ্ঠীগত সংঘৰ্ষ, ভাতৃঘাতী সংঘৰ্ষ আদি বিভিন্ন সমস্যাসমূহৰ নিৰাময়ৰ বাবে আগভাগ ল'ব লাগিব বৰ্তমানৰ যুৱ সমাজে। বৰ্তমান সমাজত দেখা দিয়া অৰ্থনৈতিক বৈষম্য দূৰ কৰি ধনী, দুখীয়া, কৃষক, শ্ৰমিক আদি সকলোৰে সম অধিকাৰ প্ৰতিষ্ঠিত কৰিব লাগিব যুৱ সমাজে। শেষত বৃহত্তৰ অসমীয়া যুৱ সমাজক ক্ষুদ্ৰস্বাৰ্থ, সংকীৰ্ণ মতবাদ ত্যাগ কৰি উমৈহতীয়া আন্তৰিকতাৰে ঐক্যবদ্ধভাৱে সাহসিকতাৰে সমাজৰ দুৰ্বৃত্তবিলাকক মচিমূৰ কৰি "বৰ অসম", "সোণৰ অসম" গঢ়াত ব্ৰতী হ'বলৈ আহ্বান জনালোঁ। নহ'লে অনাগত দিনবোৰত অসমীয়া জাতিটোৰ অস্তিত্বই নোহোৱা হৈ যাব ❒

"কালিৰ ভাৰতবৰ্ষ, কালিৰ অসম, আজিৰ শিক্ষকসকলৰ হাতত। আজিৰ পৰা এযুগৰ পিছত যিখন ভাৰত বা অসম পৃথিৱীৰ সমুখত থিয় হ'ব — সেই ভাৰতৰ, সেই অসমৰ প্ৰধান খনিকৰ আজিৰ শিক্ষকসকল।"
— জ্যোতিপ্ৰসাদ

"এতিয়া আমাৰ দেশত অসমীয়া, বামুণ, শূদিৰ, হৰিজন, সনাতন বোলা কথা নাই। এতিয়া সকলো ভাৰতমাতৃৰ সন্তান। সকলো মানুহ। মানুহ হিচাপে যি থাকিবলৈ চেষ্টা কৰে তেৰেঁই সৎ। মানুহহে বাছ-বিছাৰ, জাতি-অজাতি, সৰু-বৰ আদি কথাবোৰত লাগি থাকিলে আমি সমূহীয়া উন্নতি কৰিব নোৱাৰিম। আমাৰ ধৰ্ম্ম হ'ব সেৱা আৰু কৰ্ম। সেৱা আৰু কৰ্ম কৰিবলৈ লাগিব চৰিত্ৰ, একাগ্ৰতা আৰু সততা।"
— গোপীনাথ বৰদলৈ

# সনাতন ধৰ্মত সমন্বয়

❑ ড° অমল ভৌমিক
মুৰব্বী অধ্যাপক, বাংলা বিভাগ

ভাৰতত আত্মাৰ মুক্ত বাণী ইয়াৰ আধ্যাত্মবাদী চিন্তাধাৰা। আত্মাৰ মুক্তি মাত্ৰ নহয়, সমগ্ৰ মানৱ জাতিৰ কল্যাণ কামনা, সকলোৰে লগত একাত্মবোধ ভাৰতীয় আধ্যাত্ম সাধনাৰ মূল কথা। প্ৰাচীনকালৰ যুগৰ পৰা আৰম্ভ কৰি নব্য আধুনিক যুগৰ মহাত্মা সকলোৰ জীৱন দৰ্শনৰ মাজেদি সৰ্ব কল্যাণময় সমন্বয় বোধৰ অক্ষয় ধাৰা প্ৰবাহিত হৈ আহিছে। এই সনাতন ধাৰা বিভিন্ন মহাপুৰুষৰ দ্বাৰা উপলব্ধিত বিভিন্নভাৱে প্ৰবাহিত হৈছে। এই সুবিস্তৃত আধ্যাত্মিকতাৰ সাধনাৰ ইতিহাস ৰচনা কৰা, যিকোনো জাতিৰ ক্ষেত্ৰত দুৰূহ কাম।

উপনিষদ, গীতা আৰু বেদান্ত 'প্ৰস্থানত্ৰয়ীক' সনাতন ধৰ্মৰ 'তত্ত্ব' স্বৰূপে বিবেচনা কৰা হৈছে অনাদিমান কালৰ পৰা। এই তিনিটা গ্ৰন্থ তথা লক্ষ্য কৰি সংসাৰ সমুদ্ৰ যাত্ৰীসকলে যাত্ৰা কৰে মোক্ষধামৰ উদ্দেশ্যে। যেন শাশ্বত, নিত্য, হিন্দুধৰ্ম বেদমূলক, এই ধৰ্মৰ নাম 'বৈদিক ধৰ্ম' বা 'সনাতন ধৰ্ম'। 'হিন্দু' নাম বিদেশী সকলৰ দ্বাৰা প্ৰচলিত। সনাতন ধৰ্মত মানুহৰ সাধ্য-সাধনাৰ বিষয়ে ঋষিসকলে বিভিন্ন মত আৰু বিভিন্ন শাস্ত্ৰৰ সৃষ্টি কৰিছিল। যেনে অৰ্থ ঋষিসকলে বিভিন্নভাৱে ব্যাখ্যা কৰা দেখা যায়। তিনি হেজাৰ বছৰ আগতে পৰাই শ্ৰীমদ্ভাগবদ্গীতাত আপাততঃ বিৰোধী বিভিন্ন সাধন মাৰ্গৰ বিষয়ে আলোচনা হৈছিল। সনাতন ধৰ্মৰ বিভিন্ন অংগবিলাকৰ স্বৰূপ নিৰ্ধাৰণ কৰি, শ্ৰীকৃষ্ণৰ বিভিন্ন অংগবিলাক একেলগে সমাবেশ কৰি উক্ত অংগবিলাকৰ মাজত সমন্বয় সাধন কৰিছিল। সনাতন ধৰ্মৰ বিবৰ্তনৰ ঐতিহাসিক পৰম্পৰা, গীতা প্ৰচাৰৰ সময়ত প্ৰচলিত বিভিন্ন মতবাদৰ মাজত প্ৰকাশ হোৱা দেখা যায়। বৈদিক যুগ কৰ্মপ্ৰধান স্বৰূপ, ঔপনিষদিক যুগ আৰু পৌৰাণিক যুগ যথাক্ৰমে জ্ঞানপ্ৰধান আৰু ভক্তিপ্ৰধান স্বৰূপ; সনাতন ধৰ্মী সকলৰ ধৰ্মজীৱন আৰু কৰ্মজীৱনৰ মুখ্য নিয়ামক হ'ল 'ধৰ্ম'। ভক্তি মাৰ্গ প্ৰচাৰৰ সময়ত বিভিন্ন ধৰ্ম শাস্ত্ৰবিলাক ভাগৱত ধৰ্মৰ অনুকূলে পৰিবৰ্তিত হৈছিল; এনেকৈ সনাতন ধৰ্মক যুগোপযোগী পৰিবৰ্তন সাধন কৰি সমাজ আৰু ধৰ্মক গতিশীল কৰি ৰাখিছিল। পৰিবৰ্তনশীলতাই সনাতন ধৰ্মৰ প্ৰাণ। সামাজিক আচাৰ-ব্যৱহাৰৰ পৰিবৰ্তন আৰু যুগধৰ্মাদিৰ প্ৰবৰ্তনৰ কাৰণে ধৰ্মশাস্ত্ৰসমূহৰ এনেকুৱা পৰিবৰ্তন আধুনিক কালতো সংঘটিত হৈ আহিছে। মধ্য যুগত বঙ্গদেশত ধৰ্মক্ষেত্ৰত স্মাৰ্ত্ত প্ৰবৰ ৰঘুনন্দনৰ "স্মৃতি-সংগ্ৰহ" আৰু বৈষ্ণৱাচাৰ্য্য সকলৰ 'বৈষ্ণৱ স্মৃতিৰ' সমন্বয় স্মৰণীয়। অসমত ধৰ্মাচৰণৰ ক্ষেত্ৰতো তৎকালীন যুগপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীচৈতন্য মহাপ্ৰভু, নানক, কবীৰ প্ৰভৃতি মহাপুৰুষসকলে সৰ্বপ্ৰকাৰ ভেদা-ভেদ মুক্ত সমাজ গঢ়াৰ সংকল্পৰে সমন্বয়ৰ সেতু বান্ধোনত উদ্যোগী হৈছিল।

ভক্ত আৰু ভাবুকৰ দৃষ্টিত পৌৰাণিক ধৰ্মগ্ৰন্থসমূহৰ পৰ্যালোচনাৰ পৰা দেখা যায়, ধৰ্ম সমন্বয়ৰ প্ৰধান উদ্যোক্তা আছিল ভগৱান শ্ৰীকৃষ্ণ। তেওঁৰ সমন্বয়মূলক কামৰ ভিতৰত তিনিটা প্ৰধান; বৈদিক কৰ্ম মাৰ্গৰ লগত বৈদান্তিক জ্ঞানবাদৰ সমন্বয়; মীমাংসা, সাংখ্য সৃষ্টি আৰু হিন্দু ধৰ্মক উদ্ধাৰ, সাৰ্বজনীন ভাগৱত ধৰ্মৰূপে প্ৰতিষ্ঠা কৰা। সনাতন ধৰ্মত বহু দেৱ-দেৱীৰ প্ৰসংগ থাকিলেও ঈশ্বৰ এক আৰু অদ্বিতীয়। অদ্বৈত ঈশ্বৰত বিশ্বাসী মানুহেই প্ৰকৃত ভক্ত আৰু সৰ্বতোপ্ৰকাৰ ভেদাভেদ মুক্ত। প্ৰকৃত ধৰ্মজ্ঞ। স্কন্দোপনিষদত আছে—

যথা শিৱময়ো বিষ্ণুৰেবং বিষ্ণুময়ঃ শিৱঃ
যথান্তৰং ন পশ্যামি তথা মে স্বস্তিৰায়ুষি ॥

"বিষ্ণু আৰু শিৱ দুয়ো বিষ্ণুময়। মংগলময় মোৰ জীৱনত মই যেন কেতিয়াও ভেদ দৰ্শন নকৰোঁ।" গতিকে উপনিষদ, ভাগৱতপুৰাণ বা দেৱী ভাগৱতৰ সকলোতেই মূলতত্ত্ব এক। এই মূলতত্ত্বৰ অনুভৱেই অন্তৰংগ ধৰ্মানুভৱ। ইয়াৰ অন্যথায় 'ভেদ-দৰ্শন', যি বহিৰংগ ধৰ্মানুভৱৰ মুখ্য বিষয়। ভেদ-দৰ্শন যেনেকৈ সকলো অমংগলৰ উৎস যদিও, এই অভেদৰ মাজত ঐক্য গঢ়ি তোলাই দেশহিতৰ সাধনা। এই কামত সহায় কৰিব পাৰে একমাত্ৰ ধৰ্মই। আচাৰমূলক বাহ্যিক ধৰ্মানুষ্ঠান বা ধৰ্মোৎসৱ, যেনে - বিভিন্ন দেৱ-দেৱীৰ পূজা উপলক্ষে উৎসৱ, বিভিন্ন মহাপুৰুষৰ জন্মোৎসৱ, যাগ-যজ্ঞাদি প্ৰভৃতি কৰ্মানুষ্ঠান আৰু মেলাত বিভিন্ন সমাৱেশ হৈ থাকে তাৰ যাই উদ্দেশ্য বিভিন্ন ধৰণৰ আনন্দ অনুভৱ





কৰা। বিভিন্ন ধৰণৰ উৎসৱৰ মাজেদি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিভিন্ন মানুহ একত্ৰিত হৈ উদাৰ আনন্দ অনুভৱ কৰে। বৰ্তমানে উক্ত উৎসৱবিলাক সাংস্কৃতিক উৎসৱ বুলি পৰিগণিত হৈছে। এই উৎসৱৰ মূল উদ্দেশ্য — সহিষ্ণুতাৰে ঐক্যবদ্ধ হৈ মিলনানন্দ অনুভৱ কৰা। হিন্দু ধৰ্মোৎসৱৰ বিভিন্ন বৈশিষ্ট্যৰ মাজত যেইটো মান বিশেষ বৈশিষ্ট্য হ'ল :- উদাৰতা, কৰ্মত নিষ্কামতা, সৰ্বভূতত ভগৱদ্ভাৱ, উপাস্য-জীৱ সেৱা, সাধনাত্মা অনুশীলন আৰু ভগৱৎশৰণাগতি অৰ্থাৎ ভগৱানত চিত্ত সংযোগ প্ৰভৃতি। উক্ত সকলো বৈশিষ্ট্য শ্ৰীকৃষ্ণৰ ৰাসলীলা উৎসৱত যেনেকৈ প্ৰস্ফুটিত হৈছে, এনেকৈ আৰু কোনো উৎসৱত প্ৰস্ফুটিত হোৱা দেখা নেযায়। নৰলীলাই শ্ৰীকৃষ্ণৰ, মৰ্ত্যভূমিত সৰ্বশ্ৰেষ্ঠ লীলা আৰু মৰ্ত্যলীলাৰ শ্ৰেষ্ঠ লীলা হ'ল 'ৰাসলীলা'। শ্ৰীকৃষ্ণ জীৱনৰ প্ৰধান লীলা, ৰাসলীলাত ভক্ত আৰু ভগৱানৰ ঐকান্তিক মিলনৰ আকাংক্ষাৰ বিষয়ে সুন্দৰভাৱে ব্যক্ত কৰা হৈছে। অন্তৰংগ ধৰ্মানুভৱ তত্ত্ব হৃদয়ত জাগ্ৰত হ'লে, বাহ্যিক আচাৰমূলক বহিৰংগ ধৰ্মানুভৱ যেনেকৈ গৌণ হৈ পৰে ৰাসক্ৰীড়া উপলক্ষে গোপীসকলৰ কায়-কাৰ্যত ধৰা পৰিছে।

হিন্দুধৰ্মৰ উদাৰতাৰ অৰ্থ হ'ল, কোনো বিশেষ সম্প্ৰদায়ৰ বিশেষ সাম্প্ৰদায়িক চিন্তাধাৰা আৰু সাধন প্ৰণালীৰ উদাৰতা। শ্ৰীকৃষ্ণই কৈছে— মানুহে যি পথেই অৱলম্বন নকৰক কিয় সকলো পথৰ শেষত মইহে। সকলো ধৰ্ম আৰু মাৰ্গত আত্মস্বৰূপ মোকেই পোৱা যায়। কিয়নো মূলতত্ত্ব একমাত্ৰ মইহে। নিৰাকাৰবাদী, সাকাৰবাদী, বৈষ্ণৱ, শাক্ত, হিন্দু, অহিন্দু বিভিন্ন ধৰ্ম-বৰ্ণ আৰু জাতি নিৰ্বিশেষে ভক্তৰূপী গোপীসকলে আত্ম-তত্ত্বস্বৰূপ মোকেই অনুসৰণকাৰী। শৰৎ কালৰ প্ৰস্ফুটিত মল্লিকা কুসুম শোভিত প্ৰকৃতিৰ অনুকূল পৰিবেশত নিশুক গভীৰ ৰজনীত, উন্মুক্ত প্ৰান্তৰত গোপীসকলে তেওঁলোকৰ জন্ম জন্মান্তৰৰ আকাংক্ষাৰ ধন, প্ৰেমিক শ্ৰীকৃষ্ণক ওচৰত পাইছিল। গোপীসকলৰ এই কামৰ মাজেদি তেওঁলোকৰ নিষ্কাম কৰ্ম প্ৰৱণতাৰ ভাব ফুটি উঠিছে। যি কৰ্ম শিক্ষা আৰু কৰ্মপ্ৰেৰণা গোপীসকলৰ মাজত লক্ষ্য কৰা যায়, সেইটো সনাতন ধৰ্মৰ এটা বিশেষ বৈশিষ্ট্য। কৰ্মযোগৰ মূলতে থাকে নিৰাভিমানিতা, 'অহং' ত্যাগ যাৰ মাধ্যমে ভক্ত হৃদয়ত সচ্চিদানন্দ প্ৰতিষ্ঠিত হয়। যজ্ঞী, ঈশ্বৰ, মানুহ সকলো এক। মানুহে চেষ্টা কৰিলে অনাসক্ত বুদ্ধিত কৰ্ম কৰিব পাৰে। নিষ্কাম কৰ্ম, উচ্চতৰৰ কৰ্ম, ঐশ্বৰীয় ভাবযুক্ত। এনেকুৱা ঐশ্বৰীক ভাবযুক্ত, উচ্চতৰৰ অনাসক্ত, নিষ্কাম কৰ্ম কৰিবলৈ হ'লে মানুহৰ ঐশ্বৰীক প্ৰকৃতি অৰ্জন কৰিব লাগে। সিটো হিন্দুধৰ্মাশ্ৰিত আধ্যাত্ম ভাৱৰ শেষ কথা। গোপীসকলে আছিল জন্ম জন্মান্তৰ ধৰি শ্ৰীকৃষ্ণ সাধিকা। একমাত্ৰ পৰমপুৰুষ কৃষ্ণ তেওঁলোকৰ জীৱনৰ ধ্যান, জ্ঞান সকলো। কৃষ্ণ প্ৰীতি তেওঁলোকে জীৱনত অৰ্জন কৰিব পাৰিছিল, জন্ম-জন্মান্তৰৰ অক্লান্ত চেষ্টা আৰু সাধনাৰ মাজেদি।

পৰাভক্তিময়ী গোপীসকলৰ সৰ্বভূতত সমত্ব বুদ্ধি হৈছিল। ব্ৰহ্ম সম্বন্ধে উপলব্ধি হ'লেহি ব্ৰহ্মজ্ঞান লাভ হয়। যি সৰ্ববৃহৎ আৰু সৰ্বব্যাপী তেৱেঁই ব্ৰহ্ম। ব্ৰহ্ম অক্ষয় নিত্য বস্তু। প্ৰজ্ঞাজ্ঞানীৰ চেতনাই দেখাকে। বিভিন্ন ভাৱৰ মাজতো একত্বৰ দৰ্শন হয়। অক্ষয় নিত্য বস্তুৰ লগত মিলিত হ'বৰ উদ্দেশ্যে গোপীসকলে ঘৰ-সংসাৰ এৰি ৰাসস্থলীত উপস্থিত হৈছিল; তেওঁলোকে অনুভৱ কৰিছিল পৰম পুৰুষ শ্ৰীকৃষ্ণ তেওঁলোকৰ দেহ-মন-প্ৰাণত একমাত্ৰ ঈশ্বৰ, অন্তৰ্যামী স্বামী। এই বিশ্বব্ৰহ্মাণ্ডত তেৱেঁই একমাত্ৰ পৰম ধৰ্ম, তেওঁৰ চিন্তাই পৰম কৰ্ম, বাকী সকলো সংসাৰ ধৰ্ম অসাৰ আৰু অনিত্য।

প্ৰকৃতি বা মায়াৰ কাৰাগাৰস্বৰূপ সংসাৰত অৱস্থান কৰিও গোপীসকলে ভগৱানত চিত্ত সংযোগ কৰিব পাৰিছিল, যাৰ মাধ্যমে তেওঁলোকে ভগৱৎ কৰ্ম আৰু স্বধৰ্ম পালন কৰিছিল। এনেকুৱা উপাসনাই হ'ল ভক্তি মাৰ্গৰ প্ৰাণ। চৰম 'তত্ত্বমস্যি' অনুভৱ কৰাৰ শ্ৰেষ্ঠ উপায়। সংসাৰ ধৰ্ম সুচাৰুৰূপে প্ৰতিপালনৰ মাজেদি গোপীসকলে পৰম সত্যৰ সন্ধান পাইছিল। গোপীসকলৰ এই মানসিক অৱস্থা কেৱল আত্যন্তিক দুঃখ নিবৃত্তিয়ে নাছিল, এয়া আছিল আত্যন্তিক সুখানুভৱৰো অৱস্থা। সংসাৰত থাকিও গোপীসকলে সৰ্বদা কৃষ্ণপ্ৰেমত বিভোৰ হৈ পৰিছিল।

গোপীসকলে একমাত্ৰ কৃষ্ণৰ শৰণতে সৰ্ব পাপৰ পৰা মুক্ত হ'ব পাৰিছিল। ভক্তিমতী গোপীসকলে ভগৱৎ কৃপাতেই পৰম জ্ঞান লাভ কৰি, বিশুদ্ধ প্ৰেম লাভ কৰিছিল। এই প্ৰেমভক্তি হ'ল 'ব্ৰজভাব'। ভক্তিশাস্ত্ৰৰ অধিকাংশ ভাব, পৰমাত্মাৰ লগত জীৱাত্মাৰ মিলন। কিন্তু চৈতন্যৰ লগত অনুচৈতন্যৰ সংযোগ। গোপীসকলৰ এই সাধনাৰ মূলমন্ত্ৰ হ'ল ত্যাগ। হিন্দুধৰ্ম - সাধন তত্ত্বৰ মূল কথা ত্যাগ, কামনা-বাসনা অৰ্থাৎ কৰ্মফল ত্যাগ। জ্ঞান-ভক্তি-যোগ-কৰ্ম-গোপীসকলৰ সকলো ধৰ্ম ত্যাগৰ মনোভাৱৰ দ্বাৰা পৰিতৃপ্ত হৈছিল আৰু ইয়াৰ ফলশ্ৰুতি হিচাবে তেওঁলোকে কৃষ্ণপ্ৰেম, কৃষ্ণসেৱা লাভ কৰিব পাৰিছিল।

গতিকে দেখা যায়, গোপী সকলোৰ ৰাসক্ৰীড়াত সনাতন ধৰ্মৰ প্ৰধান বৈশিষ্ট্যবোৰ যথাযথভাৱে প্ৰস্ফুটিত হৈছে। যাৰ মাজেদি পূৰ্বাংগ মানুহৰ সকলো ধৰ্ম-কৰ্মৰ 'সমন্বয় ভাব' লক্ষ্য কৰা যায়।

পৌৰাণিক গোপীকৃষ্ণৰ এই ৰাসলীলা স্মৰণ, অৰ্চন আৰু মননৰ কাৰণে ভক্তসকলে মূৰ্তি গঢ়ি যুগে যুগে পূজাৰ্চনা কৰি আহিছে। এই ৰাসলীলা বা গোপীকৃষ্ণৰ পূজা আজি সাংস্কৃতিক উৎসৱত পৰিণত হৈছে; যি উৎসৱৰ প্ৰধান আকৰ্ষণ, জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে সকলো মানুহৰ মিলন। সকলো চিন্তাধাৰাৰ মাজত সমন্বয় স্থাপন। হেজাৰ বছৰ আগতেই ভাৰতবৰ্ষৰ দূৰদৰ্শী ঋষিসকলে এই সমন্বয় ভাৱৰ পৃষ্ঠপোষকতা কৰিছিল। ঊনবিংশ শতিকাৰ শেষ ভাগত আমেৰিকাৰ চিকাগো চহৰত "বিশ্বধৰ্ম সন্মিলন"ত স্বামী বিবেকানন্দই তেওঁৰ গুৰুদেৱৰ নিৰ্দেশ মৰ্মে 'সৰ্বধৰ্ম' সমন্বয়ৰ বিষয়ে মাত মাতিছিল উদাত্ত কণ্ঠে। আৰু এই শতিকাৰ শেষ ভাগতো পুনঃ 'বিশ্বধৰ্ম-সন্মেলন' মঞ্চ প্ৰতিধ্বনিত হ'ল পবিত্ৰ ভাৰতভূমিত খৃষ্টান ধৰ্মগুৰু দ্বিতীয় পোপ জনপলৰ কণ্ঠত। ই পৰিপূৰ্ণ আশ্বাসৰ বাণী, শান্তি-সম্প্ৰীতিৰ বাণী, বিশ্বজনতা, বিশ্ব শান্তি প্ৰতিষ্ঠাৰ বাণী। ৰাসলীলাৰ দৰে ধৰ্মীয় উৎসৱবিলাকৰ, এই সমন্বয় ভাৱ স্থাপনত যথেষ্ট অৱিহণা আছে। আগত নতুন শতিকালৈ এই উৎসৱবিলাকে সমন্বয় আৰু মিলনৰ বাণী বেছিকৈ কঢ়িয়াই আনক এই আশাৰে প্ৰবন্ধ সামৰিলোঁ। ❑

# যুদ্ধবন্দী, মানৱাধিকাৰ আৰু জেনিভা কন্‌ভেন্‌শন্

❒ মেহ্বেৰ আলী আহমেদ
কাৰ্যালয় সহায়ক

যুদ্ধ সদায় ভয়ানক। যুদ্ধক্ষেত্ৰত এখন দেশৰ সৈনিকে আন এখন দেশৰ সৈনিকক দেখা মাত্ৰই গুলীয়াই নিহত কৰে। তেনে অৱস্থাত যদি কোনোবা সৈনিক যুদ্ধৰত অৱস্থাত বন্দী হয়, তেন্তে সেই সৈনিকসকলৰ অৱস্থা কেনেকুৱা হ'ব পাৰে তাক বৰ্ণনা কৰাটো বৰ কঠিন। যুদ্ধকালিন অৱস্থাত সৈনিকসকলৰ লগতে দেশৰ সাধাৰণ নাগৰিকৰ মানৱতাৰ কথা চিন্তা কৰিলে সকলো সচেতন নাগৰিকৰ মনত আঘাত লগাটো নিশ্চিত। যুদ্ধৰ ভয়াবহতাই আমাৰ দেহ শিহৰিত কৰি তোলে। যুদ্ধৰ এই ভয়াবহতাৰ কথা চিন্তা কৰি আন্তৰ্জাতিক মানব অধিকাৰ সংগঠনসমুহে যুদ্ধ বন্দীসকলৰ মানৱাধিকাৰৰ বিষয়ে চিন্তা-চৰ্চা আৰম্ভ কৰে। ১৮৫৯ চনত জেনিভাৰ এজন সম্ভ্ৰান্ত বণিক হেনৰি ডুনাণ্টয়ে ইউৰোপৰ এখন যুদ্ধ প্ৰত্যক্ষ কৰি তেওঁৰ অবিস্মৰণীয় ''A memory of Solferino'' নামৰ গ্ৰন্থত প্ৰকৃত যুদ্ধৰ ভয়াবহতাৰ পৰিবেশত যুদ্ধত আহত আৰু বন্দীসকলক কিদৰে চিকিৎসা কৰিব পৰা যায় তাক লিপিবদ্ধ কৰি থৈ যায়। আন্তৰ্জাতিক ৰেডক্ৰচ স্থাপনৰ জৰিয়তে তেওঁৰ স্বপ্ন বাস্তবায়িত হয় আৰু আইন সুৰক্ষা ৰচিত হয়। আন্তৰ্জাতিক মানৱতাবাদী আইন বস্তুতঃ আন্তৰ্জাতিক আইনৰ আটাইতকৈ পুৰণি শাখা। আন্তৰ্জাতিক মানৱিক আইন বহুদিন পূৰ্বেই দুই ভাগত বিভক্ত। প্ৰথমটো হ'ল দি হেগত গৃহীত আইন (১৮৯৯) যি সম্পূৰ্ণৰূপে যুদ্ধৰত বা যুদ্ধত লিপ্ত দেশবিলাকৰ অধিকাৰ আৰু কৰ্তব্য নিৰ্দেশক। দ্বিতীয়টো হ'ল জেনিভা কন্‌ভেন্‌শন্ বা চনদগুচ্ছ। ১৮৬৪ চনত প্ৰথম জেনিভা কন্‌ভেন্‌শনত যুদ্ধত আহত সৈনিকৰ প্ৰতি ব্যৱহাৰৰ নিয়মাৱলী প্ৰণয়ন কৰা হয়। ১৯০৬ চনত দ্বিতীয় কন্‌ভেন্‌শনত নিয়মবিলাক দৃঢ় আৰু সু-সংঘবদ্ধ কৰাৰ চেষ্টা কৰা হয়। কিন্তু ১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধৰ সময়ত ইয়াৰ সীমাবদ্ধতা বাহিৰ হৈ যায়। কেৱল যুদ্ধৰত দেশবিলাক—বিবিলাক দেশে নিয়মাৱলীত স্বাক্ষৰ কৰিছিল তেওঁলোকেহে ইয়াক মানিবলৈ বাধ্য হৈছিল।

কিন্তু যিবিলাক দেশে উক্ত নিয়মাৱলীত স্বাক্ষৰ কৰা নাছিল তেনে দেশত সমস্যাই দেখা দিছিল। গতিকে ১৯২৯ চনত তৃতীয় কন্‌ভেন্‌শনত নিয়মবিলাক অধিক দৃঢ় আৰু বিস্তাৰ কৰি যিবিলাক দেশে স্বাক্ষৰ কৰা নাছিল তেনে দেশকো ইয়াৰ অধীনত অনা হৈছিল। জেনিভা কন্‌ভেন্‌শনৰ অনুচ্ছেদ ১ আৰু ৫ আহত আৰু অসুস্থ সৈনিকৰ যথোপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে নিহতৰ লগত পদমৰ্যাদা অনুযায়ী ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰা হয়। প্ৰথম বিশ্বযুদ্ধৰ সময়ত যুদ্ধবন্দীসকলৰ প্ৰতি চৰম অন্যায় আৰু অত্যাচাৰ কৰাৰ কাৰণেই ১৯২৯ চনৰ কন্‌ভেন্‌শনত ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰা হয়। তথাপিও দ্বিতীয় বিশ্বযুদ্ধত যুদ্ধ বন্দীসকলৰ প্ৰতি জাৰ্মানীৰ অমানৱিক অত্যাচাৰ, সাধাৰণ নাগৰিকক ধৰি আনি গণ হত্যা কৰা, শিশু, মহিলা, বৃদ্ধ আৰু অসুস্থসকলৰ প্ৰতি চৰম অত্যাচাৰ আৰু পোলেণ্ডৰ কাষ্টিন বনাঞ্চলত ১৫ হেজাৰ সৈনিক যুদ্ধবন্দীক হত্যা কৰি গণ কবৰ দিয়া আদিক ৰোধ কৰিবলৈ সক্ষম নহ'ল। সেয়ে ১৯৪৯ চনৰ ১২ আগষ্টত চতুৰ্থ জেনিভা কন্‌ভেন্‌শনত এই সকলোবোৰ অসংগতি দূৰ কৰি অন্যায়, অবিচাৰ, অত্যাচাৰ ৰোধৰ ব্যাপক নিয়মাৱলী গৃহীত হয়। জেনিভা কন্‌ভেন্‌শন্ সম্প্ৰসাৰিত হোৱাৰ চাৰিটা বিষয়ৰ ওপৰত স্বতন্ত্ৰভাৱে চাৰিটা চনদ গ্ৰহণ কৰা হয়। প্ৰথম চনদত যুদ্ধক্ষেত্ৰত আহত আৰু অসুস্থ সৈনিকৰ প্ৰতি কৰ্তব্য সম্পৰ্কিত। দ্বিতীয় অনুচ্ছেদত কোৱা হৈছে — ঘোষিত আৰু অঘোষিত যুদ্ধত আৰু সীমাবদ্ধ সংঘৰ্ষত ব্যস্ত যুদ্ধ বন্দীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। আনকি জনসাধাৰণৰ ক্ষেত্ৰতো ই প্ৰযোজ্য হ'ব। সমুদ্ৰত ডুবন্ত বা বিধ্বস্ত যুদ্ধ জাহাজত অৱস্থানৰত আহত আৰু অসুস্থ নৌ সেনাসকলৰ প্ৰতি কৰ্তব্য সংক্ৰান্তীয়। তৃতীয় অনুচ্ছেদত যুদ্ধবন্দী বিষয়ে বিস্তাৰিত (৫ টা পৰিশিষ্টসহ ১৪৪৩ টা অনুচ্ছেদ) মানৱিক বিধি নিৰ্দেশৰ ওপৰত আলোকপাত কৰা হৈছে। চতুৰ্থ অনুচ্ছেদত কোৱা হৈছে যে শত্ৰু ৰাষ্ট্ৰই বিজিত ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ স্বীকৃতি নিদিলেও তাৰ





সেনাবাহিনী আৰু জনসাধাৰণৰ প্ৰতি যত্ন, আশ্ৰয়, শুশ্ৰূষা আদি নিয়মাৱলী পালনীয় হ'ব। ৫ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে ''Wounded or sick combatants to what-ever nation they belong, shall be collected and cared for''। সপ্তম অনুচ্ছেদত কোৱা হৈছে যদি শত্ৰু ৰাষ্ট্ৰৰ যুদ্ধবন্দী বা সাধাৰণলোক অত্যাচাৰ আৰু অৱমাননাৰ পৰা উদ্ধাৰ হোৱাৰ বাবে বিজয়ী ৰাষ্ট্ৰৰ নাগৰিকত্ব লাভৰ ইচ্ছুক হয় তেন্তে ই গ্ৰাহ্য নহ'ব। যুদ্ধৰ অন্তত এক নিৰপেক্ষ দেশৰ প্ৰতিনিধি অথবা আন্তৰ্জাতিক ৰেডক্ৰচ আদিৰ জৰিয়তে বন্দীসকলৰ ইচ্ছামতে কোনো দেশৰ নাগৰিকত্ব লাভৰ সুযোগ দিয়া হ'ব। ১৯৫৩ চনত পানমুজনৰ চুক্তি অনুসৰি কোৰিয়া যুদ্ধৰ কিছু যুদ্ধবন্দীক তেওঁলোকৰ ইচ্ছামতে ভাৰত আৰু ব্ৰহ্মদেশৰ (বৰ্তমান ম্যানমাৰ) নাগৰিকত্ব দি বসবাস কৰাৰ সুযোগ দিয়া হৈছিল। ১৩, ১৪ আৰু ১৯ অনুচ্ছেদত কোৱা হৈছে ইমানদিনে যুদ্ধ বন্দীসকলৰ লগত পশুৰ নিচিনা ব্যৱহাৰ কৰা হৈছিল। ই অপৰাধযোগ্য আৰু ইয়াৰ কাৰণে অন্যায়কাৰী দেশৰ সামৰিক ব্যক্তিৰ বিশেষ আদালতত বিচাৰৰ ব্যৱস্থা কৰা হ'ব। যুদ্ধ বন্দীসকলৰ প্ৰতি মানৱিক ব্যৱহাৰ কৰিব লাগিব। প্ৰতিশোধৰ মনোবৃত্তি দূৰ কৰি সিহঁতৰ লগত নিজদেশৰ সৈন্য বাহিনীৰ পদমৰ্যাদা অনুযায়ী ব্যৱহাৰ কৰিব লাগিব। যদি বিজয়ী দেশক পশ্চাদাপসাৰণ কৰিব লাগে তেন্তে আহত, অসুস্থ সৈনিক যুদ্ধ বন্দীসকলৰ লগতে সাধাৰণ বন্দী নাগৰিকসকলকো যুদ্ধক্ষেত্ৰৰ পৰা নিৰাপদ স্থানত আঁতৰাই নিব লাগিব। আহত, অসুস্থসকলক এম্বুলেন্স বা উপযুক্ত যানত চিকিৎসকৰ লগত স্থানান্তৰিত কৰিব লাগিব।

যদি যুদ্ধ বন্দীৰ লগত কোনো চিকিৎসকৰ দল থাকে তেন্তে বিজয়ী দেশে যিকোনো কাৰণতে বন্দীসকলৰ চিকিৎসক আৰু তেওঁলোকৰ যন্ত্ৰপাতি নিজৰ সেনা বাহিনীৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰিব। সিহঁতৰ দ্বাৰা কেৱল যুদ্ধ বন্দীসকলৰহে চিকিৎসা কৰাব পাৰিব। অৱশ্যে চৰম অৱস্থাত বিজয়ী দেশৰ আহত সেনা বাহিনীক চিকিৎসা কৰাব লগা হ'লে তাৰ বাবদ উপযুক্ত পাৰিশ্ৰমিক আদায় দিব লাগিব। যুদ্ধ বন্দীৰ প্ৰতি বিবাদমান দেশবিলাকক কি ধৰণে আচৰণ কৰিব তাক স্পষ্টভাৱে ১৩ আৰু ১৪ অনুচ্ছেদত এনেদৰে দিয়া হৈছে। Article 13 :- Prisoners of war must at all time be humanely treated. Any unlawful act or omission by the Detaining power, causing death or seriously endangering the health of a prisoner of war in its custody is prohibited ...... In particular no prisoner of war may be subjected to physical mutilations. Article 14 :- Prisoners of war are entitled in all circumstances to respect for their persons and their honour ..........। অনুচ্ছেদ ১৬ ত উল্লেখ কৰা হৈছে বন্দীসকলৰ লগত ধৰ্ম, ভাষা, জাতি-বৰ্ণ নিৰ্বিশেষে সমান ব্যৱহাৰ কৰিব লাগিব। ১৭ অনুচ্ছেদত উল্লেখ কৰা হৈছে বন্দী হোৱাৰ পাছত জিজ্ঞাসাবাদৰ সময়ত বন্দীসকল কেৱল তেওঁলোকৰ নাম, বয়স, জন্ম তাৰিখ, ইউনিটৰ নাম আৰু ক্ৰমিক নম্বৰৰ বাহিৰে অন্য কথা ক'বলৈ বাধ্য নহয়। বন্দীসকলৰ পৰা জোৰ-জুলুম কৰি কোনো স্বীকাৰোক্তি আদায় কৰিব পৰা নচলিব। ১৮ অনুচ্ছেদত বন্দীসকলে তেওঁলোকৰ দৈনন্দিন ব্যৱহাৰৰ বয়বস্তু নিজৰ ওচৰত ৰাখিব আৰু অন্যান্য বয়বস্তু নিৰাপদ স্থানত ৰাখিব। মুক্তি পোৱাৰ সময়ত উক্ত বয়বস্তুবোৰ বন্দীসকলে ঘূৰাই পাব। যুদ্ধ বন্দীসকল মৰিলে তেওঁলোকৰ বয়বস্তুবোৰ পৰিয়ালে ঘূৰাই পাব। ১৯ অনুচ্ছেদত উল্লেখ কৰা হৈছে যে যুদ্ধ বন্দীসকলক যুদ্ধক্ষেত্ৰৰ পৰা আঁতৰাই স্বাস্থ্যকৰ ঠাইত ৰাখিব লাগিব। উক্ত স্থানত ধৰ্মীয় তথা সকলো ধৰণৰ স্বাধীনতা দিব লাগিব। সামৰিক বিষয়াসকলক কোনো শাৰীৰিক কামত নিয়োজিত কৰিব নোৱাৰিব। নিৰাপত্তাৰ খাতিৰত তেনেকুৱা কৰিলে পদমৰ্যাদা অনুসৰি উপযুক্ত পাৰিশ্ৰমিক দিব লাগিব। বন্দী শিবিৰৰ পৰা পলাই যাবলৈও সম্পূৰ্ণ অধিকাৰ বন্দীসকলৰ থাকিব। যদি পলায়নৰ সময়ত ধৰা পৰে তেন্তে শত্ৰুপক্ষই প্ৰথমতে ৰ'ব ক'ব লাগিব। নৰ'লে শূন্যলৈ গুলি কৰি ভয় খুৱাব পাৰিব। তথাপিও নৰ'লে শৰীৰৰ নিম্ন অংশত গুলীয়াব পাৰিব। আহত হ'লে পূৰ্ণ চিকিৎসা আৰু অপাৰেচন কৰি সুস্থ কৰাৰ পাছতহে জিজ্ঞাসাবাদ কৰি স্বীকাৰোক্তিৰ ভিত্তিত ব্যৱস্থা ল'ব পাৰিব। যুদ্ধৰ সময়ত মানৱিক বিধি নিৰ্দেশবিলাক মান্য কৰা হৈছে, নে নাই তাৰ তদাৰক কৰাৰ অধিকাৰ কোনো আন্তৰ্জাতিক ৰেডক্ৰচ সমিতিৰ ওপৰত থাকিব। আনকি প্ৰয়োজন সাপেক্ষে হস্তক্ষেপ কৰাৰ অধিকাৰো তেনে সংগঠনৰ থাকিব। কিন্তু বহু যুদ্ধক্ষেত্ৰত ৰেডক্ৰচ সমিতিয়ে ইয়াৰ পৰা আঁতৰি থকা দেখা যায়। বহু যুদ্ধত মহিলাক দলবদ্ধ ধৰ্ষণ কৰাৰ বাতৰিও পোৱা যায়।

বৰ্তমানে আনুষ্ঠানিকভাৱে যুদ্ধ ঘোষণা কৰা যিকোনো দেশৰ পক্ষে নিষিদ্ধ। ৰাষ্ট্ৰসংঘৰ চনদৰ ২ (১) অনুচ্ছেদ অনুসৰি সদস্য ৰাষ্ট্ৰই স্বীকাৰ কৰি লৈছে যে সকলো সমস্যা শান্তিপূৰ্ণভাৱে সমাধান কৰা হ'ব। চনদৰ ২ (৪) অনুচ্ছেদ অনুসৰি বিবাদৰ পৰিপ্ৰেক্ষিত এখন দেশে আন এখন দেশৰ বিৰুদ্ধে যুদ্ধৰ হুমকি বা আগ্ৰাসন কৰিব নোৱাৰিব। কোৱা বাহুল্য যে আইনৰ অগ্ৰগতিৰ লগত ৰাজনৈতিক অভিপ্ৰায়ৰ কোনো দিনেই তেনেকুৱা ভাব অথবা ভালপোৱা নাছিল। আজিও তেনেকুৱা হোৱা নাই। ফলত যুদ্ধ আজিও মৃত ব্যৱসায় নহয়। আইনৰ অসুবিধাৰ কাৰণে যুদ্ধৰ নাম পৰিবৰ্তিত হৈ সশস্ত্ৰ সংঘৰ্ষ (Armed Conflict) হৈছে। আন্তৰ্জাতিক মানৱিক আইনবিলাককো এতিয়া সশস্ত্ৰ সংঘৰ্ষৰ সময়ৰ আইন বোলা হয়। জেনিভা চনদবিলাকৰ সকলোতে উল্লেখিত ৩ নং অনুচ্ছেদ লৈ তুমুল বিতৰ্ক হৈছে। এই অনুচ্ছেদটো আন্তৰ্জাতিক সশস্ত্ৰ সংঘৰ্ষৰ সময়ৰ আচৰণবিধি সম্পৰ্কিত। কিন্তু বৰ্তমানৰ পৰিস্থিতিত ইয়াৰ গুৰুত্ব অপৰিসীম। এক পৰিসংখ্যাৰ পৰা জনা যায় যে ১৯৮৯ চনৰ পৰা ১৯৯৭ চনলৈ সংঘটিত হোৱা ১০৩ টা সশস্ত্ৰ সংঘৰ্ষৰ মাত্ৰ ৬ টাহে আছিল আন্তৰ্জাতিক। বাকী ৯৭ টাই আছিল অ-আন্তৰ্জাতিক। এখন দেশৰ আভ্যন্তৰিণ সশস্ত্ৰ সংঘৰ্ষত লিপ্ত গেৰিলা যুদ্ধ বন্দী সকলেও যুদ্ধ বন্দীৰ মৰ্যাদা পাবনে? অনুচ্ছেদৰ সাধাৰণ পাঠ অনুসৰি পাব, কিন্তু তাৰ ব্যাখ্যালৈ বিভিন্ন দেশৰ মাজত তীব্ৰ আপত্তি হৈছিল। অৱশেষত ১৯৮৬ চনত দি হেগত অৱস্থিত আন্তৰ্জাতিক ন্যায়ালয়ত আমেৰিকা

বনাম নিকাবাগুৰা গোচৰত ৰায় দান কৰা হয় যে জেনেভা কনভেনশ্যন মতবাদৰ মাধ্যমত অনুমোদন কৰা প্ৰতিখন দেশেই (যেনে ঃ ভাৰত-পাকিস্থান) নিশ্চয়কৈ অনুচ্ছেদ ৩ নং মানিবলৈ বাধ্য হ'ব। আন্তৰ্জাতিক স্তৰত প্ৰযোজ্য যুদ্ধ বন্দীসকলৰ প্ৰতি থকা বিধি নিৰ্দেশ, দেশৰ অভ্যন্তৰত গেৰিলা যুদ্ধৰ সৈনিকৰক্ষেত্ৰতো সমভাৱে প্ৰযোজ্য হ'ব। বিধান অনুসৰি আন্তৰ্জাতিক আইনৰ ব্যাখ্যাৰ ক্ষেত্ৰত আন্তৰ্জাতিক ন্যায়ালয়ৰ ৰায়েই সৰ্বোচ্চ। কিন্তু এই ইতিবাচক ৰায়ক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত দেশসমূহে তেনেকুৱা উদ্যোগ ল'ব পৰা নাই। কাৰণ এই সকলো নিয়ম ব্যাপকভাৱে লংঘিত হয় আৰু শাস্তি পায় পৰাজিত দেশে। বিজয়ী দেশে জেনিভাকনভেনশ্যন ভংগ কৰিলেও তেওঁলোকৰ কোনো শাস্তি নহয়। যেনে আনবিক বোমা জাপানৰ ওপৰত ব্যৱহাৰ কৰি লাখ লাখ সাধাৰণ নাগৰিক, শিশু, মহিলা, বৃদ্ধ, অসুস্থসকলক হত্যা কৰা আমেৰিকাৰ কোনো শাস্তি নহ'ল। বিশ্বৰ প্ৰত্যেকখন দেশৰ প্ৰধান কৰ্তব্য মানবাধিকাৰ আইনসমূহ সম্পূৰ্ণভাৱে ৰূপায়ণ কৰা। অন্যথায় আজিৰ পাৰমাণৱিক যুগত বিশ্বৰ ধ্বংস অনিবাৰ্য। □

"দুৰ্নীতিৰ অবাধ ৰাজত্বৰ নামেই — অৰাজকতা। অৰাজকতাৰ অৰ্থই হ'ল — শাসনযন্ত্ৰৰ বিশৃঙ্খলতা। শাসনযন্ত্ৰৰ বিশৃঙ্খলতাৰ অৰ্থই হ'ল — শাসকসকলৰ অযোগ্যতা। শাসকসকলৰ অযোগ্যতাই হ'ল — দেশৰ আৰু সমাজৰ ধ্বংসপ্ৰাপ্ততা।"

— অম্বিকাগিৰী ৰায়চৌধুৰী

"মানুহৰ মাজতেই দেৱতা আছে। সেই দেৱতাক কামেৰে আৰু বিশ্বাসেৰে পাব পাৰি।"

— চক্ৰেটিছ

"দুৰ্ভাগ্যক্ৰমে সহজ পাৰ্থিৱ সফলতাৰ বাবে সাহিত্যক অপ্ৰাসঙ্গিক বুলি মনৰ এচুকত ভাবিবলৈ আৰম্ভ কৰা লোকৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে আৰু সঁচাকৈয়ে সেয়েহে মোৰ দৰে সাহিত্যপ্ৰেমীয়ে কেতিয়াবা গভীৰ আতংকেৰে ভাবিবলগীয়া হৈছে — সেই যে পশ্চিমৰ কোনোবাই সাহিত্যৰ মৃত্যু ঘোষণা কৰাৰ স্পৰ্দ্ধা দেখুৱাইছে, শেষত গৈ তেওঁৰ সেই নিদাৰুণ ঘোষণায়েই বাস্তৱত সত্য বুলি প্ৰমাণিত হ'ব।" (হোমেন বৰগোহাঞিৰ মুৰ্দাবাদ)

— ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী



# কবিতাৰ শৰাই


| | | |
|---|---|---|
| ★ এমুঠি পোহৰ বিচাৰি | ✍ শ্ৰীবন্দনা দাস | ১ |
| ★ দুখৰ দিনৰ দিনলিপি | ✍ শ্ৰীবাবুল চলকাৰ | ১ |
| ★ মই শিল্পী নিষ্ঠুৰ বাস্তৱৰ; নগ্ন সমাজৰ | ✍ শ্ৰীডালিম নাথ | ২ |
| ★ জীৱন | ✍ শ্ৰীনিকুঞ্জ দাস | ২ |
| ★ চিগাৰেট | ✍ শ্ৰীযীচু দাস | ৩ |
| ★ কবিতা লিখিম বুলি | ✍ শ্ৰীবিভূজিৎ নাথ (বিজু) | ৩ |
| ★ হে অসমীয়া মহাবীৰ শ্বহীদ | ✍ শ্ৰীচন্দন দাস | ৪ |
| ★ বেদনাৰ অশ্ৰু | ✍ ইছমাইল হুছেইন (বিজু) | ৪ |
| ★ খলকনি | ✍ বাবুল চৌধুৰী | ৫ |
| ★ পিকনিক | ✍ মফিদুল ইছলাম | ৫ |
| ★ নতুন যুগৰ অনুভূতি | ✍ মিণ্টু দাস | ৬ |
| ★ সাম্প্ৰতিক | ✍ জীতু কুমাৰ দাস | ৭ |
| ★ হাঁহাকাৰ | ✍ মোঃ হাফিজুৰ ৰহমান | ৭ |
| ★ প্ৰেমপটিৰ পৰা বাস্তৱৰ উপলব্ধি | ✍ মৃদুল দাস | ৮ |
| ★ অগ্নিগৰ্ভা | ✍ মাধুৰ্য দাস | ৮ |




বহুৰূপ ঃ ছাৰ, কবিতা কি?
জনছন ঃ কবিতা কি সেই কথা কোৱাতকৈ কবিতা কি নহয় — সেই কথাটো বেছি সহজ। পোহৰ কি বস্তু সেই কথা আমি সকলোৱে জানো; কিন্তু পোহৰ কি বুলি সুধিলে সহজে সেই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰোঁ।

# এমুঠি পোহৰ বিচাৰি

❒ শ্ৰীবন্দনা দাস
স্নাতক ৩য় বৰ্ষ (কলা)

অমাবস্যাৰ নিশা
মই অকলশৰীয়া।
ক্লান্ত শৰীৰ মোৰ
অনুসন্ধিৎসু মন
এমুঠি পোহৰৰ সন্ধানত।
অমাবস্যাৰ নিশা
কোনেও কাকো দেখা নাই
কোনেও কাৰো সৈতে কথাও হোৱা নাই।
কিন্তু, চাৰিওপিনে কেৱল
হাঁহাকাৰ, হাঁহাকাৰ আৰু হাঁহাকাৰ!
দেখিলে মনত এনে ভাৱ হয়
যেন মৰিশালিত
শিয়ালবোৰেহে চিঞৰিছে।
চাওঁনো কেনেকৈ?
কেনিও পোহৰ এমুঠিও যে নাই।
পৃথিৱীয়ে যেন কিবা
ক'লা বস্ত্ৰহে পৰিধান কৰিছে।
চাৰিওপিনে মাথোন
অন্ধকাৰ, অন্ধকাৰ আৰু অন্ধকাৰ! ❒

*[বিঃ দ্ৰঃ — ১৯৯৮-৯৯ চনৰ কলেজ সপ্তাহ উপলক্ষে আয়োজিত কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা কবিতা। —সম্পাদক]*



# দুখৰ দিনৰ দিন-লিপি

❒ শ্ৰীবাবুল চৰকাৰ
স্নাতক ২য় বৰ্ষ (কলা)

চকু পানীৰে
সেমেকি উঠে মোৰ বুকু,
হৃদয়ত কেৱল
প্ৰতিধ্বনি দুখৰ গানৰ।

নিষ্ঠুৰতাৰ সতে—
শুকান বালিত পৰি ৰয়
মোৰ চিনাকী সহযাত্ৰীৰ দেহবোৰ .....
দুৰ্ভাবনাত কঁপি উঠে আমাৰ
জীৱন গঢ়াৰ কমাৰশালৰ চৌহদ
কঁপি উঠে ইয়াৰ বতাহ!
আমাৰ হৃদয়।

কমাৰশালৰ বুকুত
বগা কাপোৰেৰে ঢাকি দিলো—
তোমালোকৰ যৌৱন, কল্পনা-আশা
যাৰ মাজেৰেই আছিল,
তোমালোকৰ জীৱন। ❒

*[১৯৯৮ চনৰ ২৮ নৱেম্বৰৰ ৰাতি আমাৰ কলেজৰ পৰা বনভোজলৈ যাওঁতে চিহ নৈৰ অভিশপ্ত দলঙত বাছ দুৰ্ঘটনাত নিহত হোৱা সাতজনী ছাত্ৰীৰ স্মৃতিত। —লিখক]*

# মই শিল্পী নিষ্ঠুৰ বাস্তৱৰ; নগ্ন সমাজৰ

❐ শ্ৰীডালিম নাথ
স্নাতক ২য় বৰ্ষ
(ইংৰাজী বিভাগ)

সিহঁতে নিঃশেষ কৰি দিলে
মোৰ জীয়াই থকাৰ এমুঠি স্বাধীনতা
এচামে চাই ৰ'ল মোৰ বাটৰ নাটৰ-অভিনয়
মোৰ তেজোময় শৰীৰত চলা পাশবিক অত্যাচাৰ

যত মই অভিনয় কৰিছিলোঁ মাথোঁ
"সত্যম্ শিৱম্ সুন্দৰম্"ৰ
সিহঁত নিৰৱ দৰ্শক
কি যে স্বাৰ্থপৰ!!!

মই এতিয়া গান নাগাওঁ অতীতৰ গৌৰৱময় দিনৰ
মোৰ কণ্ঠ আজি বন্ধ বন্দুকৰ শব্দত
মই এতিয়া কবিতা নিলিখোঁ শুভ্ৰ জোনাকৰ
মোৰ বুকুৰ তেজেৰে কাগজখিলা ৰাঙলি হ'ল
মই এজন শিল্পী নিষ্ঠুৰ বাস্তৱৰ; নগ্ন সমাজৰ।❐

# জীৱন

❐ শ্ৰীনিকুঞ্জ দাস
স্নাতক ১ম বৰ্ষ
(অৰ্থনীতি বিভাগ)

জীৱন তুমি অনন্য৷
কি যে মায়াবী ৰূপ তোমাৰ,
সহস্ৰক বান্ধিছা তুমি
কঠিন কোমল পৰশত।
আবেগ, অনুভূতি তুমিয়েই নেকি
বাঃ কি অপৰূপ ছন্দৰ অধিকাৰী তুমি!
সুখৰ চিকুণ সান্নিধ্যতে
দিছা তুমি দিশহাৰা পথিকক,
তোমাৰ বজ্ৰ কঠিন দুখৰ স্মৃতি।।
হে জীৱন তথাপি তুমি হোৱা
এটি আশাৰ গান ❐





# চিগাৰেট

❐ শ্ৰীযীচু দাস
স্নাতক ২য় বৰ্ষ (কলা)

(১)

এটা চিগাৰেট, আৰু
এটি জীৱন;
ধোঁৱাময় সেই জীৱন আৰু মোৰ যৌৱন,
লৈ গ'ল কাঢ়ি, শেষ হ'লো মই;
যৌৱনৰ সোণালী দিনবোৰ, মিচা সেই সপোনবোৰ;
ধোঁৱা হৈ গ'ল উৰি,
এটা চিগাৰেট
এটি জীৱন।।

(২)

ধোঁৱা! অলপ ধোঁৱা।।
জ্বলি থকা চিগাৰেট, আৰু জ্বলা মোৰ জীৱন,
কোন জ্বলিছে? মই নে চিগাৰেট
চিগাৰেট নে মই?
হয়। সেইয়া মোৰ চিতাৰ ধোঁৱা।

(৩)

প্ৰেম? মৰম?
মূল্যহীন কিছুমান শব্দ।।
অনুতাপ মোৰ কাম্য নহয়।
ক্ষমা মোৰ প্ৰাপ্য নহয়।
অলপ আশা, এবুকু মৰম বিচাৰিছিলোঁ মই।
কিন্তু শূন্য মোৰ সেই জীৱন,
ধোঁৱাময় আছিল প্ৰতিটো ক্ষণ।।
এটা চিগাৰেট, আৰু
এটি জীৱন।❐



# কবিতা লিখিম বুলি

❐ শ্ৰীবিভূজিৎ নাথ (বিজু)
স্নাতক ১ম বৰ্ষ (কলা)

কবিতা লিখিম বুলি
ভাবি স্তব্ধ হ'লোঁ
কি লিখোঁ?
লিখিবলৈ চেন ভাষাই নাই,
চৌদিশে কেৱল আৰ্তনাদ।
ভাবিছোঁ ............
গণতন্ত্ৰকে লিখোঁ,
"গণতন্ত্ৰ" কাক কয় বাৰু?
নাৰী বলাৎকাৰক?
নে ভাতৃঘাতী আন্দোলনৰ স্বাধীনতাক?
প্লেটফৰ্মত ভোকাতুৰ শিশুৰ ক্ৰন্দন।
বুভুক্ষুজনৰ ওপৰত শোষকৰ,
নিৰ্মম অত্যাচাৰ।
নে সাম্প্ৰদায়িকতাক?
স্ববাজ্যৰ দাবীত
বোমা-বাৰুদৰ খেলাত
নিথৰ হৈ পৰি থকা
কোনো নাগৰিকৰ মৃতদেহ।।
এয়াই নেকি গণতন্ত্ৰ?
কবিতা লিখিম বুলি ভাবি .... ❐

# হে অসমীয়া মহাবীৰ শ্বহীদ

*(কাৰ্গিলত মৃত্যুক আঁকোৱালি লোৱা অসমীয়া সৈনিক উদ্ধৱ দাসৰ স্মৃতিত ৰচিত)*

❐ শ্ৰীচন্দন দাস
স্নাতক ১ম বৰ্ষ (কলা)

হে লুইতপৰীয়া ডেকা মহাবীৰ
পাদ্য-অৰ্ঘ্য হাতত লৈ
জননীৰ পূজাৰী হৈ
মহান কৃতিত্ব কৰিলা অৰ্জন।
মূলাৰ জৰায়ু নিঃসৃত
লাচিতৰ বীৰ্য্য জাত
হে লুইতপৰীয়া ডেকা মহাবীৰ,
উৰালা ত্ৰিৰংগৰ ধ্বজা,
বান্ধিলা অমৰ সেতু,
শৰাইঘাটৰ পৰা কাৰ্গিললৈ।
জ্বলাই অক্ষয় বন্তি
বিলালা ছহিদী কান্তি
যুগৰ পৰা যুগান্তৰলৈ।
নকৰিলা শিৰ নত
যুঁজি গ'লা অবিৰত
বীৰ শৰাইঘাটৰ লাচিতৰ দৰে
থৈ গ'লা কৰ্তব্যৰ চানেকি তুমি;
ইতিহাসে লিখিয়াব
স্মৃতি যুগমীয়া হ'ব
গৌৰৱান্বিত হ'ব জনমভূমি
গৌৰৱান্বিত হ'ব অসম মাতৃভূমি ❐



# বেদনাৰ অশ্ৰু

❐ ইছমাইল হুছেইন (ৰিজু)
স্নাতক ৩য় বৰ্ষ (বানিজ্য)

আহিছিলা কিয় তুমি মোৰ হৃদয়লৈ
ফাগুনৰ পচোৱাৰ দৰে
হিয়া-মন জুৰাবলৈ

প্ৰেমৰ ডোলেৰে বান্ধি
নতুন জীৱন গঢ়াৰ
প্ৰেৰণা দিবলৈ।।

কিয় বাৰু আহিছিলা তুমি
যদিহে যোৱা গুছি
বৰদৈচিলাৰ দৰে
হিয়া মন ভাঙি।।

কিমান যে ৰচিছিলোঁ
যৌৱনৰ ৰঙীন সপোন
সকলো পেলালা ভাঙি।।

কিয় বাৰু আহিছিলা তুমি
মোৰ হৃদয়ৰ মাজলৈ
যদিহে যোৱা গুছি
বিশ্বাসৰ কৰুণ গীতহে
হিয়া মন দহি। ❐





# খলকনি

❐ বাবুল চৌধুৰী
স্নাতক ১ম বৰ্ষ

আশাৰ বোকোচাত
পৰাণ জুৰোৱা
কবিতা।।
তুমি এতিয়া ক'ত?
হয়তো,
কোনোবা দিগন্তত উটি ভাঁহি
(এতিয়া) জিৰণি লৈছা
কোনো সীমান্ত প্ৰহৰীৰ
সুৰক্ষা কৱচত।।
ক'ত নিশা উজাগৰি গ'ল
সপোন ৰছি।
ক'ত দিন ৰঙা সূৰ্য্যক
পিঠিত তুলি ঘূৰি ফুৰিলোঁ
অলিয়ে গলিয়ে
শেষ হ'ল আজি আশাৰ ইন্ধন।
এতিয়া, আৰামী চকীত
জ্বলন্ত ভোটাৰে কুণ্ডলী পকাওঁ
ৰঙা, নীলা হেডলাইনৰ খবৰ পঢ়োঁ
তোমাৰ সন্ধানত .....
তোমাক নিশ্চয় লগ পাম
হয়তো দক্ষিণ আফ্ৰিকাত,
হয়তো পেলেষ্টাইনত,
কিম্বা নিলাজ সাগৰৰ পাৰত ❐

# পিকনিক

*[বাছ দুৰ্ঘটনাত নিহত বি.এইচ.কলেজৰ ছাত্ৰীসকলৰ স্মৃতিত।]*

❐ মফিদুল ইছলাম
(বজালী মহাবিদ্যালয়)

বাছখন আমঠৈ পালেই
আৰু আমঠৈৰ জলবায়ু
সংগীত আৰু নাচ-গানেৰে মুখৰিত হ'লেই
হেঁপাহৰ "পিকনিক" আৰম্ভ হ'লহেঁতেন।
"পিকনিক"
আনন্দৰ চৰম মুহূৰ্ত এটিৰ নাম।
য'ত কোনো ভেদাভেদ নাথাকে
নাৰী পুৰুষৰ
হিন্দু-মুছলমানৰ।
য'তেই "পিকনিক" তাতেই
প্ৰেম আৰু হিয়াৰ স্পন্দন।
চিয়াহী মোৰ তেজৰ
হৃদয় বেদনাৰ।
মই নিবিচাৰোঁ গুনিব
আমঠৈৰ সৌন্দৰ্য্যৰ খতিয়ান।
মই ব্যথিত হওঁ
তেওঁলোকৰ কৰুণ বিননিত।
কি বা লিখা আছিল
তেওঁলোকৰ আধা লিখা ডায়েৰিত?
কি বা আছিল সেই
মাতাল 'চালাকৰ' বুকুৰ গুণ-গুণনিত?
শুভযাত্ৰা নে,
তেওঁলোকৰ নগ্ন ছায়াছবি??
সেয়ে, তেওঁলোকৰ বিফল জীৱন ❐

# নতুন যুগৰ অনুভূতি

❐ মিণ্টু দাস
স্নাতক ১ম বৰ্ষ

তোমাৰ মনত পৰেনে
যৌৱনৰ দোকমোকালিতে
তুমি মোক দিছিলা
বুকুৰ তেজেৰে ৰাঙলী
প্ৰেমৰ সপোনত বাউলী
এপাহি গোলাপ।

তুমি বোধকৰোঁ নাজানা—
বৰ্বৈচিলাৰ ক্ৰূৰ প্ৰহাৰত থান-বান হোৱা
সেই গোলাপৰ
প্ৰতিটো পাহি, প্ৰতিটো পৰাগ শুই আছিল
মোৰ মনৰ প্ৰতিবিম্ববোৰত
সিদিনালৈকে
বুজিছা, সৌ সিদিনালৈকে।।



সিদিনা দেখিলোঁ—
তোমাৰ কপালত অলেখ মলিন ৰেখা
আৰু শুনিলোঁ—
দুৰ্বলৈ, বহুদূৰলৈ পিছুৱাই গৈ থকা তোমাৰ পদধ্বনি
মই আচৰিত হ'লো,
একে সময়তে, একুৰা জুই জ্বলি উঠিল দপ্দপ্‌কৈ
মোৰ মনত, মোৰ মগজুত
(খঙৰ জুই, ঘৃণাৰ জুই, প্ৰতিশোধৰ জুই)

ঠিক তেতিয়াই—
আগলি বতৰা নিদিয়া আহিল শীতল বতাহজাকৰ লেথীয়া
মন মতলীয়া কৰা এটি সুবাসে
মোৰ হিয়া-মন জুৰ পেলালে
নাতি দূৰত দেখা পালো—
বৰ ধুনীয়া, বৰ ধুনীয়া এটি পঁজা

আগুৱাই গ'লো এখোজ দুখোজকৈ
নিঃশব্দে, সন্তৰ্পনে
কেতিয়া সোমালো পঁজাটোত
কিমান পৰ সংজ্ঞাহীন হৈ আছিলো পঁজাটোৰ ভিতৰত
ক'ব নোৱাৰো
চেতনা পাই যেতিয়া ঘৰমুৱা হ'লো
এনে ভাব হ'ল
যেন কিবা এটা পাহৰিলো, কিবা এটা এৰি আহিলোঁ
অলপ পিছত মনত পৰিল
এৰি আহিলো
মোৰ পুৰঠ হৃদয়খন।❐





# সাম্প্ৰতিক

❐ জীতু কুমাৰ দাস
স্নাতক ৩য় বৰ্ষ (কলা)

এটা জোপোহা,
এটা মৃতদেহ,
এটা বন্দুক,
কেইটা মান গুলিৰ খোলা।
এইখনি চিত্ৰ :
আজিৰ শান্তিৰ।
এটা মৃতদেহ,
হয়তো সৈনিকৰ।
নতুবা উগ্ৰপন্থীৰ।
এদিন জীৱন্ত আছিল সি,
তেওঁ আছিল,
কাৰোবাৰ পুত্ৰ,
কাৰোবাৰ পিতৃ,
কাৰোবাৰ ভাতৃ,
কাৰোবাৰ স্বামী,
কাৰোবাৰ বন্ধু,
একন শ্ৰেণী শত্ৰু।
হত্যা কৰা হ'ল নৃশংসভাৱে।
আৰু লগে লগে,
পচি গৰাকী শত্ৰু,
আকৌ এটি মৃতদেহ,
আকৌ পাঁচ গৰাকী শত্ৰু।
ইয়াৰ,
শেষ জানো নাই ?❐



# হাঁহাকাৰ

❐ মোঃ হাফিজুৰ ৰহমান
স্নাতক ১ম বৰ্ষ (কলা)

হাঁহাকাৰ, হাঁহাকাৰ, হাঁহাকাৰ,
জগতখনেই হাঁহাকাৰ,
টকা আছে, বস্তু নাই,
বস্তু আছে, টকা নাই;
পানী আছে, মাছ নাই,
মাছ আছে, পানী নাই;
কি যে হাঁহাকাৰ —
জগতখনেই হাঁহাকাৰ।।
স্কুল-কলেজ আছে, ছাত্ৰ-ছাত্ৰী নাই,
ছাত্ৰ-ছাত্ৰী আছে, শিক্ষক-শিক্ষয়িত্ৰী নাই,
মানুহ আছে, মানৱতা নাই,
ধৰ্ম-কৰ্ম আছে, জ্ঞান চৰ্চা নাই,
কি যে হাঁহাকাৰ —
জগতখনেই হাঁহাকাৰ
শাসক আছে, শাসন নাই,
আইন আছে, প্ৰয়োগ নাই;
অন্যায়-অত্যাচাৰ আছে, সুবিচাৰ নাই,
ঐক্য-সংহতি নামত আছে, বাস্তৱত নাই,
কি যে হাঁহাকাৰ —
জগতখনেই হাঁহাকাৰ।❐

# প্ৰেমপটৰ পৰা বাস্তৱৰ উপলব্ধি

□ শ্ৰীমৃদুল দাস
স্নাতক ১ম বৰ্ষ (কলা)

সিদিনা মই এন্ধাৰত
নিজকে চিকুটি চালোঁ
কি মোৰ অন্ধলা অভীপ্সা
তোমাৰ তেজাল ওঁঠৰ লৱণু চুম্বন
নে, প্ৰেমৰ লেলিহান শিখা ?
হৃদয়ৰ পৰা উত্তৰ আহিল
তোমাৰ বুকুৰ নীলাত ডুবি
মই নাওঁ বাব বিচাৰোঁ
গভীৰলৈ ক্ৰমশঃ আৰু গভীৰলৈ .....।
লগে লগে, মোৰ সত্তাৰ মাইলপোষ্টত
এটা বোমা ফুটিল,
সম্ভৱত মই নিজকে জুকি চালো
অমৰাৱতী ক্ৰমশঃ অভিনিবিষ্ট
দুখৰ নগৰীত।
তোমাৰ প্ৰেমৰ প্ৰসাধনত
মই ক্লেদাক্ত পানী
নুশুনিবা মোক, এইয়া কিমান ৰাতি ?
তুমি অৱলোকিত ৰশ্মি বৰ্ণালীৰ
নক্ষত্ৰাবা চাকি
পোহৰালে মোৰ ভয় লাগে
ই যে মোক ঠেলি দিয়ে
স্মৃতিৰ মোহনাত
তোমাৰ স্মৃতিত ঠেকা খাই
মই অৱবাহিকা দুখৰ নদীত .....
সম্প্ৰতি, মই ঘৰটোৰ
দুৱাৰ-খিৰিকিবোৰ জপাই দিছোঁ
কিন্তু। চকু মুদিলেই দেখোন ........
নালাগে,
নহ'বা তুমি অভ্যুদয় মানস পটিত
মই, বীতশ্ৰদ্ধ পৰীয়া তৰা
কিম্বা,
প্ৰেমিক পূজাৰ পাপাক্ত অৰ্ঘ্য □



# অগ্নিগৰ্ভা

□ মাধুৰ্য দাস
স্নাতক ২য় বৰ্ষ (কলা)

বতাহৰ সোঁ সোঁ শব্দ, বিজুলীৰ তাণ্ডৱ আকাশত।
হৈ হৈ ভাহি অহা শিয়ালৰ চিঞৰ; মোৰ চাৰিওফালে।
বন্দুকৰ তপ্ত সীহৰ বিকট আৰ্তনাদ। এজাক মানুহৰ
কাতৰ চিঞৰ। মৃত্যু ভয়ত — সন্ত্ৰাসৰ অট্টাহাঁহি।
ধ্বংসৰ নাচোন সকলোতেই।
শান্তি, এটি বিমূৰ্ত ধাৰণা এতিয়া। ৰাজপথৰ ফাকু
কেঁচা তেজ। বিপন্ন মানৱতাৰ অস্তিত্ব।
এতিয়া নিকোনো মুহূৰ্তত গৰজি উঠে।
ঘাতকৰ নৃশংস হাতৰ বন্দুক ......□



# গল্পৰ শৰাই

★ এজাক ধুমুহাৰ অবৈধ প্ৰবেশ ✍ শ্ৰী মৃদুল দাস ১
★ সমস্যা ✍ মণিৰুজ জামান ৪
★ হত্যা ✍ শ্ৰীমাধুৰ্য দাস ৬
★ অজানিতে ভুল হয় ✍ মিচ কবিতা দাস ৭

## ৰম্য ৰচনা ঃ

★ যেনে কুকুৰ তেনে টাঙোন ✍ শ্ৰী চন্দন দাস ৯
★ প্ৰেম কাহিনী ✍ ছাদেকুৰ ৰহমান ১০





# এজাক ধুমুহাৰ অবৈধ প্ৰবেশ

❒ শ্ৰীমৃদুল দাস
স্নাতক প্ৰথম বৰ্ষ (কলা)

*নাওঁৰীয়া মেলি দিয়া নাওঁখনি মোৰ*
*মিছাকৈয়ে আছা বাট চাই,*
*কোন আছে কেনি মোৰ আহি কাষলই*
*চেনেহেৰে দিবহি বিদায়।*

**— যতীন্দ্ৰ নাথ দুৱৰা**

অফিচৰ পৰা সিদিনা মই সোনকালে ঘৰলৈ উভতিছিলোঁ। গাটো ভাল নাছিল। গতিকে ঘৰ পাই কাপোৰ যোৰ খুলিয়েই বিচনাত দীঘলদি পৰিছিলো। টোপনিৰ ভাব আহিছিল যদিও শুব পৰা নাছিলো। কিছুসময় পিছত বিচনাৰ পৰা উঠি খিৰিকিখন খুলি দিছিলো — নীলাভ আকাশত বাঙলী সুৰুযে ন-কইনাৰ কপালৰ ৰঙা সেন্দুৰৰ ফোটটো যেনেহে জিলিকি উঠিছিল। তেনে সময়ত চাহ খাবলৈ বৰ মন গৈছিল। চাহ কাপ খাই বাতৰি কাকতখন হাতত লৈছিলো মাত্ৰ — কলিংবেলটো বাজি উঠাত দুৱাৰখন খুলি দিছিলো; মৃন্ময়ক দেখি মই স্তম্ভিত হৈ গ'লোঁ। নহৈ কি হ'ম? দহ বছৰ মান আগতে তাক এবাৰ লগ পাইছিলোঁ। ইমান বছৰৰ মূৰত সি হঠাতে আহি মোৰ পদূলি মুখত থিয় হোৱাৰ কথা কল্পনাই কৰা নাছিলো।

মৃন্ময় মোৰ পুৰণি বন্ধু। আমাৰ বহিদেউইৰতৰ গাওঁতে তাৰ ঘৰ। তেতিয়াৰে পৰা আমি নলে-গলে লগা বন্ধু।

মই লক্ষ্য কৰিছিলো মৃন্ময়ৰ বেচ পৰিবৰ্তন হৈছে। তাৰ চকুই প্ৰতিটো মুহূৰ্ততে কিবা যেন বিচাৰি ফুৰিছে। তাক দেখি, কথা পাতি এনেকুৱা লাগিছিল যেন সি শিলত খোদিত এটা নিষ্প্ৰাণ ভাস্কৰ্য। সি ক'ত আছিল কি কৰি আছিল একো নকলে।

মৃন্ময়ে বেৰত আঁৰি থোৱা ফটোখনৰ ফালে একধ্যানে চাই আছিল। কিছুপৰ পিছত সি ফটোখনত লিখা কথা যাৰ গুণগুণালে —

Be happy today
And always remain so!

আচলতে কি জানা কাপম, জীৱনটোক আমি যিমানে সহজ বুলি ভাবো সিমানেই কঠিন। জীৱনত মোৰ অস্তিত্ব এটা শূন্যত বাদে আন একো নহয়। মোৰ পাৰ্থিৱ জীৱনৰ পৰা মই একো নাপালোঁ। মাথোঁ এটা শব্দৰ অস্তিত্বৰ বাবেই মই জীয়াই ৰলোঁ — আকাঙ্খা। জীৱনৰ পৰা, সময়ৰ পৰা পোৱাৰ আকাঙ্খা — জীৱনত মই কিবা পাম। সময়ে মোক কিবা দিব। মই বিচৰা ভালপোৱা, মৰম আৰু অকপমান সহানুভূতি ..... কিন্তু জীৱনত মই কি পালোঁ? সময়েও মোক কি দিলে? তথাপি জীৱনৰ পোৱা-নোপোৱাৰ হিচাপ মই ৰখা নাই। কিন্তু যিটো মোৰ কাম্য আছিল, যাৰ অভাৱ মই আজিও অনুভৱ কৰো, তাৰ হিচাপ আজন্ম

মোৰ মগজুত থাকিব।

পিছবেলালৈ তাৰ মাতত অলপ বিষাদ মিহলি হৈ পৰিছিল। অতীতৰ স্মৃতি চকুৰ আগত সজীৱ হৈ উঠাত হয়তো তাৰ মন শোকত ভাৰাক্ৰান্ত হৈ পৰিছিল।

: জীৱনত মই এদিনেই অন্তৰ খুলি কান্দিছিলোঁ। সেইদিনটোত মই অসহায় হৈছিলো — মোৰ জীৱনৰ অভাৱবোৰে যেন শূন্যৰ ফালে। আজিলৈকে কাকো কোৱা নাছিলো, মোৰ মনৰ কথা। মোৰ সেই একমাত্ৰ অভাৱটোৰ কথা আজি তোক মই ক'ম। মৰম লগা সন্তান, সন্তান পৰম স্নেহ, ভালপোৱা আদি শব্দৰ সুখবোধক অৰ্থৰ লগতে অন্তৰংগতাত মই জীৱনৰ প্ৰচণ্ড পৰাজয় বৰণ কৰিলোঁ। মই মাথোঁ বাবোৰাৰ অন্তৰৰ পৰা অলপ মৰম, অকণমান ভালপোৱা, অকণমান অধিকাৰ বিচাৰিছিলো। এয়া পাপ নেকি? তেনেহ'লে মই তাৰ পৰা কিয় বঞ্চিত হ'লো?

সি তাৰ জীৱনৰ অবিদিত সেই সকলো কথা মোৰ আগত প্ৰকাশৰ পথত মোকলাই দিছিল। মৃন্ময়ে আৰম্ভ কৰিছিল —

১৯৭০ চন।

তেতিয়া মই সপ্তমমানৰ ছাত্ৰ। পঢ়াত মই একেবাৰে চোকা নহ'লেও বেয়া নাছিলো। সেয়েহে বোধহয় তাৰ বাহিৰেও ইয়াৰ মৰমৰ পৰাও বঞ্চিত হোৱা নাছিলো। জোনা মোৰ লগত একেলগে পঢ়িছিল। সহপাঠী হিচাপে আমি ভাল বন্ধু আছিলো। কিয় নাজানো, মোৰ বাবে তাই অন্য বন্ধুৰ পৰা অলপ বেলেগ আছিল। দীঘল, মিঠা বৰণৰ, ধুনীয়া জোনা মোৰ বৰ মৰমৰ আছিল।

কিছুসময় কথা কোৱা বন্ধ কৰি সি পুনৰ কৈছিল —

এদিনৰ কথা। বাৰিষা তেতিয়াবাহি শেষ হৈছিল। কিন্তু বাৰ্ষাৰ আপদীয়া বোকাবোৰ মাৰ্থ বাৰ্থ বুলি তেতিয়াও যোৱা নাছিল। তেনে দিনত অনিচ্ছা সত্তেও বাহিৰেটৰ তলীদাত আপদীয়া বাটিটোকে পালি-পাপনি পাৰি স্কুললৈ যাব লগা হৈছিল। সেইদিনাও আপদীয়া বোকাবোৰ ভাঙি স্কুললৈ গৈছিলো।

মই গৈ স্কুল পালোঁ, ক্লাচ কৰিলোঁ। ক্লাচ কৰিলো যদিও মোৰ মনোযোগ থকা নাছিল। কিয়নো মোৰ মন যেন কিবা শূন্যহৈ পৰিছিল। বোধহয়, জোনাৰ অনুপস্থিতিত। সেই সময়ত মোৰ এনেকুৱা ভাব হৈছিল — যেন বাহৰীয় ভেউকা লগাই চৌ ভাঙি তাইৰ ওচৰলৈ সাঁতুৰি যাম।

কথা কৈ কৈ মৃন্ময় পাগলৈ পৰিছিল। সি অলপ পিছত কিবা নতুন কথা মনত পৰাৰ দৰে সি পুনৰ কৈ উঠিল —

আৰু কি জানা কাণ্ড। সেই সময়ত যিকোনো বস্তুৰ এভাগ জোনাক দিয়াৰ মই নাপাহৰিছিলো। তাইৰ প্ৰতি মোৰ যে কিমান মৰম আছিল। কিমান যে সোণালী আছিল সেই দিনবোৰ। বন্ধু-বান্ধৱ, খেল-ধেমালি — এখন মুক্ত পথাৰ, এখন মুক্ত আকাশ। But, those days are gone never to return! কিন্তু কেনেকৈ যে হাতৰ মুঠিৰ পৰা সেই মধুৰ দিনবোৰ হেৰুৱাই পেলালোঁ।

লাহে লাহে মৃন্ময়ৰ মনটো ভাৰাক্ৰান্ত হৈ পৰিছিল। উঠি আৰু



জোনটোৰ পিনে একমনে চাই ৰ'ল মৃন্ময়ে। তেতিয়া আকাশত এটা দুটা তৰা কুটা আৰম্ভ কৰিছিল। পৃথিৱীখন ক্ৰমাৎ আন্ধাৰ হৈ পৰিছিল। বাহিৰ কৰবাত শিয়ালে চিঞৰ দিছিল। নিষ্ঠুৰী চাকিৰ ছুইচটো দিয়াত মোৰ মগজে চকু কুঁচালে মৃন্ময়ে। মই চেয়াৰখন টানি নি তাৰ কাষতে বহি পৰিলো। কিছুসময় নিস্তব্ধতাৰ পিছত সি আকৌ কৈছিল —

এনেকৈয়ে দিন ভাতি গ'ল, মাহ পাৰ হ'ল। বছৰ উকলিল। শৈশৱৰ সাগৰ সাঁতুৰি আমি যৌৱনত খোজ দিলোঁ।

দিনবোৰ যাবলৈ ধৰিলে। ইফালে বন্ধু-বান্ধৱ মাজত গোটেই পাৰ্থতে আমি বদনামী হ'লোঁ। কিন্তু আমাৰ মাজতহে তেনে কোনো সম্বন্ধ নাছিল। আচলতে মানুহবোৰ চুৰা চেনেকা স্বভাৱ। আনৰ দোষ বিচাৰি কুৎসাৰটনা মানুহৰ স্বভাৱ। আমি মানুহবোৰে এনাজ লোখোৱাকৈ থাকিব পাৰো; কিন্তু আনৰ কথাত আঙুলি নিদিকিব নাপালে জীৱন দুৰ্যহ হৈ পৰে। কথাই কথাই জীৱশ্ৰেষ্ঠ বুলি দাবী কৰা, ভুৱা আদৰ্শৰ মানুহৰ এয়াই হ'ল সভ্যতা। আঁচলতে আমিয়ে জীৱশ্ৰেষ্ঠ শব্দৰ গূঢ়াৰ্থ হৃদয়ংগম কৰাত এগ শতাংশই ব্যৰ্থ হৈছোঁ, ই তাৰেই দেখদেখ প্ৰমাণ। কোনো আৰু লোক সহযোগত কৰি মানুহে যি প্ৰেমগ্ৰন্থ ৰচনা কৰিছিল সেয়া এনেবাৰ ভিত্তিহীন আছিল। 'ব' এয়া সঁচা যে এজনী বান্ধৱী হিচাপে মই তাইক ভাল পাইছিলো, তাইৰ সুখ-দুখত সমভাগী হৈছিলো। ভালপোৱা কেৱল প্ৰেমিক-প্ৰেমিকাৰ মাজতে গঢ় লয় নেকি? ভালপোৱাত জানো বন্ধুৰ বেছণি থাকিব নোৱাৰে? যেতেক্ষেত্ৰত মোৰ হৃদয়ত যদি তাইৰ প্ৰতি সেই অনুভূতিৰ কোনো স্থান নাই আৰু যদি বলপূৰ্বকভাৱে মোৰ ওপৰত জাপি দিয়া হয়, সেয়া প্ৰেমৰ মৰ্যাদাৰ অপমান নহ'বনে? মোৰ ক্ষেত্ৰতো এইটোৱেই ঘটিছে। অপবাদৰ অগ্ৰধাৰী মানুহে মোৰ বিবেকক ধকা-খকা কৰি দিলে বদপূৰ্বকভাৱে মোৰ ওপৰত জাপি দিছিল, সেয়া মোৰ কেতিয়াও কাম্য নাছিল।

কথাখিনি মৃন্ময়ে একে উশাহতে শেষ কৰিলে। তাৰ মুখত কিছু খং মিহলি হৈ আছিল। মানুহৰ প্ৰতি তাৰ মনত এটা বিকৃত ধাৰণাৰ উদ্ৰেক হৈছিল। সি পুনৰ কৈছিল —

এদিন মই জোনাইতৰ ঘৰলৈ গৈছিলো। সন্ধিয়া সময়। হাঁহি-ধেমালিৰে সময়বোৰ পাৰ কৰি দিছিলো। কিন্তু উভতাৰ সময়ত তাই লগ্না এদলে তাইক ইতিকিং কৰি কৈছিল — 'মৃন্ময়ক এৰি কাক ধৰিব, তাৰি তলীয়াই থাকিব।'

কথাষাৰ শুনি মোৰ মাত-বোল বন্ধ হৈ গৈছিল। নিজকে দোষী দোষী যেন ভাব হৈছিল।

জোনাই কৈছিল — তাই মাত্ৰ মোক এজন ভাল বন্ধু বুলি ভাবে। মই লক্ষ্য কৰিছিলো তাইৰ চকুযুৰি চলচলীয়া হৈ পৰিছিল। যেন গছৰ মাৰ যাব খৰা জোনটো তাইৰ চলচলীয়া চকুত উঠি মাৰ ধৰিছিল। তাৰপিছত মই অলপ সময়ো নৰৈ ঘৰলৈ উভতিছিলোঁ। মই ভাৱিব পাৰিছিলো কিয় মানুহে আমাক মিছাতে জেনেকৈ ভাবে? মোৰ বা তাইৰ পৰা মানুহে কিবা দুৰ্বলতা পাইছে নেকি? যদি পাইছে কিহত পাইছে। আমিতো কোনো ভুল কৰা নাছিলো। আৰু



দিনলগতাত তেতিয়াহে ভাবিছিলো মই তাইৰ প্ৰেমত পৰিছো নেকি? হৃদয়ত হাত দুখাই চাইছিলোঁ, নহি মোৰ হৃদয়খন ঠিকেই আছে।

কিন্তু সময়ৰ সোঁতে সোঁতে সেয়া মোৰ কি হ'ব ধৰিছিল! মই যেন তাইৰ প্ৰতি প্ৰতিটো দিনে আকৃষ্ট হৈ পৰিছিলোঁ। মোৰ জীৱনৰ সৰ্বোচ্চ সামগ্ৰী হৈ পৰিছিল:

কবিতাই মোৰ জীৱনৰ
হেৰাই যোৱা গীত
জীৱন পথত
তাইয়ে উৎসাহ, প্ৰেৰণা
এবুকু প্ৰেমত ভুৱা
মৰম সোণালী জাহাজ ......

আৰু এনেকুৱা অনুভূতিৰ নামাকৰণেই যদি প্ৰেম হয়, তেন্তে মই তাইৰ প্ৰেমত পৰিছিলোঁ। মোৰ শৈশৱৰ মৰমবোৰ যৌৱনত প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। মই এনেকৈয়ে লাহে লাহে অজানিতভাৱে তাইৰ প্ৰেমত খোজ দিছিলোঁ। কিন্তু কাক কওঁ? কি কৰোঁ?

মৃন্ময় শান্ত হৈ পৰিছিল। কথা কৈ কৈ বোধহয় তাৰ ডিঙি শুকাই যোৱাৰ উপক্ৰম হৈছিল। টেবুলৰ পৰা বাগটো দাঙি আনি সি ঢোকে ঢোকে পানী খাইছিল। মৃন্ময়ে পুনৰ কোৱা আৰম্ভ কৰিছিল —

মনৰ পৰা লিনলিপি লিখাটো মোৰ অভ্যাস আছিল। মোৰ হৃদয়ৰ অব্যক্ত কথাবোৰে তাতেই ঠাই পাইছিল। তাৰ প্ৰতিটো শব্দৰ কোঁহে কোঁহে তাইৰ কাৰণে অনুভূতি সেউজীয়া হৈ আছিল। তাতেই মই সপোন ৰচিছিলোঁ, মাজনিশা কেতেকীৰ গীত শুনিছিলোঁ, সেউজীয়া ধৰি আঁকিছিলোঁ। এইখনেই আছিল মোৰ পৃথিৱী। কিন্তু মাগম, মই নিজকে মই নিজকে তাইৰ পৰা যিমানে লুকাব চেষ্টা কৰিছিলো সিমানে মই তাইৰ প্ৰতি আসক্ত হৈ পৰিছিলোঁ। কিন্তু মোৰ অন্তৰ চা, ইমান ভাল পাইও মই তাইৰ ওচৰত প্ৰেম নিবেদন কৰিব পৰা নাছিলোঁ। তাৰ সাহস মোৰ নাছিল। মই নিজৰ বিবেকৰ লগতে কুৰুক্ষেত্ৰত অহৰহ ৰণ দিলোঁ। অন্তহীন, সীমাহীন, সমাধানহীন এই ৰণ চলি থাকিল।

জোনাই এদিন কৈছিল — "মই তোক এজন বন্ধু বুলি ভাবো, এজন ভাল প্ৰিয় বন্ধু।" তাইৰ একমাত্ৰ কথা মোৰ মনত কঁহৰ টাকুৰি ঘূৰা দি ঘূৰিবলৈ আৰম্ভ কৰি দিলে। কি কৰোঁ? কি নকৰোঁ? মই সিদ্ধান্তত উপনীত হ'লো — লাগিলে মই তাইৰ পৰা আঁতৰি থাকিম তথাপি তাইৰ মনত দুখ হ'ব নোৱাৰোঁ। মোৰ অভিমানত আঘাত দিব নোৱাৰোঁ।

বোৱতী সময়বোৰ বৈয়ে থাকিল। কিন্তু মোৰ আশা, আশা হৈয়ে ৰ'ল। সপোন ভাগি গ'ল। নীলাভ আকাশত এপাতি ক'লা ডাৱৰ আহিল। ডাৱৰ পানীয়ে ৰূপান্তৰিত হ'ল, বৰষুণ নামিল। পানীৰ সোঁতে উটুৱাই নিলে মোৰ কবিতাৰ পাণ্ডুলিপি।

কি যে নিৰ্দয় আছিল সেই আবেলিটো। সেইদিনাই মই অন্তৰ খুলি কান্দিছিলোঁ। বাহিৰৰ জগতখন তেতিয়াও বিৰাজমান। বতা সুৰুষে পশ্চিম দিশত মাঙলি আভা ছটিয়াই আছিল। মই বাৰাণ্ডাতে বহি পেপাৰখন পঢ়ি আছিলোঁ। হঠাতে আমাৰ ঘৰত কাম কৰা ল'ৰাজনে দৌৰি আহি মোক ক'লে — "দাদা, জোনা বাইদেৱে আত্মহত্যা কৰিলে।"

কথাষাৰ শুনি মই শিলপৰা কপৌৰ দৰে থৰ লাগি ৰৈছিলোঁ। মোৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন খহি পৰাৰ উপক্ৰম হৈছিল। মই বলিয়াৰ দৰে তাইৰ ওচৰলৈ দৌৰি গৈছিলোঁ। মোৰ মৰমৰ জোনাক বগা কাপোৰেৰে ঢাকি থোৱা হৈছিল।

পিছত মৃন্ময়ৰ চকুপানীবোৰ গালেদি পৰা নিজৰা বোৱাদি বৈ আহিছিল। চকুপানীবোৰ লুকাবলৈ সি হাতৰ তলুৱাত মুখখন গুজি দিছিল। সেইদিনা আকাশৰ বুকুত চৌ তোলা কেতেকীৰ গীতৰ অনিৰ্বচনীয় আনন্দ অনুভৱ কৰা মাতটোও কটু যেন লাগিছিল। তাক সান্ত্বনা দিয়াৰো মোৰ ভাষা নাছিল। লাহে লাহে সি সহজ হ'বলৈ প্ৰয়াস কৰি কৈছিল —

তাই মোৰ ওচৰৰ পৰা সাতে সাগৰ সাঁতুৰি বহু দূৰলৈ গুচি গ'ল। মই অকলে থ'লোঁ। খুমুহাই সকলো কাঢ়ি নিলে। তথাপি মই তাইৰ স্মৃতিক লৈয়েই জীয়াই আছোঁ। আজিও মোৰ এনেকুৱা লাগে তাই যেন মোৰ মাজত আছে।

তোমাৰেই ছবি
আঁকি আছে
মোৰ হৃদয়ত
হে প্ৰিয়তমা
পৃথিৱীৰ পৰা আকাশৰ সিপাৰলৈ
লিখা আছে
তোমাৰেই কাহিনী ......

কথাবোৰ কৈ মৃন্ময় এসময়ত চেয়াৰৰ পৰা উঠি খিড়িকিৰ কাষত থিয় হৈছিল। জোনাৰ স্মৃতি বুকুত বান্ধি সি চটফটাই থাকিছিল। তীব্ৰ মানসিক দংশনত সি নিহত হৈছিল। অথচ তাতেই সি বুকুৰ মাজত সাঁচটি আছে।

য'ত গুচো, তুমা খাওঁ লেলাগে আমনি ......

প্ৰেমৰ এনেকুৱাই এক যাত্ৰা যাৰ কোনো লক্ষ্য নাই যেনেকৈ সীমা নাই। প্ৰেমৰ আৰম্ভণিৰ আদি বিন্দু কিম্বা সমাপ্তিৰ শেষ বিন্দু ক'ত অৱস্থিত কোনে জানে? ই এক বিশাল সাগৰ, য'ত সাঁতুৰি-নাদুৰি অতীতৰ হৈ পৰো অথচ উভতাৰ কোনো পথ নেদেখোঁ। যাক সম্ভৱত পানী খাই মৰোঁ। সাগৰৰ পাৰত বালিৰ পাৰ্কো যদিও জানো সাগৰৰ ভয়াবহতা - এজাক চৌ আহিব, ভাঙি লৈ গুছি যাব বালিঘৰ। তথাপি প্ৰেমত পৰোঁ মই যোৱাৰ — অতীত, বৰ্তমান, অনাদি ভৱিষ্যতত ......☐



# সমস্যা

❑ মণিৰুজ জামান
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

দুপৰীয়া ভাতকেইটা খাই উঠি 'প্ৰান্তিক'খন লৈ বহোঁতেই ঘটং কৈ গেটখন খোলাৰ শব্দ শুনিলোঁ। ভাবিলোঁ, বোধকৰোঁ পিয়নটো আহিছে মণিৰ চিঠিলৈ। কিন্তু খন্তেক পাছতে দেখোঁ, দুৱাৰমুখত সৌ-শৰীৰে আবিৰ্ভূতা স্বয়ং শ্ৰীমতী। মইতো কাণ্ডটো দেখি অবাক। তেওঁ আকৌ অসময়ত (তেওঁৰ মতে) ওলালহি কিয়? পাচতহে কথাটো মনত পৰিল; অ' তেনেহ'লে ঔষধে কাম দিছে। ঘটনাটো দেখি নিজৰ বুদ্ধিক নিজেই প্ৰশংসো কৰিলোঁ।

আচলতে মই এটা বিৰাট সমস্যাত পৰিছিলোঁ। কথাটো হ'ল, মোৰ শ্ৰীমতী মাকৰ ঘৰলৈ যোৱা দুমাহমানেই হ'ল; কিন্তু ঘূৰি অহা নাই। আমাৰ আকৌ 'চিনাকি' আছিল বিয়াৰ আগৰে পৰা 'ইউনিভাৰচিটি'ত পঢ়ি থাকোঁতেই। গতিকে অলপ ডেমাকী দেখুৱায়েই গ'ল, বোলে মই হেনো মাকৰ ঘৰলৈ ওলালেই হকা-বাধা কৰোঁ। গতিকে এইবাৰ বহুতদিন থকাকৈ যাব। যাওঁতে লগত তিনি বছৰীয়া ল'ৰাটোও লৈ গৈছে। ইফালে মোৰ কি অৱস্থা হৈছে? কেনেকৈ খাইছোঁ, তাৰ খবৰ লবলৈও প্ৰয়োজনবোধ কৰা নাই। মোৰ লগত ছবছৰীয়া ছোৱালী মুনুহে মাথোন। তাইক ধুৱাই-চুৱাই স্কুললৈ পঠোৱা আৰু লগতে নিজেই অফিচলৈ ওলাই যোৱালৈকে ৰাতিপুৱাৰ এই সময়খিনি মোৰ বাবে ভীষণ ভয়লগা হৈ পৰিছিল। কাৰণ ইমানদিনে নিজে চাহ একাপো বনাই খোৱা নাই। পঢ়ি থাকোঁতে হোষ্টেলৰ ভাত আৰু বিয়াৰ আগলৈকে চাকৰি জীৱনত হোটেলৰ ভাত খাওঁতেই গ'ল। বিয়াৰ পিছততো গ্ৰেজুৱেট ৰান্ধনীৰ হাতৰ সোৱাদ পাই আছোঁ। গতিকে এনেকুৱা অভিজ্ঞতাৰে ঘৰ চলোৱাত অসুবিধা হ'ব্ই।

এমাহমানৰ আগতে মোৰ অসুবিধাখিনি জনাই তেওঁলৈ এখন চিঠি লিখিছিলোঁ। কিন্তু লগে লগেই উত্তৰ আহিল যে ইমান দিনৰ মূৰত মাকৰ ঘৰলৈ গৈছে, এই দুদিনতে ফুৰি-চাকি শেষ কৰিব পাৰিনে? ইমান অধৈৰ্য কিয়? গতিকে কিছুদিন পিছতহে অহাৰ সিদ্ধান্ত জনালে।

উত্তৰটো পাই মোৰ খুব খং উঠিছিল যদিও উপায় নাই। কোনোমতে সহি এসপ্তাহমান কটালোঁ। ইফালে ঘৰৰ অৱস্থা চাব নোৱাৰা হৈছে। মই ইফালে অফিচৰ কামতো ব্যস্ত থাকিবলগীয়া হৈছে। ৰবি শস্যৰ বীজ বিতৰণৰ কাম চলি আছে, গতিকে প্ৰত্যেকদিনেই 'ফিল্ড'ত যাব লগা হৈছে। হঠাৎ এদিন এটা বুদ্ধি খেলালে। মুনুক মাতি আনি তাইৰ হতুৱায়েই মাকলৈ লিখালোঁ — "মা, মৰম ল'বা। বিশেষ কথা হ'ল, দেউতাৰ গা ভাল নহয়, জ্বৰ-কাঁহ আদি হৈছে। ভাত-পানীৰ পৰা অন্য কামলৈকে বহুত অসুবিধা হৈছে। মোৰ স্কুল ক্ষতি হৈছে। গতিকে তুমি সমস্যাবোৰ বুজি সোনকালে আহা।" এইবাৰ ভাবিলোঁ, নিশ্চয় সমস্যাবোৰ বুজিব আৰু চিঠি পোৱাৰ লগে লগে ওলাবহি।

কিন্তু মোৰ অনুমান মিছা কৰি কেইদিনমানৰ পিছত পিয়নটোৱে আহি উপস্থিত। চিঠিখন খুলি চাই আৰু অবাক হোৱাৰ পাল। আই এ! এইখনতো চিঠি নহয়, ডাক্তৰৰ প্ৰেছক্ৰিপশ্যনহে। চিঠিৰ সাৰাংশ হ'ল - এই বতৰত মানুহৰ পানীলগা হয়েই। চিন্তাৰ কাৰণ নাই। ৰবকৈ ৰবযুণত নিতিতিবা। নিয়ৰত ৰাতি নুঘূৰিবা ইত্যাদি, ইত্যাদি। বহুত উপদেশ। লগতে আৰু লিখিছে যে পূজালৈ আৰু দুসপ্তাহহে আছে। ঘৰৰ কোনেও পূজা নোচোৱাকৈ নপঠায় বোলে। গতিকে পূজাৰ আগতে নাহে।

চিঠিখন পঢ়ি খুব খং উঠিল। ইমান কাঠচিতীয়া নে? বিয়াৰ আগতে চোন মই ক'ৰবাত উজুতি খাই আছুলি এটাত দুখ পালো বুলি ক'লে তেওঁৰহে আগতে কান্দোন ওলাইছিল। লগে লগেই ভাবিব ধৰিলোঁ — আৰু কি বুদ্ধি নটুৱাব পাৰি। আগৰ বুদ্ধিয়েতো একো কামেই নিদিলে। মোক যে লগৰবোৰে "ভোদা" বুলি হাঁহে। সঁচাকৈয়ে মোৰ জানো বুদ্ধিৰ চুড়া উদং? চিন্তা কৰি কৰিয়েই পিছদিনাই বিচাৰ-খোচাৰ কৰি 'মইনা' নামৰ কাম কৰা ল'ৰা এটা আনিলোঁ। তাক ঘৰুৱা কাম-বনৰ উপৰিও ভাতমুঠিৰ দায়িত্বটোও দি নিশ্চিন্ত হ'লো। ল'ৰাটো ভাল।

কেবাদিনৰ চিন্তাৰ মূৰত এটা সুন্দৰ বুদ্ধি মনত খেলালে। আজি কেইদিনমানৰ আগতে শ্ৰীমতীলৈ এখন চিঠি লিখিলোঁ। সেই চিঠিখনত এটা সুন্দৰ 'চাল' খেলিলোঁ। আচলতে মই শ্ৰীমতী তথা সকলো নাৰীৰে ঈৰ্ষাপৰায়ণ আৰু সন্দেহবাদী মনটোৰ সুবিধা গ্ৰহণ কৰিছিলোঁ। তথাপি সন্দেহ হৈছিল শ্ৰীমতী যিহে কাঠচিতীয়া, হয়তো এইবাৰো ঔষধে কাম নিদিব। থুলমূলকৈ চিঠিখন আছিল এনে ধৰণৰ —

শ্ৰীমতী,

মৰম ল'বা। বৰ্তমান মই আৰু মুনু ভালেই আছোঁ। কেইদিনমান হ'ল, ঘৰৰ কাম কৰিবৰ কাৰণে এজনী 'ছোৱালী' ৰাখিছো। নাম 'মইনা'। বয়স ১৮/২০ বছৰ মান হ'ব। "তাই"য়েই ঘৰৰ কাম-বনবোৰ চলাইছে। মুনুৱেতো 'তাইৰ' লগ এৰিবই নোখোজে। ছোৱালীজনীৰ কথা-বতৰা, ব্যৱহাৰ আদিও ভাল। মোৰ খুউব যত্ন লৈছে। মোৰ একো অসুবিধা হোৱা নাই। গতিকে তুমি পূজা চাই দেৰিকৈ আহিলেও হ'ব।

ইতি —

" — "

আৰু চিঠি পোৱাৰ পাঁচদিনৰ মূৰত আজি ষষ্ঠী পূজাৰ দিনাই স্বয়ং শ্ৰীমতী আহি হাজিৰ। আহি পায়েই মাত-বোল নকৰাকৈ ভিতৰ সোমাল। বহুত দেৰিৰ মূৰত খঙেৰে আহি সুধিলে, "মইনা ক'ত?" মই একো নামাতি পিছফালৰ চোতালত বহি থকা মইনালৈ আঙুলিয়াই দিলোঁ। শ্ৰীমতী সন্তুষ্ট হ'লনে নাই গম নাপালোঁ — আহি পায়েই তেওঁ বোলে মইনাক বিচাৰি ফুৰিছিল।

বাৰু এতিয়া কওঁকচোন মোৰ বুদ্ধিক তাৰিফ নকৰি পাৰিনে? পিছে নিজৰ বুদ্ধিক নিজেই বাঃ বাঃ দি তেওঁ নেদেখাকৈ মিচিক্‌কৈ হাঁহিটো মাৰিব খোজোঁতেই হঠাৎ চেৰেকনি আহিল "মোক পূজা চাব নিদিয়াৰ মজা পাবা এতিয়া; ৰ'বা।"

মোৰ মেলা মুখ মেল খাইয়ে থাকিল। পুনৰ ভয় হ'ল, এইবাৰ বা অসন্তুষ্টা দেৱীয়ে কি সমস্যাৰ সৃষ্টি কৰে। উঃ সমস্যাৰ ওপৰতে সমস্যা! ❑

"আনক কিবা এটা ক'ব বিচৰাটো হ'ল সকলো কলাৰ প্ৰধান লক্ষ্য। কোনো এজন মানুহে কেৱল নিজৰ সন্তুষ্টিৰ কাৰণেই লিখিব পাৰে বা আঁকিব পাৰে; কিন্তু আন এজন মানুহে তাৰ মাজত এটা বাণী বিচাৰি নোপোৱালৈকে তাক কলা-সৃষ্টি বুলি ক'ব নোৱাৰি।"

— ৰেইমণ্ড মৰ্টিমাৰ।



বি. এইচ. কলেজ আলোচনী

# হত্যা

❑ শ্ৰীমাধুৰ্য দাস
স্নাতক তৃতীয় বৰ্ষ (কলা)

মই এজন প্ৰবক্তা। এই নয়নজুলি মহাবিদ্যালয়ত যোগদান কৰা আজি প্ৰায় চাৰি বছৰেই হ'ল। এই নয়নজুলি চহৰৰ এক উপকণ্ঠ অঞ্চলত মোৰ ভাৰা ঘৰ।

ডিটেকটিভ্ গল্প-উপন্যাস পঢ়া মোৰ পুৰণি হবি। এই গল্প-উপন্যাসবোৰ পঢ়ি পঢ়ি ময়ো যেন এজন ৰহস্য সন্ধানীলৈ ৰূপান্তৰিত হৈ পৰিছোঁ। প্ৰতিটো লোমহৰ্ষক ৰহস্য-ঘন হত্যাকাণ্ডত হত্যাকাৰীৰ মানসিক অৱস্থাৰ লগত নিজকে কল্পনা কৰোঁ; এইদৰে থাকোঁতে হঠাতে এদিন মোৰ মনলৈ ভাব আহিল যে ময়ো এটা হত্যা কৰিম। এনেদৰে কৰিম যে কোনেও গমেই নাপাব যে হত্যাকাণ্ডটো মোৰ দ্বাৰা সংঘটিত হৈছে। পিছে এতিয়া প্ৰশ্ন হ'ল হত্যা কৰিম কাক? হঠাতে মোৰ মনত পৰিল ৰাজাৰ কথা। ৰাজা মোৰ বিশ্বাসী সংগী আৰু একমাত্ৰ বন্ধু। বহু ভাবিচিন্তি দুপেকেট চিগাৰেটৰ শ্ৰাদ্ধ কৰাৰ পিছত ঠিক কৰিলোঁ ৰাজাকে হত্যা কৰিম। যিহেতু ৰাজা আৰু মই পৰস্পৰ বিশ্বাসী আৰু একেটা ঘৰতেই বাস কৰোঁ যেতিয়া কামটো কৰিবলৈ কঠিন নহ'ব আৰু কোনেও মোক সন্দেহ কৰিব নোৱাৰিব। ৰাজাক হত্যা কৰিবলৈ মই এক নিখুঁত আঁচনি প্ৰস্তুত কৰিলোঁ।

সেইদিনা আছিল ৰবিবাৰ। ৰাতিপুৱাতে মই ঘৰৰ পিছফালৰ জংঘলখিনিত এটা ডাঙৰ খাল খান্দি থলোঁ। নিশা টিভিত 'সুৰভি' চাই দুয়ো ভাত খালোঁ। ভাত খাই উঠি টিভি বন্ধ কৰি মই মোৰ কমলৈ গ'লোঁ আৰু বিচনাত বহি ৰাজাক মাতিলোঁ, 'ৰাজা'। ৰ'জা ততালিকে আহি উপস্থিত হ'ল। মই তাক বহিবলৈ ক'লোঁ। সি গৈ তাৰ নিৰ্দিষ্ট চকীখনত বহি ললে আৰু প্ৰশ্নবোধক দৃষ্টিৰে মোৰ ফালে চাই ৰ'ল। মই শান্ত দৃষ্টিৰে তাৰ ফালে চালোঁ আৰু ক'লো, "ৰাজা, বন্ধু মোৰ, মোক ক্ষমা কৰিবা। মই এতিয়া তোমাক হত্যা কৰিম।" সি আচৰিত হৈ মোৰ ফালে একেথৰে চাই থাকিল। মই সন্তৰ্পনে সদায়ে গাৰুৰ তলত ৰাখি থোৱা চোকা ডেগাৰখন উলিয়াই আনিলোঁ আৰু মুহুৰ্ততে সজোৰে আঘাত কৰিলোঁ ৰাজাৰ বুকুত কলিজা ভেদি যোৱাকৈ। এটা আৰ্ত চিৎকাৰ



কৰি ৰাজা স্তব্ধ হৈ গ'ল চিৰদিনৰ বাবে। তাৰ মৃতদেহটো কান্ধত তুলি লৰালৰিকৈ ঘৰৰ পিছফালৰ জংঘলখিনিলৈ গ'লোঁ। তাতে আগতে খান্দি থোৱা গাঁতটোত ৰাজাক কবৰ দিলোঁ। গাঁতটো মাটিৰে পূৰ কৰি দিলোঁ আৰু ওপৰত জংঘলেৰে ঢাকি দিলোঁ। তাৰ পিছত হাত ভৰি ধুই কমলৈ আহি আগেয়ে আনি থোৱা স্লিপিং টেবলেট এটা খাই শুই পৰিলোঁ।

ৰাতিপুৱা শুই উঠি ঘড়ী চাই দেখিলোঁ আঠ বাজি পয়ত্ৰিশ মিনিট গৈছে। লৰালৰিকৈ গা-পা ধুই ব্ৰেকফাষ্ট কৰি কলেজলৈ গ'লোঁ। নিয়মিত ক্লাছবোৰ ল'লোঁ আৰু ঘৰলৈ উভতি আহিলোঁ। তলাটো খুলি ঘৰত সোমাই চিঞৰিলোঁ 'ৰাজা'। নাই, ৰাজাৰ কোনো উমঘাম নাই। হঠাতে চকুত পৰিল বুকচেলফত সজাই থোৱা মোৰ ফটোখনলৈ য'ত ৰাজাই মোৰ কাষত বহি আছে। লগে লগে মনত পৰিল যোৱা নিশাৰ সেই পৰিকল্পিত হত্যাকাণ্ডৰ কথা। অজানিতে মোৰ দুধাৰি লোটক বৈ আহিল। ধিক্কাৰ দিলোঁ নিজকে, মোৰ মুৰ্খতাৰ বাবে। কাৰণ ৰাজা আছিল মোৰ একমাত্ৰ সংগী, মোৰ অতি মৰমৰ এলচেচিয়ান কুকুৰটো। ❑





# অজানিতে ভুল হয়

❑ মিচ কবিতা দাস
স্নাতক তৃতীয় বৰ্ষ

নিচেই সাধাৰণ কথাটো দীপিকাই আজি সহজভাৱে লব পৰা নাই। সিহঁতৰ কলেজৰ একেলগে পঢ়া অভিনন্দনক লৈ তাই বিমোৰত পৰিছে। লগৰ ছোৱালীবোৰে তাইক অভিনন্দনৰ লগত জোকায়। এই বিষয়ে অভিনন্দনেও জানে। এদিন মণিৱা, বৰষাইতে ধেমালিতে তাইক সুধিছিল, "আমাৰ ক্লাছৰ কোনজনক বেছি ভাল লাগে, দীপিকা?" লগে লগে তাই কৈ উঠিল, "অভিনন্দনক মোৰ খুব ভাল লাগে, কিন্তু কিয় ভাল লাগে নাজানো। তাৰ মাজত মই কিবা যেন বিচাৰি পাইছোঁ।"

এৰা, অভিনন্দনক সঁচাকৈয়ে তাইৰ ভাল লাগে। এজন পুৰুষ হিচাপে থাকিবলগীয়া সকলো গুণেই আছে। তাই বিচৰা আপোন মানুহজন তেওঁৰ মাজতে পাইছে। কলেজ মেগাজিনত ওলোৱা অভিনন্দনৰ কবিতা পঢ়ি তাই মোহিত হয়। ইমান সুন্দৰ কবিতা লিখে তেওঁ — এই বিষয়ে তাই জনাই নাছিল। সাহিত্যানুৰাগী তাইৰো মন এটা আছে। কবিতা, গল্প আদি পঢ়ি ভাল পায়। কিন্তু তেওঁৰ দৰে সুন্দৰ কবিতা এতিয়াও লিখিব পৰা নাই। আন বন্ধুসকলৰ দৰে অভিনন্দনৰ লগত তাইৰ গতানুগতিক মাতবোল আছে, কিন্তু সেয়াই তাইৰ বাবে যথেষ্ট নহয়। অভিনন্দনক তাই নিচেই কাষতে বিচাৰে, বহু কথাই ক'বলগীয়া আছে তাক। উৎপল, মৃগেনহঁতৰ দৰে অভিনন্দনক কিয় বাৰু তাই সহজভাৱে লব নোৱাৰে? তাৰ ওচৰ পালেই কম বুলি ভবা সকলো কথাৰে হাত ভৰি লুকাই নিজৰ মাজতে সোমাই পৰে। অভিনন্দন চোকা ল'ৰা, তাইক মাজে-সময়ে পঢ়া-শুনা কেনে চলিছে সোধে। তাইৰ খং উঠে, ইয়াৰ বাহিৰে সুধিবলগীয়া একো নাই নেকি তাৰ? পঢ়া-শুনাৰ বাহিৰেওতো অন্য এখন পৃথিৱী আছে। এদিন তাই কথাৰ মাজতে সুধিলে, "তুমি বাৰু ইমান সুন্দৰ কবিতা কেনেকৈ লিখা?" উত্তৰত তেওঁ ক'লে, "সেইটো একো আচৰিত হ'বলগীয়া কথা নহয়। তুমিও পাৰিবা দীপিকা। আমাৰ সকলোৰে মাজত হৃদয়ৰ বিশেষ স্থান আছে আৰু তাতেই আবেগ-অনুভূতিবোৰ গোট খাই থাকে; সেইবোৰক অগ্ৰাহ্য কৰি কেতিয়াও কবিতাৰ সৃষ্টি নহয়। হৃদয়ৰ সুক্ষ্ম অনুভূতিবোৰক গুৰুত্ব দিলে তুমিও পাৰিবা।" অভিনন্দনৰ ইতিবাচক সঁহাৰি পাই তাইৰ ভাল লাগিল। সেইদিনাৰ পৰাই তাই হৃদয়ৰ অনুভূতিবোৰক এটা বিশেষ ৰূপত বিচাৰি পালে।



her mother began talking, one either had to be tight-lipped or had to be more aloud in his speech in order to communicate with her. Thereupon, his mother came in and interrupted her mother with her usual haste,

"I'm sorry, Mrs. Barua, I'm very busy with my domestic chores. Will you please come to the dining room? We'll have talks there."

"OK, let's go." Saying this, Mrs. Barua followed Mr. Pradeep's mother and along with them went Pinaki's younger sister. Now, Mr. Pradeep and Pinaki were alone in the room.

The question that pricked him most was why Pinaki did not follow her mother. It might be that she wanted to tell him something in private. If so, what was it? He could not exactly find out. Although Pinaki's act of not following her mother seemed a bit odd opportunity to disclose his love, gave him immense pleasure. While being thus busy with his own thoughts, Mr. Pradeep once turned his eyes towards Pinaki who gave a smile that bore a touch of delicate shyness. At this, his eyes turned bright as if he could discover the cause of Pinaki's not following her mother.

"Why have you come so late?", Pradeep broke the ice of silence.

"Ma was out on some urgent business. She returned home late. And hence the delay. Sorry for that", she replied as if she had recited from memory.

"Why haven't you visited ours so long?", she asked promptly.

"I was ill for a long time", replied he.

"I thought you've found something wrong with us", she said a little adroitly.

"No, no, never", he replied like a nonsense without being able to make out the cleverly tone of her language.

"How goes your study?" he asked.

"Well", she replied.

"And your college life?" he asked again.

"Extremely fine. The college week is going on. I'm enjoying with my friends to the full", she said.

"Pradeepda, I've been willing to tell you something for some days. I haven't been able to tell you that as I haven't met you so long." she added.

Mr. Pradeep noticed that her eyes were fixed to the floor and her cheeks grew more pink. He became extremly anxious to know what she had been willing to tell him. Indeed, he would not be beside himself with surprise if she told him 'I love you' insomuch as he had guessed many a time from the language of her eyes and from her behaviour with him that she definitely had a soft corner for him. What a fortunate one then he would be to receive a proposal of love from a girl, whom he loved so much! Being drifted away by these thoughts, he was a bit late to ask her,

"What is it? tell me."

"Pina, Pinna..." uttering her name, Mrs. Baruah came in followed by Mr. Pradeep's mother with tea in a tray just when Pinaki was about to say something.

"Pina, look, she is not going to let us go without having dinner here. What do you say?" said Mrs. Baruah standing and keeping her right hand on the shoulder of Mr. Pradeep's mother.

Pinaki only smiled and said nothing.

"Oh! Mrs. Chaliha, see my poor memory. Let me first beg your forgiveness, because I've forgotten to give you an important information", said Mrs. Barua looking at Mr. Pradeep's mother, and continued as if with the determination that she would never stop again.

"Pina has been chosen by a boy and he is in a hurry to have the wedding. He is a doctor living now in the USA. O Mrs. Chaliha, we really never expected such a precious proposal. Very soon, the ring ceremony........"

Pinaki became nothing if not red-faced. As she looked at Mr. Pradeep, she was surprised to mark his face, which was directed towards the open window, turning pale and colourless in the twinkling of an eye. For a moment, she mused. Then her eyes grew damp. Mr. Pradeep, as if weak and tired, was gazing at the western horizon; the vermilion sun was setting; and a nameless number of swallows were twittering in the sky. ❐





Poem

## Feelings

❐ **Satyajeet Das**
T.D.C. III Year (Arts)
English Major

If you are a lifeless piece of mossy stone,
I'm the mosses adhered to it,
Which can not be parted, nor extinguished.

If your feelings of love is a smelly rubbish heap
I'll treasure it in my heart and
Paint it with colourful dreams for the future.

If the tears of your nameless woes
Come out as drops of blood
I'll mix it with my heart's blood,
Embracing your pains and never allowing
Your heart to bleed again.

If your heart is an uninvadable stone,
Unthawable even by the heat of the sun,
I'll melt it with the
Sunshine of my love.

But it matters not, if all my assurances
Fail to budge you from your stubbornness,
It matters not, if you inflict upon me
An oceanful of sufferings,
I'll stoically endure your petty acts of unkindness
As my love for you is INFINITE & ETERNAL.❐



## Miraculous Sight

❐ **Sanjeev Roy**
T.D.C. II Year (Arts)
English Major

Your sight
Sweetest of my choice
Makes a mature spot
In my soft heart.

That spellbound sight
Neither allows me to live
Nor allows me to die.
I know,
Rhyme of my life
Will stop without that sight,
Which fed my heart in sweet dream
Coming to me every night.

And I too know this,
That sight is not for me
That not for real aware
But for some other........❐

# Illusion

❒ **Madhurja Das**
T.D.C. II Year (Arts)

When I seat in vacant mood in my room,
A Cigar burns between my fingers.
Your face reflects in the mirror of smoke,
You come near me,
Like a just blooming Rose.
I can inhale the sweet fragrance
Of your shining black hair,
When I want to touch you
You vanish from my sight,
And I discover myself lonely.
Still I believe,
You come to my room.
Although it is my illusion.❒

# A Farewell

❒ **Bhrigu Saud**
T.D.C. II Year (Arts)

O war! why do you come?
With volley of guns
In the valley of Death
Bringing destruction and damage
To the innocent civilization.
O war! why do you come?
To end our pleasant present?
To seal our promising future?
To throw us into eternal winter?
But, we want peace and peace only
No war, no destruction, no Death.❒



# Imagination

❒ **Babul Sarkar**
T.D.C. II Year (Arts)
English Major

Come like a flower
Purify my heart and soul,
Enliven the garden of my mind
And circulate your smell in the wind.

Come like a river
Raise me to dignity and impossibility,
Wash the feelings of my weariness
With your heart's kindness.

Come to be the moon
Brighten the sky of my mind,
Enlingten my life's dark night
And make me free from my plight.

Come to be my inspiration
Take me to a fairyland,
To fly with the wings of a dove
Where there wound be nothing but 'love'.❒





# The Real Heroes

❒ **Pranab Saha**
T.D.C. I Year (Arts)

Go, go, go heroes,
Its your turn to prove heroism
Many eyes with ocean of tears
are blessing you,
Many eyes with light of pride
are encouraging you,
Go, go, go forward.
It's time to serve your motherland
Millions of hands are raised,
to salute you
Millions of lips are fluttering,
to praise you.
Go - go - go brave
It's chance to make
Success through your death.❒



# A Vanished Volcano

❒ **Anindita Mandal**
T.D.C. II Year (Arts)

Came in my life like a storm
Lighted my life like a sun,
Coloured my life like a rainbow,
Vibrated my heart -
as an earthquake,
Shattered me as wind.
And vanished as a valcano -
Having shivered me
as ice,
Bedewed my face with tears
And landed me in a valley,
Then left as a dark Moon.❒

# Friendship

❒ **Moniruz Zaman**
T.D.C. II Year (Arts)

A fragrant oil
Gladdens the heart,
As friendship's sweetness
Comforts the soul.
"A faithful friend
Is a sure shelter,
Whoever finds one
has found
A rare treasure.
"A faithful friend is
Something
Priceless
There is no
Measuring of his worth
And a faithful friend
Is an elixir of life.❒

# Why do you bear

❑ Khairul Bashwar
T.D.C. II Year (Arts)

I know not
Why do you bear with
The burden of separation,
I'm ready to keep the
Flame of our relation
Because,
Your glistering eyes are
Only my looking glass,
Your lips suck forth my soul
Where I offer up
As many kisses as the sea hath sand.❑



# Jokes



❑ Bibhujit Nath
T.D.C. II Year (Arts)

**Wife :** "Why do you go out in the balcony when I sing? Don't you like to hear me?"
**Husband :** It is not that. I just don't want the neighbours to misunderstand that I am beating my wife."

* * * * * * *

**Customer :** Waiter! There's a fly in my soup.
**Waiter :** Don't worry Sir, the spider in the bread will get it.





# Members of the Teaching and Non-Teaching staffs of the B. H. College during the session of 1998-99.

**Principals :**
1. *Sri Satyanath Das (Upto February 28, 1999)*
2. *Dr. R.K. Das (Since October 6, 1999)*

**Vice-Principal :**
*Sri Arun Kr. Das*
*He was the Principal-in-charge of the College from March 1, 1999 to October 5, 1999.*

**Lecturers**

*Department : Name:*

**English :**
1. *Sri Gunindra Nath Choudhury (Head)*
2. *Sri Rabindra Nath Bhattacharya*
3. *Sri Abul Hussain Khan*
4. *Sri Bishnu Charan Das*
5. *Sri Subhash Chandra Das*
6. *Sri Dipmoni Das*

**Assamese :**
1. *Sri Atul Chandra Barman (Head)*
2. *Smt. Phul Kumari Kalita*
3. *Sri Khargeswar Nath*
4. *Sri Siddheswar Barma*
5. *Smt. Renu Hazarika*
6. *Smt. Usha Das (Temporary)*

**Hindi :**
1. *Sri Dilip Kumar Sarma (Head)*
2. *Dr. Jawaharlal Mahato*

**Bengali :**
1. *Dr. Amal Chandra Bhowmik*
2. *Sri Debabratta Dutta*

**Sanskrit :**
1. *Sri Ganesh Goswami*
2. *Sri Tilak Chandra Bhattacharya*

**Arabic :**
1. *Md. Abdus Shobhan*
2. *Md. Abdul Kader*

**Economics :**
1. *Sri Dilip Ranjan Dutta (Head)*
2. *Sri Hangsha Vallabh Choudhury*
3. *Sri Arabinda Kalita*
4. *Jadabendra Narayan Biswas*
5. *Sri Sudhir Chandra Debnath*
6. *Sri Ranjit Bhuyan*
7. *Sri Samiran Sarma*

**Education :**
1. *Vice Principal Arun Kumar Das (Head)*
2. *Dr. Kunja Kusum Kakati*
3. *Smt. Bhanu Nath Talukdar*
4. *Sri Billal Hussain*

**History :**
1. *Sri Srijan Chandra Nath (Head)*
2. *Sri Umesh Chandra Bhattacharya*
3. *Sri Damodar Choudhury*
4. *Sri Abdul Mannaf Sikdar*

**Political Science :**
1. *Dr. Ramendra Kumar Das (Head) (Later on joined as Principal)*
2. *Sri Radha Charan Rabha (Head after R.K. Das)*
3. *Smt. Sashi Probha Goswami*
4. *Sri Khurshed Alam*

**Philosophy :**
1. *Dr. Krishna Kinkar Mahanta (Head)*
2. *Sri Purna Kanta Khataniar*
3. *Smt. Dhira Bhattacharya*

**Mathematics :**
1. *Sri Pranjit Kumar Das (Head)*
2. *Sri Bipul Kanti Sarma*
3. *Sri Ramendra Kumar Deka*
4. *Sri Kulajit Pathak*

**Statistics :**
1. *Dr. Nishi Kanta Deka (Head)*
2. *Sri Sudarshan Choudhury*
3. *Sri Bipul Deka (Part-time)*

**Accountancy :**
1. *Sri Ramavatar Sarda (Head)*
2. *Sri Rajendra Kumar Jajodia*
3. *Sri Prabin Maheswari*
4. *Sri Gopal Chandra Saha*

**Banking :**
1. *Sri Ramesh Das (Head)*
2. *Sri Sankar Dasgupta*
3. *Sri Mahesh Kedia*
4. *Sri Nayanendra Narayan Deva Choudhury*

**Commerce :**
1. *Sri Naresh Goswami (Head)*
2. *Sri Nirmal Jain*
3. *Sri Gunin Das*

**Management :**
1. *Sri Sushanta Dutta (Head)*
2. *Dr. Sambhu Saran Singh*
3. *Sri Gangadhar Das*

**Botany :**
1. *Sri Mrinal Kanti Bhowmik (Head)*
2. *Sri Promod Chandra Bora*
3. *Sri Dipak Kalita*

**Chemistry :**
1. *Smt. Rodali Talukdar Nath (Head)*
2. *Sri Prabhat Chandra Choudhury*
3. *Sri Dhiraj Kumar Sarma*

**Physics :**
1. *Sri Malay Kumar Barman (Head)*
2. *Sri Sanatan Kumar Nath*
3. *Sri Dandeswar Deka*

**Zoology :**
1. *Sri Sadananda Nath (Head)*
2. *Miss Nandita Nath*
3. *Sri Nabajeet Das*

## Non-Teaching Staff

**Library :**
1. *Sri Bhupendra Nath Bhattacharya (Librarian)*
2. *Sri Dulal Chandra Das (Library Assistant)*
3. *Sri Konwar Boro (Library Bearer)*

**Office Assistant :**
1. *Sri Girija Choudhury, (Supervisor Office Assistant)*
2. *Sri Satya Karmakar, U.D. (Accountant)*
3. *Sri Nikhil Das, U.D. Assistant*
4. *Sri Padma Das, L.D. Assistant*
5. *Sri Tamiz Uddin Ahmed, L.D. Assistant*
6. *Sri Ranjit Pathak, L.D. Assistant*
7. *Sri Pradip Nath, L.D. Assistant*
8. *Sri Harekrishna Das, L.D. Assistant*
9. *Miss Manju Nath, L.D. Assistant*
10. *Sri Atul Chandra Nath, Office Peon*
11. *Sri Dalim Pathak, Office Bearer*
12. *Sri Ramani Pathak, Office Bearer*
13. *Sri Mangal Ramchiary, Office Bearer*
14. *Sri Asgar Ali, Office Bearer*
15. *Sri Anil Boro, Night Choukidar*
16. *Sri Gokul Bayan, Electrician*
17. *Sri Trailokya Das, Office Bearer*
18. *Sri Meser Ali Ahmed, Laboratory Assistant*
19. *Sri Gajen Das, Laboratory Assistant*
20. *Sri Khagen Das, Laboratory Assistant*
21. *Sri Samin Das, Laboratory Assistant*
22. *Sri Manoj Das, Laboratory Assistant*



# Results of various events of the College Week for the year 1998-99.

This year the Annual Sports Festival of the College was held in brief without pomp and grandeur as a mark of bereavement for the premature death of seven girl-students of our College Girls' Hostel in the bus accident at the night of the 28th November 1999. *– Editor.*

**List of Results :-**
1. *Athletic Section.*
2. *Minor Games.*
3. *Boys' Common Room.*
4. *Social Services.*
5. *Literary Competition.*
6. *Culture.*

## Athletic Section

**Athletic (Boys)**
1st – Arun Nath, T.D.C. 2nd year (Arts) 4.26 mt.
2nd – Pranab Das, T.D.C. 2nd year (Arts) 4.20 mt.
3rd – Himangsu Sarma, T.D.C. 2nd year (Com.) 4.00 mt.

**Long Jump (Girls)**
1st – Anushree Kakati, T.D.C. 2nd year (Arts) 3.67 mt.
2nd – Munmani Das, H.S. 1st year (Arts) 3.48 mt.
3rd – Soma Dom, T.D.C. 1st year (Arts) 3.43 mt.

**Best Boys Athelet –** *Safiqul Islam*
**Best Girls Athelet –** *Anushree Kakati*

**Hundred Metres Race (Boys)**
1st – Safiqul Islam, H.S. 1st year (Arts)
2nd – Rafiqul Islam, T.D.C. 1st year (Arts)
3rd – Kusumbar Ray, H.S. 1st year (Arts)

**Hundred Metres Race (Girls)**
1st – Anushree Kakati, T.D.C. 2nd year (Arts)
2nd – Soma Dom, T.D.C. 1st year (Arts)
3rd – Munmani Das, H.S. 1st year (Arts)

**200 Metres Race (Boys)**
1st – Safiqul Islam, H.S. 1st year (Arts)
2nd – Gunajeet Das, H.S. 1st year (Arts)
3rd – Rafiqul Islam, T.D.C. 1st year (Arts)

**200 Metres Race (Girls)**
1st – Munmani Das, H.S. 1st year (Arts)
2nd – Anushree Kakati, T.D.C. 2nd year (Arts)
3rd – Soma Dom, T.D.C. 1st year (Arts)

**400 Meters Relay Race (Boys)**
1st – Safiqul Islam, H.S. 1st year (Arts)
2nd – Ajay Kr. Das, H.S. 2nd year (Arts)
3rd – Nabajeet Das, H.S. 1st year (Arts)

**Shot Put Throw Competition (Boys)**
1st – Binod Boro, H.S. 1st year (Sc.) 11.24 mt.
2nd – Alakesh Das, H.S. 1st year (Arts) 10.50 mt.
3rd – Mainul Haque, 10.63 mt.

**Shot Put Throw Competition (Girls)**
1st – Anushree Kakati, T.D.C. 2nd year (Arts) 6.54 mt.
2nd – Juri Pathak, T.D.C. 1st year (Arts) 6.01 mt.
3rd – Rubimani Das, H.S. 1st year (Arts) 6.00 mt.

**Javelin Throw Competition (Boys)**
1st – Parameswar Boro, 40.90 mt.
2nd – Mainul Haque, 38.50 mt.
3rd – Diju Das, 38.00 mt.

**Javelin Throw Competition (Girls)**
1st – Munmani Das, H.S. 1st year (Arts) 9.50 mt.
2nd – Dipali Das, 9.09 mt.
3rd – Rubimani Das, H.S. 1st year (Arts) 8.65 mt.

**Discuss Throw Competition (Boys)**
1st – Alakesh Das, H.S. 1st year (Arts) 24.06 mt.
2nd – Binod Boro, H.S. 1st year (Sc.) 22.99 mt.
3rd – Safiqul Islam, H.S. 1st year (Arts) 22.25 mt.

**Discuss Throw Competition (Girls)**
1st – Anushree Kakati, T.D.C. 2nd year (Arts) 16.90 mt.
2nd – Rubimani Das, H.S. 1st year (Arts) 8.65 mt.
3rd – Jonali Das, T.D.C. 2nd year (Arts) 13.93 mt.

**Hundred Metres runs (Boys)**
1st – Safiqul Islam, H.S. 1st year (Arts)
2nd – Rafiqul Islam, T.D.C. 1st year (Arts)
3rd – Kusumbar Ray, H.S. 1st year (Arts)

**Hundred Metres runs (Girls)**
1st – Anushree Kakati, T.D.C. 2nd year (Arts)
2nd – Soma Dom, T.D.C. 1st year (Arts)
3rd – Munmani Das, H.S. 1st year (Arts)

**200 Metres runs (Boys)**
1st – Safiqul Islam, H.S. 1st year (Arts)
2nd – Gunajeet Das, H.S. 1st year (Arts)
3rd – Rafiqul Islam, T.D.C. 1st year (Arts)

**200 Metres runs (Girls)**
1st – Munmani Das, H.S. 1st year (Arts)
2nd – Anushree Kakati, T.D.C. 2nd year (Arts)
3rd – Soma Dom, T.D.C. 1st year (Arts)

**400 Metres Relay (Boys)**
1st – Safiqul Islam, H.S. 1st year (Arts)
2nd – Ajay Kr. Das, H.S. 2nd year (Arts)
3rd – Nabajeet Das, H.S. 1st year (Arts)

## MINOR GAMES

### Volley Ball Compitition :

**Volley Ball Champion (T.D.C. 2nd year (A))**
1. Pranjal Das (Captain)
2. Nilmani Nath (Best Volley Ball Player)
3. Arup Nath
4. Rajeev Talukdar
5. Kalicharan Das
6. Nilkamal Das
7. Pranab Das
8. Nipul Nath
9. Khairul Islam
10. Abdul Latif

### Volley Ball Compitition

**Runners - Up (T.D.C. 3rd year (A))**
1. Hemanta Boro (Captain)
2. Manoj Khatanier
3. Tutul Manab
4. Prasanjit Bayan
5. Mithul Hassan
6. Kishor Pathak
7. Zakir Hossain Khan
8. Sourin Das
9. Saiful Islam

**Best Volley Ball Player**
*Nilmany Nath, (T.D.C. 2nd year (Arts))*

### Badminton

**Boy's Single**
**Champion** – Sunil Shyamsukha, H.S. 2nd year (Com.)
**Runners Up** – Nitin Jain, H.S. 1st year (Com.)

**Boy's Double**
**Champion** – Sunil Shyamsukha, H.S. 2nd year (Com.)
Amit Jain, H.S. 1st year (Com.)
**Runners Up** – Bishal Dhirasaria, H.S. 1st year (Com.)
Nitin Jain, H.S. 1st year (Com.)

**Girl's Single**
**Champion** – Namita Paul, T.D.C. 1st year (Arts)
**Runners Up** – Swota Sharma, T.D.C. 1st year (Com.)

**Mix Double**
**Champion** – Sunil Shyamsukha, H.S. 2nd year (Com.)
Sangeeta Choudhury, T.D.C. 1st year (Com.)
**Runners Up** – Ardendhu Roy, T.D.C. 3rd year (Com.)
Anindita Mondol, H.S. T.D.C. 1st year (Arts)

## BOYS COMMON ROOMS

### Table Tennis

**Table Tennis (Single)**
**Champion** – Sunil Shyamsukha, H.S. 2nd year (Com.)
**Runners Up** – Mominur Rahman, T.D.C. 3rd year (Arts)



**Table Tennis (Doubles)**
**Champion** – Sunil Shyamsukha, H.S. 2nd year (Com.)
Manish Rathi, H.S. 2nd year (Com.)
**Runners Up** – Madhurja Das, T.D.C. 2nd year (Arts)
Mominur Rahman, T.D.C. 3rd year (Arts)

**Ludu (Single)**
**Champion** – Madhurja Das, T.D.C. 2nd year (Arts)
**Runners Up** – Satyabrat Talukdar, T.D.C. 2nd year (Arts)

**Ludu (Doubles)**
**Champion** – Satyabrat Talukdar, T.D.C. 2nd year (Arts)
Nirmal Das, T.D.C. 2nd year (Arts)
**Runners Up** – Gopal Saraf, T.D.C. 1st year (Com.)
Giridhari Saraf, T.D.C. 1st year (Com.)

**Chess**
**Champion** – Devajyoti Bishwash, T.D.C. 2nd year (Arts)
**Runners Up** – Diganta Das, T.D.C. 1st year (Arts)

**Carrom (Single)**
**Champion** – Nitin Jain, H.S. 1st year (Com.)
**Runners Up** – Manoj Kr. Bothra, T.D.C. 3rd year (Com.)

**Carrom (Doubles)**
**Champion** – Sanjeet Das, T.D.C. 3rd year (Com.)
Rajesh Saha, T.D.C. 3rd year (Com.)
**Runners Up** – Nitin Jain, H.S. 1st year (Com.)
Bishal Agarwal, H.S. 1st year (Com.)

## SOCIAL SERVICE

**Social Worker**
1st – Shaizuddin Ahmed, T.D.C. 1st year (Arts)
2nd – (a) Saifuddin, H.S. 1st year (Arts)
(b) Nayanjyoti Choudhury, T.D.C. 2nd year (Arts)
3rd – (a) Abdul Jalil, H.S. 1st year (Arts)
(b) Milan Khan, T.D.C. 1st year (Arts)

**Best Social Worker**
Abdus Sattar, T.D.C. 2nd year (Arts)

**Consolation Prize (Social Service)**
1. Khairul Islam, T.D.C. 1st year (Arts)
2. Abdul Maleque, T.D.C. 2nd year (Arts)
3. Rafiqul Islam, H.S. 1st year (Arts)
4. Nilema Parbin, H.S. 1st year (Arts)
5. Shahera Abdin, T.D.C. 3rd year (Arts)
6. Joynab Bagam, T.D.C. 1st year (Arts)
7. Mohor Ali, T.D.C. 3rd year (Arts)
8. Abdul Latif, T.D.C. 2nd year (Arts)
9. Golam Sarowar, T.D.C. 3rd year (Arts)
10. Hafizur Rahman, T.D.C. 1st year (Arts)
11. Manirax Zaman, T.D.C. 1st year (Arts)
12. Manjurul Hoque, T.D.C. 2nd year (Arts)
13. Shahidul Islam, T.D.C. 1st year (Arts)
14. Julhas Ali, T.D.C. 1st year (Arts)

## LITERARY COMPETITION

**Essay**
1st – Musharrab Hussain, H.S. 1st year (Arts)
2nd – Sri Bandana Das, T.D.C. 3rd year (Arts)
3rd – Sri Mridul Das, T.D.C. 1st year (Arts)

**Short Story**
1st – Sri Mridul Das, T.D.C. 1st year (Sc.)
Story – [illegible]।
2nd – Nil
3rd – Sri Madhurya Das, T.D.C. 2nd year (Arts)
Story – হত্যা।

**Poetry**
1st – Sri Bandana Das, T.D.C. 3rd year (Arts)
Poem – [illegible]।
2nd – Sri Mridul Das, T.D.C. 1st year (Arts)
Poem – [illegible]।
3rd – Sri Madhurya Das, T.D.C. 2nd year (Arts)
Poem – [illegible]।

**Consolation Prize**
Md. Hafizur Rahman, T.D.C. 1st year (Arts)
Poem – হাঁহাকাৰ।

**Best Literary Competitor**
Mridul Das, T.D.C. 1st year (Arts)

# উপ-সভাপতিৰ (স্নাতকোত্তৰ মহলা) প্ৰতিবেদন





প্ৰতিবেদনৰ পাতনিতে বি. এইচ. কলেজৰ ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মোক নিৰ্বাচিত কৰাৰ বাবে সমূহ সহৃদয় বন্ধু আৰু শুভাকাংক্ষীকে আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। উপ-সভাপতি পদত অধিষ্ঠিত হৈ মই কি কৰিব পাৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়।

অসমৰ বৌদ্ধিক আৰু শৈক্ষিক জগতত বিশেষভাৱে আগবঢ়া বি. এইচ. কলেজৰ দৰে মহান কলেজ এখনৰ উপ-সভাপতি পদত অধিষ্ঠিত হৈ নিজকে ধন্য মানিছোঁ। এইখিনিতে বিশেষভাৱে উল্লেখনীয় যে বি. এইচ. কলেজৰ বাণিজ্য শাখাত স্নাতকোত্তৰ পৰ্যায়লৈকে পঢ়াৰ সুবিধা আছে। মোৰ বাবে গৌৰৱৰ বিষয় এয়ে যে মই বি. এইচ. কলেজত স্নাতকোত্তৰ পৰ্যায়ত শিক্ষা গ্ৰহণ কৰাৰ সুবিধা পাইছোঁ।

বি. এইচ. কলেজ কৰ্তৃপক্ষৰ উদাসীন আৰু আওকণীয়া মনোভাৱৰ বাবে বৰ্তমান বাণিজ্য স্নাতকোত্তৰ শাখাৰ অৱস্থা 'আছে গৰু নাবায় হাল' সদৃশ। তাৰোপৰি নিৰ্দিষ্ট সংখ্যক অধ্যাপকৰ অভাৱেও এইক্ষেত্ৰত হেঙাৰ হৈ থিয় দিছে। দুখ লাগে এইখিনিতে যে বাণিজ্য শাখাৰ স্নাতকোত্তৰ পৰ্যায়ত অকল *FINANCE* আৰু *ACCOUNTANCY* বিষয়তহে শিক্ষা গ্ৰহণ কৰাৰ সুবিধা আছে। কৰ্তৃপক্ষৰ ওচৰত বাৰম্বাৰ দাবী আৰু অনুৰোধ জনাই অহা স্বত্বেও এতিয়াও *MANAGEMENT, MARKETING* আৰু *RURAL DEVELOPMENT* বিষয়ত শিক্ষাদান কৰাৰ ব্যৱস্থা কৰা নাই। প্ৰথম বাৰৰ বাবে বাণিজ্য শাখাৰ স্নাতকোত্তৰ পৰ্যায় মুকলি হওঁতে *RURAL DEVELOPMENT* বিষয়ত শিক্ষাগ্ৰহণ কৰাৰ সুবিধা আছিল যদিও কৰ্তৃপক্ষৰ হেমাহিত এই বিষয়টো বন্ধ হৈ গৈছে। নামত *P.G. LIBRARY* আছে যদিও প্ৰয়োজনীয় সংখ্যাত কিতাপ পোৱা নাযায়। যিখিনি কিতাপ আছে তাৰে সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীৰো চাহিদা পূৰণ নহয়। অৱশ্যে আশাপ্ৰদ বিষয় এয়ে যে মোৰ কাৰ্যকালৰ সময়ছোৱাত কলেজ কৰ্তৃপক্ষই কিছু সংখ্যক কিতাপ যোগান ধৰিছে। মই আশা কৰিছোঁ যাতে অন্যান্য বিষয়তো পৰৱৰ্তী ছাত্ৰ একতা সভাই কৰ্তৃপক্ষৰ লগত সহযোগিতা কৰি দৃঢ় পদক্ষেপ গ্ৰহণ কৰে।

ইয়াৰ ব্যতিৰেকেও স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীৰ এটি পুৰণি দাবী হ'ল কলেজত *MBA (MASTER OF BUSINESS ADMINISTRATION)* বিভাগ এটি মুকলি কৰা। কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ থাকিল তেওঁলোকে যাতে অনতিপলমে *U.G.C.* ৰ লগত এই বিষয়ে যোগাযোগ কৰে। ভৱিষ্যতে কলা শাখাৰ সকলো বিষয়ত স্নাতকোত্তৰ পৰ্যায় মুকলি হ'ব বুলিও মই আশা ৰাখিলোঁ। তাৰোপৰি বাণিজ্য শাখাৰ স্নাতকোত্তৰ পৰ্যায়ৰ উত্তৰোত্তৰ উন্নতিৰ বাবে কৰ্তৃপক্ষই অধিক মনোযোগ দিব বুলি আশা ৰাখিলোঁ।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে আৰু লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু বি. এইচ. কলেজ"

"জয়তু ছাত্ৰ একতা সভা"

"জয় আই অসম"

ধন্যবাদ সহকাৰে

শ্ৰীপংকজ দাস

উপ-সভাপতি

# উপ-সভাপতিৰ (স্নাতক মহলা) প্ৰতিবেদন



"বন্দুকৰ শব্দত বাতি পুৱায়নে?
ওহো!
পুৱায় সেই চৰাইবোৰৰ মাতত
যিয়ে কুটি কুটি খায়
বাতিৰ আন্ধাৰবোৰ
লাহে লাহে" ...............

বাঁকনেৰে আচ্ছন্ন সাম্প্ৰতিক সময়ত তেনেই আবেগিক মানবীয় সত্বা। শিশু, ফুল আটাইবোৰকে এতিয়া দয়াহীনভাৱে তপত তেজত ডুবাই দিয়া হৈছে, ৰাজনীতিজ্ঞৰ পৰা সমাজনীতিজ্ঞলৈকে সকলোৱে নিজৰ জেপত আত্মসমৰ্পণ কৰিছে সজোৰে। এনে এক আহুকলীয়া পৰিবেশত শিকাৰৰে ছাত্ৰ নামৰ অস্তিত্ব বজাই ৰখাটো, ক'বলৈ বেয়া লাগিলেও তেনেই কষ্টসাধ্য কথা। আমাৰ ভবিষ্যতকলৈ আমি সেয়েহে কেতিয়াবা সন্দিহান হৈ পৰোঁ। আমি ভাবিবলৈ বাধ্য হওঁ – বিদ্যায়তনিক পৰিধি অতিক্ৰমি আমি কি অস্তিত্বৰ মাজতে জীয়াই থাকিম, কি হ'ব আমাৰ ভবিষ্যত সংকল্প?

তথাপি শিক্ষাগুৰু সকলৰ নিৰ্মল আদৰ্শই আমাক সাহস যোগাইছে, কলা, বাণিজ্য তথা বিজ্ঞানৰ অমৰ তত্ব সম্বলিত বৌদ্ধিক বাতাবৰণৰ কবলত আমি ক্ষন্তেকৰ বাবে হ'লেও পাহৰিবলৈ যত্ন কৰিছো আমাৰ চৌপাশে গঢ়ি উঠা অসভ্য চঞ্চলতাক। কিন্তু কিমান দিন? এই বৌদ্ধিক পৰিবেশ অতিক্ৰম কৰি আমি এনে এক পৰিসৰ পামনে যত নিজকে আমি স্বাৱলম্বী কৰি গঢ়ি তুলিব পাৰিম স্বচ্ছন্দে? আমি মায়া-মমতাৰে ভৰা তেনে এটা সময় পামনে যত মানুহে মানুহৰ বাবে অলপ হ'লেও ত্যাগ স্বীকাৰ কৰিব পাৰিব? আচলতে ক্ষমতা আৰু সহজলভ্য অৰ্থ লোভত প্ৰতিজন মানুহেই এতিয়া অন্ধ। আমাৰ ভয় হয় প্ৰতিজন শিক্ষিত মানুহৰ দৰে আমিও নিৰ্দিষ্ট কৰি লব লাগিব নেকি সেই একেই পথ, আমাৰ ভবিষ্যত এনে নষ্ট সময়ৰে হাতৰ মুঠিত নেকি? আমাৰ এনে শংকা জৰ্জৰিত প্ৰশ্নবোৰৰ সমিধান কোনোবাই দিব পাৰিবনে?

আমি জানো ছাত্ৰ শক্তি পৃথিৱীৰ এক দুৰন্ত শক্তি – ইতিহাস সলনি কৰি দিব পৰা অপ্ৰতিৰোধ্য উদ্যম যাৰ আছে। সেই কাৰণেইতো সম্ভৱতঃ ছাত্ৰ সমাজৰ সমন্বিত বেষ্টনীত ৰাজনীতিকৰ দৃষ্টি তীক্ষ্ণতৰ। এনে প্ৰক্ৰিয়া ভূমিকম্পীৰূপ ধাৰণ কৰাৰ আগতেই নিৰ্মুল কৰাৰ সময় সমাগত। ভৱিষ্যত প্ৰজন্মৰ অভিশাপ আমি আটায়ে মুৰ পাতি লব লাগিব।

এতিয়া প্ৰয়োজন দৃঢ়তাৰ, এক বৃহৎ সংকল্পৰ। মানুহৰ হৃদয়ত এতিয়াও স্থান আছে সহানুভূতিৰ, নৈতিকতাৰ, মানৱতাবোধৰ। মাথোন এনে অবিনাশী সত্যতাক তত্বান্বিত কৰি প্ৰেম মমতা আৰু ভালপোৱাৰে জীপাল কৰি তুলিব লাগিব প্ৰত্যেকৰে হৃদয় পথাৰ। আহক সন্মুখৰ সহস্ৰাব্দত নিজৰ পৰাই আমি তেনে কিননীয়া পথাৰৰ সন্ধান কৰোঁ.........।

সদৌ শেষত মোৰ কাৰ্যকালছোৱাত বিশেষভাৱে সহায় সহযোগ কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু, প্ৰিয় বন্ধু-বান্ধৱী তথা সুহৃদ সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মোৰ কাৰ্যবৰ্ষৰ ভিতৰত আকস্মিকভাৱে বাছ দুৰ্ঘটনাত নিহত হোৱা আমাৰ মহাবিদ্যালয়ৰ কেউগৰাকী ছাত্ৰীৰ আত্মাৰ সদ্‌গতি কামনা কৰি ইমানতেই সামৰিছোঁ।

"জয়তু বি. এইচ. কলেজ"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

ধন্যবাদেৰে
**শ্ৰীজয়ন্ত কুমাৰ বায়ন**
উপ-সভাপতি





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



মোৰ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ প্ৰাৰম্ভতে যিসকল মহান ব্যক্তি আৰু মহান মণীষিৰ প্ৰচেষ্টাত এই মহান অনুষ্ঠানটি প্ৰতিষ্ঠিত হ'ল সেইসকলৰ প্ৰতি মই মোৰ সশ্ৰদ্ধ প্ৰণাম তথা কৃতজ্ঞতা যাছিলোঁ।

বি. এইচ. কলেজৰ এক সুকীয়া ইতিহাস আছে। বহুজনৰ আশা-আকাংক্ষা যেনেদৰে ইয়াত বাস্তৱায়িত হয়, তেনেকৈ সভ্যতাৰ বীজো ইয়াত অংকুৰিত হয়। এনে এখন মহান শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব মুৰ পাতি লৈ প্ৰথম অৱস্থাত বিবুধিত পৰিছিলোঁ যদিও শিক্ষাগুৰু তথা ছাত্ৰ বন্ধু-বান্ধৱীসকলৰ উৎসাহতে গা-টঙাই থিয় হ'বলৈ অনুপ্ৰাণিত হ'লোঁ। অৱশ্যে মোৰ কাৰ্যকালৰ কৃতকাৰ্যতা আপোনালোকৰহে বিচাৰ্য বিষয়।

শপত গ্ৰহণৰ এসপ্তাহ পিছতেই আমাৰ কলেজৰ পৰা বনভোজৰ বাবে আমচৈ অভিমুখে যোৱা ছাত্ৰী নিবাসৰ এটি দল টিহ নদীৰ দলঙত শোকাবহভাৱে দুৰ্ঘটনাত পতিত হৈ সাত গৰাকী ছাত্ৰীৰ আকস্মিক মৃত্যুৱে আমাক সকলোকে কন্দুৱাই থৈ যায়। দুৰ্ঘটনাৰ আকস্মিকতাত এনে এক পৰিবেশৰ সৃষ্টি হয় যে নতুন ছাত্ৰ একতা সভাই উক্ত পৰিস্থিতিত কলেজখনৰ শৈক্ষিক বাতাবৰণ নিয়ন্ত্ৰণ কৰিবলৈ যথেষ্ট সতৰ্কতা অবলম্বন কৰিবলগীয়া হৈছিল। এনে দুৰ্ঘটনাৰ সৃষ্টিকাৰী অপৰাধীসকলক যথোচিত শাস্তি প্ৰদান তথা নিহত আৰু আহতসকলৰ ক্ষতি পূৰণৰ কামনাৰে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিলোঁ যদিও অসমৰ মুখ্যমন্ত্ৰীৰ সহানুভূতিশীল আশ্বাসত আমি প্ৰতিবাদী কাৰ্যসূচীসমূহ প্ৰত্যাহাৰ কৰিছিলোঁ। ইতিমধ্যে জিলা উপায়ুক্তই মহকুমা দণ্ডাধীশক ঘটনা সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছিল আৰু এই তদন্ত আয়োগে দোষী ব্যক্তিসকলক চিনাক্ত কৰাৰ পিছত কলেজ কৰ্তৃপক্ষই ইয়াৰ এক্তিয়াৰৰ ভিতৰত থকা ব্যক্তিসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে যদিও কলেজৰ বাহিৰত থকা ব্যক্তিসকলৰ বিৰুদ্ধে চৰকাৰে আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ নকৰাটো অতিকে আশ্চৰ্যজনক বিষয়।

**বিভিন্ন উৎসৱ-সভা ঃ**

(১) মোৰ কাৰ্যকালছোৱাৰ ভিতৰত দুৰ্ঘটনাত নিহত ছাত্ৰীসকলৰ আত্মাৰ সদ্‌গতিৰ কাৰণে ছয়দিনীয়া শোক পালন কৰাৰ লগতে ৰাজহুৱা আদ্যশ্ৰাদ্ধ পালন কৰা হয়।

(২) সাতগৰাকী সহপাঠীক দুৰ্ভাগ্যজনকভাৱে হেৰুৱাই ব্যথিত হোৱা আমাৰ ছাত্ৰ একতা সভাই আহত সকলৰ চিকিৎসাৰ কাৰণে ১০,০০০.০০ টকা প্ৰদান কৰি ২৭ জানুৱাৰীৰ পৰা অনুষ্ঠুপীয়াকৈ কলেজ সপ্তাহ উদ্‌যাপন হয়।

(৩) মোৰ কাৰ্যকালছোৱাৰ নৱাগত আদৰণি সভাখন আনুষ্ঠানিক মাত্ৰহে আছিল। তথাপি বিশিষ্ট সাহিত্যিক শ্ৰীকেশৱ মহন্ত, ডঃ শিৱনাথ বৰ্মন, প্ৰাক্তন

(ক্ৰমশঃ)

## .......সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস, প্ৰাক্তন মুৰব্বী অধ্যাপক (ইংৰাজী বিভাগ) শ্ৰীযুত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী আদিয়ে উক্ত সভালৈ আহি নবাগতসকলক উৎসাহ যোগোৱাৰ লগতে আমাকো কৃতাৰ্থ কৰিছিল।

(৪) কলেজখনৰ প্ৰতিষ্ঠাৰে পৰা একাণপতীয়াভাৱে লাগি থাকি কলেজখনৰ বৌদ্ধিক, প্ৰশাসনিক প্ৰভৃতি দিশৰ লগতে কলেজখনৰ সৰ্বাংগীন উত্তৰণত নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰি অহা শ্ৰদ্ধেয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱৰ অৱসৰ মোৰ কাৰ্য্যকালতে হৈছিল। তথাপি কঠোৰ বাস্তৱতাক স্বীকাৰ কৰি আমি সতৃষ্ণ নয়নেৰে তেখেতক বিদায় যাঁচিছিলোঁ যোৱা ২৩/৮/৯৯ ইং তাৰিখে। কলেজখনৰ প্ৰতি তেখেতৰ অৱদান অতুলনীয় -- যাৰ ঋণ আমি কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম।

(৫) দুৰ্ঘটনাত নিহত সহপাঠীসকলৰ স্মৃতি সজীব কৰি ৰখাৰ কাৰণে মোৰ কাৰ্য্যকালছোৱাৰ ভিতৰত যোৱা ২৪/১১/৯৯ ইং তাৰিখে এটি স্মৃতিস্তম্ভৰ আধাৰশিলা স্থাপন কৰা হয়।

প্ৰতিবেদনৰ অন্তত বি. এইচ. কলেজৰ শিক্ষকবৃন্দ, কাৰ্য্যালয়ৰ কৰ্মীসকল তথা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকললৈ মই মোৰ হিয়া ভৰা কৃতজ্ঞতা যাঁচিলো। আপোনালোকৰ প্ৰেৰণা আৰু সহযোগিতা অবিহনে মই মোৰ কাৰ্য্য সম্পাদন কৰিব নোৱাৰিলোঁহেঁতেন। অবিৰত দিহা-পৰামৰ্শ দি বাট দেখুৱাই দিয়া মাননীয় ডঃ কৃষ্ণ কিংকৰ মহন্ত ছাৰক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু লগতে সুঁৱৰিছোঁ ছাত্ৰ একতা সভাৰ সমূহ কৰ্মীবৃন্দ তথা মোৰ ছাত্ৰ বন্ধু-বান্ধৱী, ভাই-ভনীসকললৈ।

সামৰণিত কওঁ, লুইতৰ বুকুৰ অবিৰত উৰ্মিমালাৰ দৰে বি. এইচ. কলেজৰ স্মৃতি মোৰ জীৱনত যাউতিযুগীয়া হৈ থাকক — এইয়ে মোৰ কামনা।

"জয়তু বি. এইচ. কলেজ"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

ধন্যবাদেৰে
**শ্ৰীমিণ্টু দাস**
সাধাৰণ সম্পাদক





## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ বি. এইচ কলেজৰ সেইসকল ব্যক্তিলৈ প্ৰণিপাত জনাইছোঁ যিসকলৰ অক্লান্ত প্ৰচেষ্টাত কলেজখন আজিৰ অৱস্থা পাইছে।

২৮/১১/৯৯ ইং তাৰিখ বি. এইচ. কলেজ তথা আমাৰ কাৰ্য্যকালৰ এক অভিশপ্ত দিন। এই দিনতে কলেজৰ ছাত্ৰী নিবাসৰ পৰা বনভোজলৈ যাওঁতে চিহ নদীৰ দলঙৰ পৰা গাড়ী বাগৰি পৰি সাতগৰাকী ছাত্ৰীৰ মৃত্যু হয় আৰু লগতে ছাৰ আৰু কেইজনীমান ছাত্ৰী গুৰুতৰভাৱে আহত হয়। সেইবাবে এইখিনিতেই মই নিহত ছাত্ৰীকেইগৰাকীৰ পৰিয়ালবৰ্গলৈ সমবেদনা যাঁচিছোঁ।

বৰ্ত্তমান গোটেই বিশ্বৰ লগতে আমাৰ অসমতো বিভিন্ন সমস্যাই মূৰ দাঙি উঠিছে। তাৰ ভিতৰত ঘাইকৈ নিবনুৱা সমস্যা, দৰিদ্ৰতা আৰু জনসংখ্যা বৃদ্ধি ইত্যাদিয়েই প্ৰধান। এইবোৰৰ ভিতৰত বৰ্ত্তমান নিবনুৱা সমস্যাই বিশেষকৈ মূৰ দাঙি উঠিছে। গতিকে মোৰ বোধেৰে আমাৰ সমাজৰ প্ৰতিজন ব্যক্তিয়েই শিক্ষাৰ লগতে আত্মনিৰ্ভৰশীল হোৱাৰ বিশেষ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলক হয়তো সেই বিষয়ে আগ্ৰহী কৰি তোলাৰ বাবে 'কলেজ সপ্তাহ'ত এখন প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্মদক্ষতা আৰু আগ্ৰহ বৃদ্ধিৰ বাবে তেওঁলোকক পুৰস্কৃত কৰাৰ ব্যৱস্থাও আছে। কিন্তু দুৰ্ভাগ্যবশতঃ বহুতো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ দক্ষতা থকা স্বত্বেও প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰে। গতিকে মই সেইসকল ছাত্ৰ-ছাত্ৰীক অনুৰোধ জনাওঁ যাতে ইয়াৰ পিছত প্ৰতি বছৰেই এই প্ৰদৰ্শনী আকৰ্ষণীয় হয়।

'প্ৰদৰ্শনী'ত বহু ধৰণৰ প্ৰতিযোগিতা হয়। সেইবোৰৰ কিছুমান এম্ব্ৰয়ডাৰী, হাতে বোৱা কাপোৰ, উলৰ কাম, ডাক টিকট সংগ্ৰহ, বালিচিত্ৰ, বাঁহ-বেতৰ কাম, মুদ্ৰা সংগ্ৰহ, আপুৰুগীয়া সম্পদ সংগ্ৰহ, ফেব্ৰিক পেইন্ট, এছটিচ্, পুষ্পসজ্জা, পুতলা সজা ইত্যাদি।

কৃতজ্ঞতা স্বীকাৰ ঃ মোক সৰ্বতো প্ৰকাৰে সহায় কৰা কাৰণে অধ্যাপক ডঃ কে. কে. মহন্ত, অধ্যাপিকা কুন্দকুমাৰী কলিতা আৰু দীপা ভট্টাচাৰ্য্য চাৰ আৰু বাইদেউসকললৈ কৃতজ্ঞতা জনাইছোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন বিষয়ত মোক সহায় কৰা কাৰণে মোঃ লালমামুদ, বাবৰ, ৰিয়াজুল, হৰেকৃষ্ণ, ইনামুল, জায়াদুল ৰহিচ, আঃ জলিল, চানমামুদ, আঃ চাত্তাৰ, আছফাকুল ছবোৱাৰ , আঃ লতিফ, খাইৰুল, মহৰ আলি, চানমামুদ, সফিকুল ইচলাম, আজাহাৰ, নজৰুল, আকতাৰ, ৰাণা — এওঁলোকৰ ওচৰত মই কৃতজ্ঞ।

"জয়তু বি. এইচ. কলেজ"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

ধন্যবাদ সহকাৰে
**মহঃ ছফিকুল ইছলাম (ভুট্টো)**
সহঃ সাধাৰণ সম্পাদক

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



বুকুত সু-উচ্চ হিমালয়ৰ দৰে দৃঢ়তা লৈ কাৰ্গিলৰ যুদ্ধত প্ৰাণকো বিসৰ্জন দিব পৰা মহান বীৰ শ্বহীদসকললৈ প্ৰাৰম্ভণিতে আমাৰ অশ্ৰুসিক্ত প্ৰণিপাত জনাইছোঁ। প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৮ চনৰ ২৯ নবেম্বৰৰ ৰাতি ২ বাজি ৪৫ মিনিটত টিপ নৈৰ বুকুত প্ৰাণ বিসৰ্জন দিয়া সাতজনী ভনীৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিছোঁ।

শিক্ষা আৰু সমন্বয়ৰ মিলনতীৰ্থ "বৰপেটাৰোড হাউলী মহাবিদ্যালয়"ৰ দৰে এটা মহান অনুষ্ঠানৰ সাংস্কৃতিক বিভাগৰ গুৰুত্বপূৰ্ণ পদত মোক নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ।

মই আমাৰ কলেজৰ মুঠ ২২ জনীয়া দল আৰু অধ্যাপক মাননীয় শ্ৰীযুত ৰাধাচৰণ ৰাভা আৰু শ্ৰীযুত দীপমণি দাস ছাৰৰ লগত গুৱাহাটী বিশ্ববিদ্যালয়ত যুৱ-মহোৎসৱত অংশ গ্ৰহণ কৰিছিলোঁ। যুৱ-মহোৎসৱত নাট, গীত, সমবেত সংগীত ইত্যাদি প্ৰতিযোগিতাত আমাৰ কলেজৰ তৰফৰ পৰা অংশ গ্ৰহণ কৰা হয়।

বিগত বছৰৰ দৰে এই বছৰো "কলেজ সপ্তাহ" উপলক্ষে সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই বছৰৰ সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন কৰে মাননীয় অধ্যাপক শ্ৰীযুত ৰবীন ভট্টাচাৰ্য্যদেৱে। কিন্তু উক্ত প্ৰতিযোগিতা বিলাকত প্ৰতিযোগীৰ সংখ্যা দুখলগা ধৰণে কম আছিল। কলেজ সপ্তাহত শ্ৰীঅনুপমা দাসে শ্ৰেষ্ঠা গায়িকাৰ সন্মান লাভ কৰে। কলেজ সপ্তাহৰ বঁটা বিতৰণৰ দিনাখন এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই সাংস্কৃতিক অনুষ্ঠানত স্থানীয় ন-পুৰণি শিল্পীৰ দ্বাৰা গীত পৰিবেশন কৰা হৈছিল।

প্ৰতিবছৰে অনুষ্ঠিত কৰাৰ দৰে মোৰ কাৰ্য্যকালতো নৱাগত আদৰণি সভা পতা হৈছিল আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছিল। এই সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বৰ্ত্তমান অধ্যক্ষ ড° ৰমেন দাসদেৱে। এই সাংস্কৃতিক সন্ধিয়াত গুৱাহাটীৰ দুলাল নাথ, বাণী হাজৰিকা, মিথু হাজৰিকা আৰু বৰপেটাৰ পাপৰি শৰ্মা, দীপাশ্ৰী দাস আৰু লগতে স্থানীয় শিল্পীয়েও গীত পৰিবেশন কৰি মঞ্চ আকৰ্ষণীয় কৰিছিল। মোৰ কাৰ্য্যকালতে পোন প্ৰথম বাৰৰ বাবে নৱনিৰ্মিত প্ৰেক্ষাগৃহত সাংস্কৃতিক সন্ধিয়া আয়োজন কৰা হৈছিল। ইয়াৰ ফলত অইন বছৰতকৈ এই বছৰ সাংস্কৃতিক সন্ধিয়া বেছি আকৰ্ষণীয় হৈছিল।

ঐক্য, শান্তি আৰু প্ৰগতিৰ এনাজৰীৰে বান্ধি পেলোৱা বি. এইচ. কলেজৰ সাংস্কৃতিক সম্পাদক একজনৰ দায়িত্ব আৰু কৰ্তব্য সঁচাকৈয়ে গধুৰ আৰু কষ্টপূৰ্ণ। এই দায়িত্ব পালনত মই কিমানখিনি সফলতা লাভ কৰিব পাৰিছোঁ সেই কথা মোৰ অৱগত নহয়, কিন্তু কৰ্তব্য আৰু দায়িত্ব পালনত নিশ্চয় ত্ৰুটি কৰা নাই। তথাপি মোৰ অবাঞ্চিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

মোৰ কাৰ্য্যকালত সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ড° গুণীন দাসদেৱ আৰু মাননীয় অধ্যাপক শ্ৰীযুত ৰাধাচৰণ ৰাভা ছাৰে দেহেকেহে প্ৰতিটো কামতে সহযোগিতা আগবঢ়োৱাত তেখেতসকলৰ ওচৰত মই চিৰঋণী আৰু মোৰ গুৰু দায়িত্ব পালন কৰাত সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যক্ষ, উপাধ্যক্ষ মহোদয়, অধ্যাপকসকল সৰ্বশ্ৰী কৃষ্ণ কিংকৰ মহন্ত, গণেশ গোস্বামী, বৰিন ভট্টাচাৰ্য্য, দিলীপ শৰ্মা, অৰবিন্দ কলিতা, খুৰচেদ আলম, মহেশ কেদিয়া, দীপমণি দাস, বিপুল ডেকা আৰু অধ্যাপিকা ফুলকুমাৰী কলিতাৰ ওচৰত চিৰদিন ঋণী হৈ থাকিম।

মই এইখিনিতে কিছুমান অভিযোগ আগবঢ়াও যে আমাৰ কলেজৰ পৰ্য্যাপ্ত বাদ্য-যন্ত্ৰ নাই। ইয়াৰ ফলত যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হয় যাৰ ফলত সময়মতে আখৰা হোৱা নাই। কলেজ কৰ্তৃপক্ষই যাতে এই অভিযোগখিনি গুৰুত্ব সহকাৰে বিবেচনা কৰে।

মোৰ কাৰ্য্যকাল সম্পন্ন কৰা বাবে গোটেই বছৰ বিশেষভাৱে সহায় কৰা প্ৰণবদা আৰু মুকুটদাৰ ওচৰত মই চিৰঋণী হৈ থাকিম। তাৰ উপৰি মোৰ বন্ধু-বান্ধৱী আৰু ভাই-ভনীসকল হ'ল — গীতু, হিমাংশু, নয়ন, অমূল্য, জয়ন্ত, কৃষ্ণ মাধৱ, অজয়, বিশ্ব, মনজিৎ, ৰাজেশ, ফুলেন, ৰাহুল, মিণ্টু, আত্মাকুল, অৰ্দ্ধেন্দু, দিও, ৰাজীৱ, কণমনি, গৌতম, মানস, কুল, অনুপমা, বন্দনা, দীপ্তি, অনুশ্ৰী, প্ৰতিভা, বিজু, অনামিকা, প্ৰণীতা, জুৰি, ইলা, ৰাখি আৰু ভনীতা। লগতে মোৰ গোটেই কাৰ্য্যকালছোৱাত বি. এইচ. কলেজৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দৰ সহযোগিতাও অতুলনীয়।

সৰ্বশেষত বি. এইচ. মহাবিদ্যালয়ৰ আটাইকে অভিনন্দন আৰু ধন্যবাদ জনালোঁ। মই বি. এইচ. মহাবিদ্যালয় পৰিয়ালৰ এজন হিচাপে সদায় সুখ-দুখৰ অংশীদাৰ হোৱাৰ প্ৰতিশ্ৰুতিৰে আটাইলৈ ধন্যবাদ জনালোঁ।

"জয়তু বি. এইচ. কলেজ"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

ধন্যবাদ সহকাৰে
**জয়ন্ত কুমাৰ দেউৰী**
সাংস্কৃতিক সম্পাদক





# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে বি. এইচ. কলেজৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা জনাইছোঁ আৰু লগতে যিসকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত এই মহৎ শিক্ষানুষ্ঠানখন গঢ়ি উঠিছে তেওঁলোকলৈও মই মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

১৯৯৮-৯৯ চনত বি. এইচ. মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱমণ্ডিত শিক্ষানুষ্ঠানৰ সেৱা আগবঢ়াবলৈ সুবিধা দি মোক লঘু খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰা বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ। এনেকুৱা এটা গধুৰ দায়িত্ব গ্ৰহণ কৰাৰ সুযোগ পোৱাত মই সঁচাকৈয়ে আনন্দিত। এই কৰ্তব্য পালনত কিমান দূৰ কৃতকাৰ্য্য হৈছোঁ, সেয়া আপোনালোকৰ বিচাৰ্য্য।

১৯৯৮-৯৯ চনৰ 'কলেজ সপ্তাহ' চলাই নিয়াত কিছু অসুবিধা হৈছিল যদিও এইক্ষেত্ৰত লঘু খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মহেশ কেডিয়া চাৰে যথেষ্ট সহায় সহযোগ আগবঢ়াইছিল। সেয়ে মই তেওঁলৈ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

মোৰ কাৰ্য্যকালত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সদস্যসকলৰ উপৰিও ইনছান দা, মোস্তাক দা, মণ্টু দা (চাচা), বক্তিম জাকিৰ, অৰূপ, ৰাণা, আচিফ, নীলকমল, ৰাজীৱ, খাইৰুল, কায়েম, জগদা (চাৰ) আদিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মই মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি বি. এইচ. মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু বি. এইচ. মহাবিদ্যালয়"
"জয় আই অসম"

ধন্যবাদ সহকাৰে
**শ্ৰীহৰেশ্বৰ ডেকা (বিকী)**
সম্পাদক, লঘু খেল বিভাগ

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে বিশ্বৰ বুকুৰ পৰা হেৰাই যোৱা সেই শিল্পীসকল, যিসকলে নিজৰ জীৱনৰ সুন্দৰতা যিনি হেৰুৱাইয়ো মানৱ জাতিক সুন্দৰ পথলৈ আগুৱাই নিয়াত জীৱন উছৰ্গা কৰিলে সেইসকল বিশ্বশিল্পীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

শুভাকাংখীসকলৰ শুভাশীষ শিৰত লৈ কিছু প্ৰতিশ্ৰুতি আৰু আশাৰে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব মুৰ পাতি লৈছিলোঁ। কিছু আশা পুৰণ হ'ল, কিছুমান নহ'ল। কিছু দায়িত্ব পালন কৰিব পাৰিলোঁ, কিছু নোৱাৰিলোঁ। যিখিনি সফলতা মই বিভাগীয় সম্পাদিকাৰূপে লাভ কৰিলোঁ সেয়া মোৰ সততা আৰু নিষ্ঠাৰ লগতে এচাম সৎ আৰু নিষ্ঠাবান কৰ্মীৰ সহায়-সহযোগিতাৰ বলত। তেওঁলোকৰ কথা মই শ্ৰদ্ধাৰে সদায় সুঁৱৰিম। সফলতা নিজস্ব চেষ্টাৰ উপৰিও কিছু পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰতো নিৰ্ভৰশীল।

মোৰ কাৰ্য্যকালত মোক সকলোধৰণে সু-পৰামৰ্শৰে সহায় কৰা শিক্ষাগুৰুসকল বিশেষকৈ শ্ৰীকৃষ্ণ কিঙ্কৰ মহন্ত ছাৰ, বাভা ছাৰ, দাস ছাৰ আৰু ৰেণু হাজৰিকা বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"জয়তু বি. এইচ. মহাবিদ্যালয়"

"জয় আই অসম"

ধন্যবাদ সহকাৰে

**শ্ৰীঅনুশ্ৰী কাকতি**

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



বি. এইচ. কলেজ আলোচনী

# ব্যায়াম বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



বুকুত সু-উচ্চ হিমালয়ৰ দৰে দৃঢ়তাৰে জাতিৰ দুৰ্যোগৰ বেলিকাও সপোন গঢ়িৰলৈ আহি সপোনে বাস্তৱ ৰূপ পোৱাৰ আগমুহূৰ্তত ভয়াবহ দুৰ্ঘটনাত পতিত হ'ব লগা সেই সাতজনীলৈ প্ৰাৰম্ভণিতে আমাৰ অশ্ৰুসিক্ত প্ৰণিপাত জনাইছোঁ।

বৰপেটাৰোড-হাউলী মহাবিদ্যালয়ৰ দৰে এখন মহান বিদ্যালয়ৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হ'বলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। বিগত কেইবছৰৰ দৰে মোৰ কাৰ্যকালছোৱাত মহাবিদ্যালয় সপ্তাহত শৰীৰ চৰ্চা বিভাগৰ খেলসমূহ সুকলমে অনুষ্ঠিত হৈ যায়। মোৰ কাৰ্যকালছোৱাত গঠনমূলক দিহা পৰামৰ্শ দি সহায় কৰা শৰীৰ চৰ্চা বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত দীপমণি দাস ছাৰলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ।

বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰি মোৰ বিভাগত অনুষ্ঠিত হোৱা দেহশ্ৰী, পাঞ্জা, ভাৰ উত্তোলন, শক্তি উত্তোলন আৰু আসন প্ৰতিযোগিতা সুকলমে পৰিচালনা কৰা মাননীয় কবুল মিশ্ৰ, দিগন্ত দাস আৰু বিকাশ সাহালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে বিভিন্ন দিশত সহায়-সহযোগ কৰা বন্ধু-বান্ধৱীবোৰ হ'ল — পঙ্কজ, প্ৰহ্লাদ, তুলু, মণ্টু, কৰুণা, নিটু, ধনীন, মিণ্টু, সত্যজিৎ, উৎপল, জিতু, ৰূপমণি, দিগন্ত, দীপাঙ্কৰ, হিমানশু, মুন, মামনী, ৰবিতা, দীপ্তি, দিপালী, জোনালী, গীতাশ্ৰী আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত এই মহান অনুষ্ঠানৰ উত্তৰোত্তৰ কামনাৰ লগতে অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত মঙ্গল কামনা কৰি অজানিত ভুল-ক্ৰটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু বি. এইচ. মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

"জয় আই অসম"

ধন্যবাদেৰে

**শ্ৰীপ্ৰণৱজ্যোতি দাস (ৰুবুল)**

সম্পাদক, ব্যায়াম বিভাগ

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



লিখনীৰ আৰম্ভণিতে পৰম করুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি দেশ-মাতৃৰ অখণ্ডতা ৰক্ষাৰ হেতু কাৰগিল সীমান্তত আহত আৰু নিহত হোৱা বীৰসকললৈ শ্ৰদ্ধা জনাই মই মোৰ "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিছোঁ। লগতে যিসকল ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত শিক্ষা আৰু সমন্বয়ৰ মিলনভূমি আমাৰ মহাবিদ্যালয়খন নিৰ্মাণ হৈছে সেইসকললৈ মই মোৰ গভীৰ শ্ৰদ্ধা নিবেদিছোঁ।

১৯৯৮ চনৰ ২৯ নবেম্বৰৰ পুৱতি নিশা ২ বাজি ৪৫ মিনিটত চিৰ নৈৰ অভিশপ্ত শিলনিৰ বুকুত জাহ গ'ল বি. এইচ. কলেজৰ সাতটি প্ৰস্ফুটিত ফুলকলি। যাৰ বাবে আজিও মোৰ অবুজ কোমল হৃদয়খনে হাঁহাকাৰ কৰি উঠে। সেয়ে তেওঁলোকৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনাইছোঁ।

বি. এইচ. মহাবিদ্যালয়ৰ প্ৰগতিৰ স্বনামধন্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰীযুত সত্যনাথ দাস, বৰ্তমানৰ অধ্যক্ষ সন্মানীয় ডঃ ৰমেন্দ্ৰ কুমাৰ দাস আৰু উপাধ্যক্ষ মাননীয় শ্ৰীযুত অৰুণ কুমাৰ দাস আৰু আমাৰ মহাবিদ্যালয়ৰ সকলো অধ্যাপক-অধ্যাপিকা তথা কৰ্মীবৃন্দ সকললৈ মই মোৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু প্ৰণাম যাচিলোঁ।

ছাত্ৰ একতা সভাৰ "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ সম্পাদক হিচাপে মনোনীত কৰি কাৰ্যভাৰ চলাই নিয়াৰ সুবিধা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰি "মানুহ মাত্ৰেই ভুল" এই বাক্যফাকিৰ কথা অনুধাৱন কৰি মোৰ কাৰ্যকালত মই কি কৰিলোঁ তাৰ প্ৰশংসা নিবিচাৰি কৰিব নোৱাৰা খিনিৰ ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

মোক বিভিন্ন দিহা-পৰামৰ্শৰে কাৰ্য পৰিচালনাত উৎসাহিত কৰাৰ বাবে "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ নুৰছেল আলম দেৱ আৰু ডঃ গুণীন দাস দেৱৰ ওচৰত চিৰকৃতজ্ঞ। আৰু যিসকল প্ৰতিযোগীয়ে মোৰ সম্পাদকীয় বিভাগৰ দায়িত্বত থকা বিভিন্ন প্ৰতিযোগিতাত তেওঁলোকৰ পাৰদৰ্শিতা দেখুৱায় তেওঁলোকলৈ মোৰ হিয়াভৰা অভিনন্দন থাকিল।

মোৰ কাৰ্যকালত উৎসাহ, পৰামৰ্শ আৰু প্ৰতিযোগিতা সমূহ চলাই নিয়াত সহায় আগবঢ়োৱা ব্যক্তিসকল হ'ল — মোৰ মামা জালাল উদ্দিন, ভাইটি ইউনুচ, বন্ধু পঙ্কজদা, জয়ন্তদা, মিণ্টু, শ্বাহাব, মণিৰুজ্জামান, বাবুল, জুলহাস, আব্বাছ, ভুট্টু, খাইৰুল, ছফিকুল, ৰফিকুল, জলিল, বাপ্পা।

আৰু মৰমৰ বান্ধৱী — ৰুণু, ৰিজু, চালু, পাপু, আছমা, মঞ্জু, আবিদা, ফিৰুজা আৰু কল্পনা পাৰবিনলৈ মোৰ আন্তৰিক মৰম ও শুভেচ্ছা জনাই বি. এইচ কলেজৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু বি. এইচ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"

ধন্যবাদেৰে
**আব্দুল লতিফ**
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ





# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন



বি. এইচ. কলেজৰ দৰে মহান শিক্ষানুষ্ঠান এটিৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰূপে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে কলেজৰ অধ্যক্ষদেৱ প্ৰমুখ্যে সংশ্লিষ্ট সকলোকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰটোত কলেজৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰূপে মই কিমান সফল হৈছোঁ সেয়া বিচাৰৰ ভাৰ প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সদাশয় ব্যক্তিলৈ এৰিলোঁ। বিগত বছৰটোত বিভাগীয় প্ৰতিযোগিতাসমূহত যদিও যথেষ্ট প্ৰতিযোগী নাছিল, কিন্তু প্ৰতিযোগিতাৰ মানদণ্ড যথেষ্ট উচ্চখাপৰ আছিল। আশা কৰিছোঁ অনাগত দিনবোৰত যথেষ্ট প্ৰতিভাশালী প্ৰতিযোগী আমি পাম।

এইখিনিতেই এটি উল্লেখযোগ্য বিষয়ৰ প্ৰতি মই কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। এই সময়ছোৱাত মই বিশেষভাৱে অনুভৱ কৰা অভাৱ হ'ল এটি স্থায়ী আৰু নিয়মীয়া ছাত্ৰ জিৰণি কোঠাৰ অভাৱ। যাৰ ফলত অৱসৰ বা বিৰতিৰ সময়ত ছাত্ৰসকলে য'তে ত'তে থুপ খাই দৃষ্টিকটু পৰিৱেশ এটাৰ সৃষ্টি হোৱাও মাজে-সময়ে পৰিলক্ষিত হয় আৰু আৰু ই বহু সময়ত শ্ৰেণী সমূহৰ সুষ্ঠ গতিপথত বাধাৰ সৃষ্টি কৰে। শৈক্ষিক ক্ষেত্ৰত সুনামৰ অধিকাৰী এই কলেজখনৰ ভৱিষ্যতৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব পৰা এই বিষয়টোৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলোৱে মনোযোগ দিব বুলি আশা কৰা হ'ল।

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা সহায়-সহযোগেৰে মোক উৎসাহিত কৰাৰ বাবে মাননীয় অধক্ষ্যদেৱ আৰু তত্বাৱধায়ক শিক্ষক শ্ৰীসদানন্দ নাথদেৱক মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। কলেজ সপ্তাহত বিভিন্ন দিশত মোক বিশেষভাৱে সহায় কৰা ছাত্ৰবন্ধু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছোঁ।

সৰ্বশেষত মই মোৰ অজানিতে কৰা ভুল-ত্ৰুটিবোৰৰ ক্ষমা প্ৰাৰ্থনাৰে এই প্ৰতিবেদন সামৰিছোঁ।

"জয়তু বি. এইচ. মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

ধন্যবাদেৰে
**শ্ৰীজিতু কুমাৰ দাস**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিয়ে আমাৰ গৌৰৱময় আৰু অতি সৌন্দৰ্য্যময় বৰপেটাৰোড-হাউলী মহাবিদ্যালয়খন কঠোৰ পৰিশ্ৰমৰ মাজেৰে প্ৰতিষ্ঠা কৰিছে সেইসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

১৯৯৮-৯৯ চনৰ বছৰটোৰ বাবে মহাবিদ্যালয়খনৰ সমাজ সেৱা সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ।

বৰপেটাৰোড্-হাউলী মহাবিদ্যালয়ৰ সপ্তাহ উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো সমাজ সেৱা বিভাগৰ ফালৰ পৰা কৰ্ম প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত বহুতো উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে আৰু নিজ নিজ পাৰদৰ্শিতা দেখুৱাই কৃতিত্ব অৰ্জন কৰে। পৰৱৰ্তী কালত সকলো ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি এই মহাবিদ্যালয়ৰ পৰিষ্কাৰ পৰিচ্ছন্নতা বজাই ৰাখে তাৰ কাৰণে মোৰ ফালৰ পৰা বিনম্ৰ অনুৰোধ থাকিল।

মোৰ কামত সকলো প্ৰকাৰৰ সহায় কৰাৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰাধাচৰণ ৰাভা চাৰক আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

মোৰ কামত সকলো ফালৰ পৰা সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল হ'ল — মোঃ দেলুৱাৰ হুছেইন, মনজুৰুল হক, বদিউৰ ৰহমান, আঃ জলিল, ৰফিকুল ইছলাম, খাইৰুল ইছলাম, শ্বাহাদত, শ্বফিকুল ইছলাম, মালেকা খাতুন, নাজিমা খাতুন, ছাহেৰা আহমেদ (ৰুবি), আব্দুছ ছাত্তাৰ, ছাইবুদ্দিন, আজমত আলী (ৰাণা)।

সৰ্বশেষত মোৰ কাৰ্য্যকালত হোৱা ভুল-ক্ৰটিৰ কাৰণে ক্ষমা বিচাৰি বৰপেটাৰোড্-হাউলী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু বি. এইচ. মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

"জয় আই অসম"

ধন্যবাদেৰে

**মহৰ আলী**

সম্পাদক, সমাজ সেৱা বিভাগ




ছপা ঃ পূৰ্বশ্ৰী অফচেট প্ৰিণ্টাৰ্ছ, বৰপেটা।